www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এটা ভাল মনৰ অধিকাৰী হোৱাটোৱেই যথেষ্ট নহয়, আচল কথা তাৰ সঠিকভাৱে ব্যৱহাৰ কৰাটোহে। - ৰেণে ডেকাৰ্টে

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ২১৪ ❒ শুকুৰবাৰ ❒ ১৭ অক্টোবৰ, ২০২৫ চন ❒ ৩০ আহিন, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 214 ❒ Friday ❒ 17th October, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

### জুবিন গাৰ্গৰ সমাধিস্থলত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সাক্ষাৎ কৰিব পৰিয়ালক

# জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাবলৈ আজি অসমলৈ ৰাহুল গান্ধী

### সংখ্যালঘু ছাত্ৰনেতাসহ ৭ জনক চিনাক্ত

## বাক্সাৰ হিংসাত্মক ঘটনাত জড়িত দুজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ বাক্সাৰ হিংসাত্মক কাৰ্যত জড়িত থকা কেইবাজনো লোকক চিনাক্ত কৰিছে আৰক্ষীয়ে। তাৰে দুজনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীৰ জালত ▸▸৬ পৃষ্ঠাত

## মোক আমন্ত্ৰণ জনালে ময়ো ৰাহুলৰ সৈতে জুবিনৰ পৰিয়ালৰ ওচৰলৈ যাম ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ** ঃকংগ্ৰেছৰ প্ৰভাৱশালী নেতা তথা লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী শুকুৰবাৰে অসম ভ্ৰমণত আহিব, কিন্তু তেওঁ এই ভ্ৰমণৰ সময়ত কোনো দলীয় কাৰ্যকলাপত অংশগ্ৰহণ নকৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে সংবাদমাধ্যমক জানিবলৈ দিছে যে, ৰাহুল গান্ধীৰ এই ভ্ৰমণ সম্পূৰ্ণৰূপে ব্যক্তিগত। তেওঁৰ মূল উদ্দেশ্য হৈছে অসমৰ সাংস্কৃতিক আইকন জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱা, আৰু ▸▸৬ পৃষ্ঠাত

### ৰাহুলে অংশগ্ৰহণ নকৰে কোনো দলীয় কাৰ্যসূচীত





## ফাষ্টট্ৰেক আদালতত হ'ব জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ জুবিন মৃত্যু গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ফাষ্টট্ৰেক আদালতত কৰিবৰ বাবে কেবিনেটে উচ্চ ন্যায়ালয়ৰ মুখ্য ▸▸৬ পৃষ্ঠাত




## আই.পি.এছ. বিষয়াৰ ঘৰত অভিযানত উদ্ধাৰ নগদ ৫ কোটি টকা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ** ঃ পঞ্জাৱত ৮ লাখ টকাৰ উৎকোচ লোৱাৰ অভিযোগত চিবিআয়ে গ্ৰেপ্তাৰ ▸▸৬ পৃষ্ঠাত

## সন্ত্ৰাসবাদ, অপৰাধ আৰু দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীল চৰকাৰ ঃ অমিত শ্বাহ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ** ঃ চৰকাৰে সন্ত্ৰাসবাদ, অপৰাধ আৰু ▸▸৬ পৃষ্ঠাত

### SDGP মুন্না প্ৰসাদ গুপ্তাৰ নেতৃত্বত যাব দলটো

## ২০ অক্টোবৰত ছিংগাপুৰলৈ যাব অসম আৰক্ষীৰ দল

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ অসমৰ সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুৰ তদন্তত নতুন মোৰৰ সূচনা হৈছে। অসম আৰক্ষীৰ স্পেচিয়েল ইনভেষ্টিগেচন টিম (এছ আই টি)ৰ দল ২০ অক্টোবৰত সিংগাপুৰলৈ যাব, য'ত এছ আই টিৰ ▸▸৬ পৃষ্ঠাত



### পদত্যাগৰ পিছতে উপাচাৰ্যৰ বিৰুদ্ধে সৰৱ ভাৰপ্ৰাপ্ত পঞ্জীয়ক, অভিযান্ত্ৰিক বিদ্যালয়ৰ ডীনৰ



## নেতৃত্বৰ সংকটত তেজপুৰ বিশ্ববিদ্যালয়; একেলগে দুই শীৰ্ষ বিষয়াৰ পদত্যাগ

**ষ্টাফ ৰিপ'টাৰ, তেজপুৰ, ১৭ অক্টোবৰ** ঃ তেজপুৰ বিশ্ববিদ্যালয়ত চলি থকা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ মাজতে প্ৰশাসনিক ক্ষেত্ৰত এটা বৃহৎ সালসলনিৰ ঘটনা সংঘটিত হৈছে। বিশ্ববিদ্যালয়ৰ দুগৰাকী শীৰ্ষ বিষয়া—ভাৰপ্ৰাপ্ত পঞ্জীয়ক প্ৰীতম দেৱ আৰু অভিযান্ত্ৰিক বিদ্যালয়ৰ ডীন শংকৰ চন্দ্ৰ ডেকাই তেওঁলোকৰ পদৰ পৰা পদত্যাগ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, ভাৰপ্ৰাপ্ত পঞ্জীয়ক ▸▸৬ পৃষ্ঠাত

### ৰাষ্ট্ৰীয় পৰ্যায়ত জুবিন গাৰ্গলৈ ন্যায়ৰ দাবী উত্থাপন অৰবিন্দ কেজৰীৱালৰ

## জুবিন গাৰ্গলৈ ন্যায়হে প্ৰকৃত শ্ৰদ্ধাঞ্জলিঃ অৰবিন্দ কেজৰীৱাল



**অসম বাৰ্তা, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গ নোহোৱা আজি প্ৰায় এমাহেই হ'ল। কিন্তু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত লেহেমীয়া হ'ব ধৰিছে। অসম ▸▸৬ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীৰ ঘোষণা, 'ঝুমইৰ বিনন্দিনী'ৰ শিল্পীসকলক মাননি প্ৰদান

## দিল্লীত সাত দিন ধৰি প্ৰদৰ্শন হ'ব অসমৰ সংস্কৃতি

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ অসমৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক বিশ্বৰ সন্মুখত তুলি ধৰাৰ এক উল্লেখযোগ্য পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে যে আগন্তুক সময়ত দিল্লীত সাত দিন ধৰি অসমৰ সংস্কৃতিৰ এক বিশাল প্ৰদৰ্শনৰ আয়োজন কৰা হ'ব। ▸▸৬ পৃষ্ঠাত



### #JusticeForZubeenGarg লিখি এইপৰ্যন্ত ১২ লাখ অনুৰাগীৰ ন্যায়ৰ দাবী

## জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবীৰে সামাজিক মাধ্যমত অনুৰাগীৰ প্ৰতিবাদ

**অসম বাৰ্তা, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ ন্যায়ৰ দাবীৰে শিল্পীগৰাকীৰ অনুৰাগীসকলে সামাজিক ▸▸৬ পৃষ্ঠাত

### বাক্সাৰ ঘটনাৰ বাবে মূল জগৰীয়া অসম পুলিচ আৰু মুখ্যমন্ত্ৰী !

## মুখ্যমন্ত্ৰীৰ মুখখন বৰবেজীৰে চিলাই নকৰালৈকে অসম অশান্তিৰে ভৰি হৈ থাকিব ঃ অখিল গগৈ

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১৭ অক্টোবৰ** ঃ ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে বৃহস্পতিবাৰে শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত এক সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ▸▸৬ পৃষ্ঠাত

### ২৪ ঘণ্টাত ২টাকৈ আক্ৰমণ

## কাকপথাৰ সেনা ছাউনীত মাজনিশা গুলী আৰু গ্ৰেনেড বিস্ফোৰণৰ ঘটনা

**ষ্টাফ ৰিপ'টাৰ, ডুমডুমা, ১৭ অক্টোবৰ** ঃ বৃহস্পতিবাৰে নিশা কাকপথাৰত সংঘটিত হয় এক ভয়ংকৰ ঘটনা। মাজ নিশা প্ৰায় ১২: ১৫ বজাত ▸▸৬ পৃষ্ঠাত

## জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ নিৰ্মাণৰ বাবে পৰিকল্পনা সমিতি গঠন

### গৰিমা শইকীয়া গাৰ্গ, পামী বৰঠাকুৰ সহ দায়িত্ব সমিতিত আছে মুঠ ১১ জন

জুবিন গাৰ্গৰ স্মৃতিক চিৰস্থায়ী কৰাৰ লক্ষ্য

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ অসমৰ সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ স্মৃতিক চিৰস্থায়ী কৰাৰ লক্ষ্যৰে অসম চৰকাৰে তেওঁৰ সমাধি স্থায়ীভাৱে নিৰ্মাণৰ বাবে এক উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰিছে। এই সমিতিত জুবিনৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, ভগ্নী পামী বৰঠাকুৰ, বিশিষ্ট শিল্পী তৰালি শৰ্মা, প্ৰাঞ্জল ▸▸৬ পৃষ্ঠাত

### অসম কেবিনেটৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত, প্ৰধানমন্ত্ৰীৰ আধাৰশিলা স্থাপনৰ সম্ভাৱনা

## নামৰূপত এমোনিয়া-ইউৰিয়া কমপ্লেক্স স্থাপনৰ বাবে ১০, ৬০১ কোটি টকাৰ অনুমোদন

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ** ঃ অসমৰ উন্নয়নৰ নতুন মাইলৰ খুঁটি হিচাপে ▸▸৬ পৃষ্ঠাত






মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাতেলৰ বাহিৰে ১৬জন মন্ত্ৰীৰ পদত্যাগ পত্ৰ দাখিল

## গুজৰাট মন্ত্ৰীসভাৰ সমূহীয়া পদত্যাগ; আজি নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণ অনুষ্ঠান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ** ঃ ভাৰতীয় জনতা পাৰ্টি (বিজেপি) শাসিত গুজৰাট চৰকাৰত বৃহৎ ৰাজনৈতিক ▸▸৬ পৃষ্ঠাত

### তদন্তৰ পৰৱৰ্তী পৰ্যায় সন্দৰ্ভত মন্তব্য মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

## নৱেম্বৰ মাহৰ পাছত যিকোনো মুহূৰ্ততে SITয়ে আদালতত দাখিল কৰিব চাৰ্জশ্বীট

**অসম বাৰ্তা, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তৰ বাবে গঠন কৰি দিয়া বিশেষ তদন্ত সমিতি, চমুকৈ SIT- এ নৰ্থইষ্ট ফেষ্টিভেলৰ উদ্যোক্তা শ্যামকানু মহন্ত, জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা, শিল্পীগৰাকীৰ দুই সহযোগী শেখৰ গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ লগতে দুই দেহৰক্ষীক গ্ৰেপ্তাৰ কৰিছে। আনহাতে ▸▸৬ পৃষ্ঠাত

## বাক্সা হিংসাক মুখ্যমন্ত্ৰীৰ দুৰ্ভাগ্যজনক আখ্যা; অভিযুক্তক ৰাজআতিথ্যৰ প্ৰচাৰ ভুৱা আখ্যা



## ৰাজআতিথ্য নহয় নিৰাপত্তাৰ দিশটোহে গুৰুত্ব দিয়া হৈছিল

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ** ঃ বাক্সা জিলা কাৰাগাৰৰ সন্মুখত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ সৈতে জড়িত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ ▸▸৬ পৃষ্ঠাত



### প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষয়িত্ৰীৰ চৰণ চুই সেৱা কৰা দৃশ্য আছিল অতি মৰ্মস্পৰ্শী

# জ্ঞানোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ববিতা শইকীয়াৰ বিদায়

**অসম বাৰ্তা, পেঙেৰী, ১৬ অক্টোবৰ** ঃ আড়ম্বৰপূৰ্ণ এক অনুষ্ঠানৰ যোগেদি সোমবাৰে পেঙেৰী অঞ্চলৰ জ্ঞানোদয় মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ববিতা শইকীয়াক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মিণ্টু কোঁৱৰৰ নেতৃত্বত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰৰ এটি দলে পৰিৱেশন কৰা দিহানামেৰে মুকলি কৰা মঞ্চত অনুষ্ঠিত সম্বৰ্ধনা সভাখন পৰিচালনা কৰে বালিজান মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা বিশিষ্ট সাংস্কৃতিক কৰ্মী লক্ষণ চাৰিঙীয়া ফুকনে। জ্ঞানোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা জ্যেষ্ঠ সাংবাদিক ৰবীন মৰাণে আঁত ধৰা সভাখনৰ আৰম্ভণিতে সকলোৰে প্ৰিয় হৈ "মায়াবিনী" গীত পৰিৱেশনেৰে প্ৰয়াত শিল্পী জুবিন গাৰ্গক স্মৰণ কৰে। গীতটিত কণ্ঠ নিগৰোৱা জ্ঞানোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ কৰ্মচাৰী মিন্তু কোঁৱৰৰ সৈতে সমস্বৰে গীত গাইছিল শ শ সভাসদে। সভাত অতিথি হিচাপে অংশগ্ৰহণ কৰে বিদ্যালয় প্ৰতিষ্ঠাৰ সতে জড়িত স্থানীয় ধৰ্মপ্ৰাণ ব্যক্তি মাণিক গগৈ, বিহু সুৰক্ষা সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক পূৰ্ণ বৰুৱা, মাৰ্ঘেৰিটা জিলা ট্ৰাইবেল সংঘৰ সম্পাদক ভূপেন সোণোৱাল, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ জয়কান্ত মৰাণ, তিনিগৰাকী কেন্দ্ৰ সমল সমন্বয়ক ক্ৰমে হেমেন শইকীয়া, দিবাকৰ বৰুৱা আৰু লোহিত সোণোৱাল, প্ৰাক্তন কেন্দ্ৰ সমল সমন্বয়ক অপূৰ্ব শৰ্মা, বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক অতুল বৰা, খাটাংপানীৰ সদ্য পুৰস্কাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া শ্ৰৱণ শইকীয়া, জ্যেষ্ঠ সাংবাদিক বিনন্দ কোঁৱৰ, বুঢ়ীদিহিং জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দীপিকা মৰাণ আদিয়ে। অনুষ্ঠানৰ মাজে মাজে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে গীত-মাত, কবিতা, নৃত্য আদি পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে। বিভিন্ন কাৰ্যসূচীৰ মাজতে সম্পন্ন হয় সম্বৰ্ধনা পৰ্ব। বিদ্যালয়ৰ শিক্ষক গোট, ছাত্ৰ-ছাত্ৰী গোট, আদৰ্শ গাঁওবাসী, আদৰ্শ গাঁও নামঘৰৰ গোপিনী সমাজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন গোট, আছুৰ বৰডুমচা-পেঙেৰী আঞ্চলিক সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পেঙেৰী-বৰডুমচা আঞ্চলিক সমিতি, আদৰ্শ বীৰাঙ্গনা গ্ৰাম্য সংগঠন, নলনী গ্ৰাম্য সংগঠনকে ধৰি বিভিন্ন অনুষ্ঠান আৰু সংঠনৰ উপৰি শতাধিক ব্যক্তি বিশেষে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ববিতা শইকীয়াক উষ্ম সম্বৰ্ধনা জনায়। বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দলে শিক্ষয়িত্ৰী গৰাকীৰ চৰণ চুই সেৱা কৰা দৃশ্য আছিল অতি দুৰ্লভ আৰু মৰ্মস্পৰ্শী। সভাত অতিথি পূৰ্ণ বৰুৱা, ভূপেন সোণোৱাল, বিনন্দ কোঁৱৰ, হেমেন শইকীয়া, দিবাকৰ বৰুৱা, জয়কান্ত মৰাণ আদিয়ে আৰু প্ৰাক্তন ছাত্ৰী লিপিকা মৰাণ, ছাত্ৰ পল্লৱ দিহিঙীয়াই বক্তব্য প্ৰদান কৰে। সম্বৰ্ধিত ব্যক্তিৰ ভাষণত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ববিতা শইকীয়াই অতীত সুঁৱৰি বিদ্যালয় আৰু অঞ্চলবাসীৰ সৈতে সংপৃক্ত হৈ পৰাৰ স্মৃতি ৰোমন্থনে নষ্টালজিক হৈ পৰে। উল্লেখ্য যে, যোৱা ৩০ ছেপ্টেম্বৰ তাৰিখে সম্পূৰ্ণ ৪০ বছৰ মমবাতিৰ দৰে নিজকে জ্বলাই জ্বলাই শত-সহস্ৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন পোহৰাই তুলি চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা ববিতা শইকীয়া কেৱল শিক্ষয়িত্ৰীয়েই আছিল তেনে নহয়। তেওঁ শিক্ষা দানৰ সমান্তৰালকৈ গীত-মাত, নাট-নাচ, ঢোল-খোল-নেগেৰা আদি সৰ্বদিশতে চলোৱা আৰু বিশেষ অভিজ্ঞতা থকা এগৰাকী বিশিষ্ট সাংস্কৃতিক কৰ্মীও। গীত, কবিতা, প্ৰবন্ধ আদি ৰচনাত সিদ্ধহস্ত ববিতা শইকীয়াই আনকি একক প্ৰচেষ্টাৰে 'ৰাসলীলা' আয়োজন কৰিও ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেওঁৰ বিদায়ৰ ক্ষণত অঞ্চলবাসীয়ে যেন উদাস চিত্তে ভাৱিছে 'এটা যুগৰ অৱসান ঘটিল'।

# চৰাইচোং উৎসৱ-২০২৫ত একেসময়তেই তিনিখন বিদ্যালয়ত বৃহৎ সজাগতা সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ অক্টোবৰ** ঃ প্ৰকৃতি সুৰক্ষা চৰাইচোং উদ্ধাৰ আৰু ভৱিষ্যত শীৰ্ষকৰে আজি একে সময়তে আৰম্ভ হোৱা তিনিখন বৃহৎ সজাগতা সভাৰে একপ্ৰকাৰ আৰম্ভ হ'ল চৰাইচোং উৎসৱ - ২০২৫ উদ্বোধনী পৰ্ব। চৰাইচোঙৰ কাষৰীয়া উচ্চ শিক্ষানুস্থান ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, শ্ৰীৰাম বনমালী উচ্চতৰ মাধ্যমিক আৰু জোনাকী ছমহীয়াআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২ বজাৰ পৰা অনুষ্ঠিত সভাত সমল ব্যক্তি ৰূপে মেগামি' প্ৰকৃতি সংঘ, ঢকুৱাখনাৰ কেইবাগৰাকী প্ৰকৃতিপ্ৰেমীয়ে অংশগ্ৰহণ কৰে। ঐতিহাসিক পক্ষী বিচৰণ সংৰক্ষিত ক্ষেত্ৰ চৰাইচোং পুনৰুজ্জীৱিতৰ পিছত এই চৰাইচোঙৰ দ্বাৰা মাজুলীৰ আৰ্থ - সামাজিক উন্নতিৰ লগতে প্ৰকৃতি সুৰক্ষাত কেনে প্ৰভাৱ পৰিব সেই বিষয়ে সজাগতা বৃদ্ধিৰ বাবেই এইলানি সজাগতা সভা অনুষ্ঠিত হয়। "মাজুলীৰ সাহিত্য "ৰ উদ্যোগত "মেগামি' প্ৰকৃতি সংঘ" আৰু "চৰাইচোং উৎসৱ উদযাপন সমিতি"ৰ সহযোগত হোৱা এই কাৰ্যসূচীৰ শ্ৰীৰাম বনমালী উচ্চতৰ মাধ্যমিকত পৰিৱেশ মিত্ৰ অতুল হাজৰিকাৰ দ্বাৰা এটি গছ পুলি ৰোপণেৰে আৰম্ভ কৰে। পৰিৱেশ কৰ্মী সুনীল কুমাৰ বৰাই আঁত ধৰা সভাখনত মাজুলীৰ সাহিত্যৰ সভাপতি কমল দত্তই উদ্বোধনী ভাষণ দি চৰাইচোং উৎসৱক মাজুলীৰ পৰা ৩৯২ বছৰ আগতে আগতে আৰম্ভ হোৱা প্ৰকৃতি ৰক্ষা অভিযানৰ ভেটিত গঢ় লোৱা এক আন্দোলন। চৰাইচোং ৰক্ষা মানেই সভ্যতা ৰক্ষা বুলি এই অভিযানত সকলোৰে সহযোগ বিচাৰে। সভাত সমল ব্যক্তি ৰূপে মেগামি'ৰ বিশিষ্ট বিষয়া পৰিৱেশ কৰ্মী, পৰিৱেশ মিত্ৰ প্ৰাপক দেৱজিৎ ফুকনে। অন্য এজন সমল ব্যক্তি অসম বিজ্ঞান সমিতি ঢকুৱাখনা সমিতিৰ প্ৰাক্তন সভাপতি দিগেন্দ্ৰ নাথ হাজৰিকা আৰু ৰাজ্যিক উপ-সভাপতি ড° অমল চন্দ্ৰ দত্তই ছাত্ৰ ছাত্ৰীৰ লগত মত বিনিময় কৰে। সভাত বিশিষ্ট ব্যক্তি অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মাজুলীৰ সাহিত্যৰ মুখ্য উপদেষ্টা দিলীপ কুমাৰ ফুকন, বিশিষ্ট কবি তথা মাজুলীৰ সাহিত্যৰ উপদেষ্টা যুগল হাজৰিকা, বিদ্যালয়ৰ অধ্যক্ষ অসীম হাজৰিকাই ভাষণ দিয়ে। ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিকত উদ্যোক্তাৰ হৈ প্ৰশান্ত হাজৰিকাই আঁত ধৰে। সমল ব্যক্তি ৰূপে মেগামি'ৰ সভাপতি চেনিৰাম বৰুৱা আৰু অসম বিজ্ঞান সমিতিৰ উপ-সভাপতি প্ৰকৃতিবিদ ড° অমল চন্দ্ৰ দত্তই ভাষণ দিয়ে। বিদ্যালয়ৰ পৰা অতিথি সকলক একোখন গামোচাৰে আদৰণি জনায়। বিদ্যালয়ৰ অধ্যক্ষা দিপালী তামোলী আৰু সেই বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা চৰাই চোং উৎসৱ উদযাপন সমিতিৰ সভাপতি দুৰ্গেশ্বৰ শইকীয়াই বক্তব্য আগবঢ়ায়। শলাগৰ শৰাই আগবঢ়াই গোবিন কুমাৰ খাউণ্ডে। আনখন সজাগতা সভা জোনাকী ছমহীয়াআটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উদ্যোক্তা সকলৰ হৈ জয়ন্ত মাধৱ কলিতাই আঁতধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে বক্তৃতা আগবঢ়াই অধ্যক্ষ বিৰিঞ্চি শইকীয়াই। বিশেষ সমল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে ঢকুৱাখনা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ নৰেন্দ্ৰ নাথ দত্ত আৰু অসম বিজ্ঞান সমিতি ঢকুৱাখনাৰ কাৰ্যকৰী সভাপতি পৰমানন্দ দত্তই। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক গিৰিধৰ শইকীয়াই চৰাইচোঙৰ বিষয়ে বহলাই বক্তব্য প্ৰদান কৰে। শলাগৰ শৰাই আগবঢ়াই বিদ্যালয়ৰ শিক্ষক গুণ কৃষ্ণ কোঁচে। কেউখন সভাৰ আৰম্ভতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা জনায়। উল্লেখযোগ্য, অহা ৭ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈ চৰাইচোঙত অনুষ্ঠিত হ'বলগীয়া চৰাইচোং উৎসৱৰ আগত মাজুলীৰ বিভিন্ন বিদ্যালয়ত এই সজাগতা সভা আগন্তক দিনত অধিখ বিদ্যালয়লৈ সম্প্ৰসাৰণ কৰিব বুলি মাজুলীৰ সাহিত্যৰ বিজ্ঞপ্তিত প্ৰকাশ।

# বঙাইগাঁও ডায়েটত উদ্ভাৱনীমূলক ধাৰণাৰ শিক্ষক সমাৰোহৰ শুভাৰম্ভ

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ অক্টোবৰ** ঃ বঙাইগাঁও জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজিৰে পৰা তিনিদিনীয়াকৈ উদ্ভাৱনীমূলক ধাৰণাৰ শিক্ষক সমাৰোহৰ শুভাৰম্ভ হয়। সমগ্ৰ কাৰ্যসূচী শিক্ষণ-শিকণৰ ক্ষেত্ৰত উদ্ভাৱনী চিন্তা আৰু নতুনত্বৰ প্ৰচাৰ-প্ৰসাৰৰ লক্ষ্যৰে অনুষ্ঠিত হৈছে। প্ৰথম দিনটোত সমাৰোহৰ শুভাৰম্ভ উপলক্ষে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত খ্যাতনামা সংগীতশিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদগতিৰ বাবে উপস্থিত সকলোয়ে এক মিনিট মৌন প্ৰাৰ্থনা কৰে। এই সমাৰোহৰ শুভ উদ্বোধন কৰে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁৱৰ অধ্যক্ষ ৰূপনাথ দাসে। উদ্বোধনী ভাষণত তেওঁ কয়- "অসমৰ ভিতৰত শিক্ষকৰ উদ্ভাৱনীমূলক ধাৰণাৰ এনে ধৰণৰ সমাৰোহ বঙাইগাঁৱত প্ৰথমবাৰৰ বাবে আয়োজন কৰা হৈছে, যি নিশ্চয়কৈ শিকণৰ ক্ষেত্ৰত এক নতুন দিশ প্ৰদান কৰিব।" উদ্বোধনী অধিবেশনত সভাপতিত্ব কৰে প্ৰতিষ্ঠানটোৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা বিপাশা পাঠক চৌধুৰীয়ে আৰু মূল্যায়ক হিচাপে উপস্থিত থাকে আন এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰৱক্তা মিনতি পাল দেব। অনুষ্ঠানৰ শুভাৰম্ভ অনুষ্ঠানত জ্যেষ্ঠ প্ৰৱক্তা প্ৰদীপ ৰয়ে উদ্দেশ্য ব্যাখ্যা কৰি কয়, "নতুন শিক্ষানীতি যদি এটা বিশাল মহাসাগৰ হয়, তেন্তে সেই মহাসাগৰত চলা জাহাজৰ নাবিক হ'ল শিক্ষকসকল। সেই বাবে উদ্ভাৱনী চিন্তা আৰু ধাৰণাই শিক্ষকৰ মূল শক্তি হ'ব লাগিব।" সমাৰোহৰ মুখ্য বক্তা হিচাপে উপস্থিত থাকে কোকৰাঝাৰ চৰকাৰী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰৱক্তা প্ৰীতিভূষণ দেৱনাথ। তেওঁ শিক্ষণ পদ্ধতিৰ আধুনিকীকৰণ আৰু শিক্ষকৰ উদ্ভাৱনী ভূমিকা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। এই সমাৰোহত বঙাইগাঁও, সৃজনগ্ৰাম, বইটামাৰী আৰু মাণিকপুৰ শিক্ষাখণ্ডৰ প্ৰায় এশ গৰাকী শিক্ষককে অংশগ্ৰহণ কৰে। শিক্ষক সকলে নিজৰ উদ্ভাৱনী ধাৰণা, প্ৰয়োগমূলক শিক্ষণ প্ৰক্ৰিয়া, আৰু শিকণ-পদ্ধতিৰ উন্নয়নমূলক প্ৰচেষ্টাৰ বিৱৰণ দাঙি ধৰে। শিক্ষক সমাৰোহৰ সময়ছোৱাত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁৱৰ প্ৰাঙ্গণত শিক্ষণ-শিকণ সঁজুলি অৰ্থাত টি এল এমৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়। টি এল এম প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা মনোৱাৰ হুছেইনে। আজিৰ এই শিক্ষক সমাৰোহৰ বিভিন্ন কাৰ্যসূচীত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰৱক্তা মৃদুল দাস, ৰশ্মিতা পাঠক চৌধুৰী, নমিতা দাস, উদিত বাছনেট, মানস নৰহ সহ কেইবাজনো শিক্ষক-কৰ্মচাৰী উপস্থিত আছিল। উদ্যমপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হোৱা এই শিক্ষক সমাৰোহত অংশগ্ৰহণকাৰী শিক্ষক সকলে শিক্ষাৰ ক্ষেত্ৰত নতুন দিশ উন্মোচনৰ সংকল্প লয়।

## কেএচিৰ আঁচনিৰ শুভ উন্মোচনত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা

**অসম বাৰ্তা, বঙাইগাঁও, ১৬ অক্টোবৰ** ঃ আজি কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ সচিবালয় চৌহদত অসম চৰকাৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ উপস্থিতিত কে এ চি'ৰ বিভিন্ন আচঁনিৰ শুভ উন্মোচন কৰে। উল্লেখযোগ্য আজি অসম চৰকাৰৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ হাতেৰে পৰিষদৰ পৰা কে এ চিৰ সচিবালয়ৰ চৌহদত বিশ্ব মহাবীৰ চিলাৰায় প্ৰতিমূৰ্ত্তি আৰু বিশ্ব মহাবীৰ চিলাৰায় উদ্যানৰ শুভ উন্মোচন, পৰম্পৰাগত জনগোষ্ঠীয় বাদ্য যন্ত্ৰৰ শুভ উন্মোচন, মহিলা সকলৰ পৰম্পৰাগত সাজ-পাৰ 'পাটানী' বিতৰণ, বিভিন্ন উপাসনা স্থলী লৈ আৰ্থিক অনুদান প্ৰদান, আত্মসহায়ক গোট সমূহ লৈ একঁকালীন আৰ্থিক অনুদান প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে মন্ত্ৰী গৰাকীক কে এ চিৰ ফালৰ পৰা মহাৰাজ নৰনাৰায়ন আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্ত্তি অথবা তেখেতৰ নামত দিছপুৰ আৰু মা কামাখ্যা মন্দিৰৰ চৌহদত অতিথি শালা বনোৱাৰ বাবে অনুৰোধ জনায়। পৰিষদৰ অনুৰোধ মৰ্মে মন্ত্ৰী ডাঙৰীয়াই মহাৰাজ নৰনাৰায়ন আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ নামত উক্ত ঠাইত মহাৰাজ আৰু বীৰ গৰাকীৰ প্ৰতিচিহ্ন স্থাপনৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লব বুলি আশ্বাস প্ৰদান কৰে। উক্ত অনুষ্ঠানত কে.এ.চিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, উপাধ্যক্ষ সুকেণ ৰায়, ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, কোচ ৰাজবংশী সাহিত্য সভাৰ সম্পাদক কমল ৰায়, পৰিষদৰ প্ৰধান সচিব দ্বিপন বৰ্মন, অভয়াপুৰী সম জিলা আয়ুক্ত শান্তা কাৰ্কী চেত্ৰী, কেন্দ্ৰীয় আক্ৰাছুৰ মুখ্য উপদেষ্টা ক্ষীতিশ বৰ্মন, সভাপতি সন্মানীয় মনোজ ৰায়, সাধাৰণ সম্পাদক বলোৰাম বৰ্মন, পৰিষদৰ সমূহ কাৰ্য্যবাহী সদস্য তথা সাধাৰণ সদস্য/সদস্যা সকল, বিশিষ্ট সমাজকৰ্মী সকল, বিশিষ্ট ব্যক্তি সকল আৰু স্থানীয় শুভাকাংক্ষী ৰাইজ উপস্থিত থাকে।

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ তিনি শিক্ষাৰ্থীক জুবিন গাৰ্গৰ নামত বঁটা প্ৰদান




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ অক্টোবৰ** ঃ সাম্প্ৰতিক সময়ত একাংশ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত উপস্থিত থকিবলৈ আগ্ৰহ নকৰা হৈছে। তেনেছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠালৈ আকৰ্ষণ বৃদ্ধি কৰিবলৈ আৰু অভিভাৱকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এক ব্যতিক্ৰমী বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই। ছাত্ৰ একতা সভাৰ সভাপতি আত্ৰেয় চেতিয়া, সাধাৰণ সম্পাদক বেদব্যাস বড়িয়ে জনোৱা মতে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্ব) নিয়মীয়া পাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত তিনিগৰাকী ছাত্ৰ-ছাত্ৰীক বাছনি কৰি জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদানৰ বাবে এক সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল আৰু সেই মৰ্মে মহাবিদ্যালয়ৰপাঠদান কাৰ্যসূচীত সৰ্বাধিক উপস্থিত থকা তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে ৰিয়া মেছক (প্ৰথম সৰ্বাধিক) 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ উৎকৃষ্টতা বঁটা', বিধান লাচিত ফুকন (দ্বিতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী প্ৰেৰণা বঁটা' আৰু বিৰাজ বল্লভগগৈ (তৃতীয় সৰ্বাধিক)-ক 'জুবিন গাৰ্গ সোঁৱৰণী উপস্থিতিৰ প্ৰতিশ্ৰুতি বঁটা' প্ৰদানৰ বাবে মনোনীত কৰা হৈছিল। আজিমহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাক্ষত অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰাধ্যাপক ড° পি কে বৰুৱা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইউ জি চিৰ মালৱিয়া মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক ড°তাবাছুম ৰিজভি আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নৰজিত মেধিয়ে শিক্ষাৰ্থী কেইজনক বঁটাকেইটি প্ৰদান কৰে। বঁটা প্ৰদান কৰি এনেধৰণৰ ব্যতিক্ৰমী বঁটা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে বঁটা প্ৰাপক শিক্ষাৰ্থীকেইজনক আশীৰ্বাদ প্ৰদান কৰে। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নৰজিত মেধিয়ে কয় বৰ্তমান সময়ত ছাত্ৰী-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণৰ প্ৰতি যি অনিহা দেখা পোৱা গৈছে, সেই মুহূৰ্তত শ্ৰেণীকোঠাত সৰ্বাধিক উপস্থিত থাকি বঁটা লাভ কৰাটোৱে সমাজলৈ এক নতুন বাৰ্তা কঢ়িয়াই আনিব। বঁটা প্ৰদান কৰি ড° ৰিজভিয়ে কয় শ্ৰেণীকোঠাত মই সৰ্বাধিক উপস্থিত থাকিও এনেধৰণৰ কোনো বঁটা লাভ নকৰিলো। আজি এনে এটি বঁটা নিজহাতে প্ৰদান কৰিবলৈ পাই অতিশয় আনন্দিত হৈছো। ছাত্ৰ একতা সভাৰ এনে ইতিবাচক পদক্ষেপক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ধন্যবাদ জ্ঞাপন কৰাৰ লগতে শলাগ জনায়।

**১৭ অক্টোবৰত অসমলৈ আহিব ৰাহুল গান্ধী; জুবিন গাৰ্গৰ সমাধিস্থলীত জনাব শ্ৰদ্ধাঞ্জলি**

# ডিমৌত সাংসদ গৌৰৱ গগৈয়ে একাধিক উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন

**অসম বাৰ্তা, ডিমৌ, ১৬ অক্টোবৰ** ঃ ২০২৪-২৫ বৰ্ষৰ সাংসদ এলেকাৰ পুঁজিৰে ডিমৌ বিধানসভা সমষ্টিৰ ভিন্ন ভিন্ন স্থানত একাধিক উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰে কংগ্ৰেছ সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে। দিনটোৰ কাৰ্যসূচী অনুসৰি, সাংসদগৰাকীয়ে ক্ৰমানুসাৰে গোহাঁইবাৰী চাহবাগিচাৰ চুমনি চাওঁতালি সাংস্কৃতিক কেন্দ্ৰ, পছুখোৱা দলনি সাংস্কৃতিক কেন্দ্ৰ, নিতাই পুখুৰী বগপৰা যুৱ সংঘ, ডিমৌ নদীকিনাৰৰ বৰগোহাঁই সাংস্কৃতিক কেন্দ্ৰ, উজনি চকলাপথাৰ সাংস্কৃতিক কেন্দ্ৰ, আৰু পালেঙী ৰংগমঞ্চত আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে প্ৰতিটো স্থানত স্থানীয় ৰাইজে উৎসাহেৰে আদৰণি জনায় সাংসদ গৌৰৱ গগৈক। উপস্থিত জনসাধাৰণৰ মাজত বিশেষ উৎসাহ-উদ্দীপনা লক্ষ্য কৰা যায়। স্থানীয় সমাজ, সংগঠন আৰু



যুৱক-যুৱতীৰ অংশগ্ৰহণে দিনটোক এক উৎসৱমুখৰ ৰূপ প্ৰদান কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত গৌৰৱ গগৈয়ে কয় যে— "ডিমৌ সমষ্টিৰ সাংস্কৃতিক আৰু সামাজিক ভেঁটি অধিক দৃঢ় কৰাৰ লক্ষ্যেই এই আঁচনিসমূহ গ্ৰহণ কৰা হৈছে। গ্ৰামীণ জনজীৱনৰ গৌৰৱ, সংস্কৃতি আৰু ঐক্য সংৰক্ষণে আমাৰ প্ৰধান উদ্দেশ্য।" ইফালে, সাংবাদিকসকলৰ এক প্ৰশ্নৰ উত্তৰ দিওঁতে সাংসদ গৰাকীয়ে জানিবলৈ দিয়ে যে, অহা ১৭ অক্টোবৰত ৰাহুল গান্ধী অসমলৈ ভ্ৰমণত আহিব আৰু তেওঁৰ এই ভ্ৰমণৰ অন্যতম উদ্দেশ্য হ'ল প্ৰয়াত সংগীত শিল্পী জুবিন গাৰ্গৰ সমাধিস্থলীত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা। গগৈয়ে লগতে কয় যে— "জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পী নহয়, তেওঁ আছিল অসমীয়া জাতিৰ এক অনুভূতি। তেওঁক স্মৰণ কৰাটো আমাৰ সাংস্কৃতিক আৰু সামাজিক দায়িত্ব।" ডিমৌৰ বিভিন্ন স্থানত অনুষ্ঠিত এই আধাৰশিলা স্থাপন অনুষ্ঠানত স্থানীয় নেতা-কৰ্মীসকলে উপৰি উপস্থিত থাকে বিপুল সংখ্যক গ্ৰাম্য ৰাইজ। অনুষ্ঠানটোৰ অন্তত সাংসদ গগৈক ফুলাম গামোচা আদিৰে আদৰণি জনাই স্থানীয় ৰাইজসকলে তেওঁৰ উন্নয়নমূলক পদক্ষেপৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

# গেলেকীৰ প্ৰেছ ক্লাৱত অসমীয়া চুটি ছবি 'কানাই' মুকলি অনুষ্ঠান

**অসম বাৰ্তা, গেলেকী, ১৬ অক্টোবৰ** ঃ NS777 প্ৰডাকচনৰ অসমীয়া চুটি ছবি কানাইৰ আজি শুভ মুক্তি দিয়া হয়। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে গেলেকী প্ৰেছ ক্লাৱত মুকলি কৰা হয় ছবিখন। এই উদ্দেশ্যৰে গেলেকী প্ৰেছ ক্লাৱত অনুষ্ঠিত হয় এক মুকলি অনুষ্ঠানৰ। অনুষ্ঠানটিৰ আঁত ধৰে গেলেকী প্ৰেছ ক্লাৱৰ সভাপতি ৰাহিদ আলীয়ে। এই অনুষ্ঠানতে অসমীয়া চুটি ছবিখন আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ছবিখন মুকলি কৰে গেলেকী ৰত্ন সন্মানেৰে সন্মানিত প্ৰাক্তন গেলেকী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ সুৰেশ চেতিয়াই। কানাই ছবিত অভিনয় কৰিছে ভাড়াঘৰ নামৰ জনপ্ৰিয় অসমীয়া ধাৰাবাহিকত অভিনয় কৰা অভিনেতা দেৱাশিষ বৰঠাকুৰ ওৰফে মুন, স্থানীয় শিল্পী, নৰজ্যোতি গগৈ, সমীৰণ দত্ত আৰু ভালেকেইজন স্থানীয় যুৱক যুৱতীয়ে। জানিব পৰা মতে ছবিখনৰ বেছিভাগ দৃশ্যগ্ৰহণ গেলেকী বিভিন্ন অঞ্চলৰ পৰা লোৱা হৈছে। এখন সম্পূৰ্ণ সামাজিক আৰু দুখ-সুখেৰে ভৰা ছবি কানাই উপভোগ কৰি দৰ্শকে আমোদ পাব বুলি আশা কৰিছে ছবি নিৰ্মাতা সকলে। ছবিখন নৰজ্যোতি গগৈ ফেচবুক পেজৰ লগতে ইউটিউব চেনেল NS777 Production ত উপলব্ধ হব বুলি জানিব দিছে ছবিখন নিৰ্মাতাই।

## ADRE চতুৰ্থ বিভাগৰ পৰীক্ষাত উত্তীৰ্ণ লোণপূৰীয়া গাঁৱৰ এজন দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ

**অসম বাৰ্তা, গেলেকী, ১৬ অক্টোবৰ** ঃ ADRE চতুৰ্থ বিভাগৰ পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফলৰ পিছতেই হাঁহি বিৰিঙিছে মিছাজান লোণপূৰীয়া গাঁৱৰ এজন দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰৰ মুখত। অতি কষ্টৰে নিজেই পৰিশ্ৰম কৰি পৰিয়াল পোহপাল দিয়াৰ লগতে পৰীক্ষাত অৱতীৰ্ণ হৈছিল ছাত্ৰজন। ছাত্ৰজন হৈছে শিৱসাগৰ জিলাৰ মিছাজান লোণপূৰীয়া গাঁৱৰ পিতৃ চামছুদ্দিন আহমেদ আৰু মাতৃ ৰেকিবা বেগমৰ জেষ্ঠ পুত্ৰ মুক্তাৰুদ্দিন আহমেদ। ADRE চতুৰ্থ বিভাগৰ বাবে অনুষ্ঠিত হোৱা যোৱা বছৰৰ পৰীক্ষাত অৱতীৰ্ণ হৈ সুখ্যাতীৰে উত্তীৰ্ণ হৈছে ছাত্ৰজন। ছাত্ৰজনে নিজেই পৰিশ্ৰম কৰি পৰিয়াল পোহ পাল দিয়াৰ লগতে চলাই গৈছিল নিজৰ শৈক্ষিক যাত্ৰা। এই যাত্ৰাৰ মাজতেই আজি দিনত আহিল সু-খবৰটো পৰিয়ালটোলৈ। মুক্তাৰুদ্দিন আহমেদ উত্তীৰ্ণ হৈছে ADRE চতুৰ্থ বিভাগৰ পৰীক্ষাত। কথাষাৰ শুনিয়েই দৰিদ্ৰ পৰিয়ালটোৰ মুৰব্বীৰ চকুত আনন্দৰ চকুলো। পৰিয়ালটোৱে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমান্ত বিশ্ব শৰ্মাক ধন্যবাদ জনোৱাৰ লগতে ছাত্ৰ জনক আশীৰ্বাদ কৰা স্থানীয় সকলো ৰাইজকে ধন্যবাদ জ্ঞাপন কৰিছে। ছাত্ৰজনৰ এই সফলতাৰ বাবে সমগ্ৰ অঞ্চটোত আনন্দৰ জোৱাৰ উঠিছে।

### প্ৰায় তিনি সহস্ৰাধিক শিশু, কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন

# নাহৰকটীয়াত মেগা স্বাস্থ্য শিবিৰ "শুশ্ৰূষা সেতু"

**অসম বাৰ্তা, নাহৰকটীয়া, ১৬ অক্টোবৰ** ঃ আজি নাহৰকটীয়া বিধানসভা সমষ্টি ভিত্তিক ৰাজ্য চৰকাৰে আয়োজন কৰা "শুশ্ৰূষা সেতু" শীৰ্ষক মেগা স্বাস্থ্য শিবিৰ নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। এই স্বাস্থ্য শিবিৰটো শুভাৰম্ভ কৰে নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰঙ্গ গগৈয়ে। সমষ্টিটো ৰ ২৩৮ খনৰো অধিক বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী এই বিনামূলীয়া স্বাস্থ্য শিবিৰটোত নিজৰ স্বাস্থ্য পৰীক্ষা কৰে। ৩০০টা অংগনবাদীৰপৰা অহা ১৮ বছৰৰ তলৰ প্ৰায় তিনি সহস্ৰাধিক শিশু আৰু কিশোৰ - কিশোৰীক বিস্তৃত স্বাস্থ্যসেৱা প্ৰদান কৰণৰ লগতে ৫০টা জটিল ৰোগ/অৱস্থা চিনাক্ত কৰণ, ৰোগ/অৱস্থা অনুযায়ী ৰেফাৰেলৰ লগতে পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া পুনৰীক্ষণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াত ৫০ বছৰৰ উৰ্দ্ধৰ পূৰ্ব চিনাক্তকৃত যেনে জন্মগত হৃদৰোগ, স্নায়ুজনিত বিকাৰ, ওঁঠ আৰু তালু ফটা, স্বাস্থ, ৰক্ত বিকাৰ যকৃত, বৃক্ক, বংশগত ৰোগ, হাওঁফাওঁ ইত্যাদি ৰোগৰ নিৰ্ণায়ক পৰীক্ষা আৰু চিকিৎসাৰ প্ৰট'কল অনুসৰি ৰোগীৰ চিকিৎসা কৰাৰ ব্যৱস্থা কৰা হৈছে। আজি এই স্বাস্থ্য শিবিৰত ১৫টা অ'পিডি য'ত শিশু চিকিৎসক, হৃদৰোগ বিশেষজ্ঞ, চকুৰ চিকিৎসক, অৰ্থপেডি' বা হাড়ৰ বিশেষজ্ঞ, চৰ্মৰোগ বিশেষজ্ঞ, ই এন টি বিশেষজ্ঞ, জেনেৰেল চাৰ্জন, স্নায়ুচাৰ্জন, স্ত্ৰী আৰু প্ৰসূতি বিশেষজ্ঞ, ৩জন সাধাৰণ, ১জন ডেণ্টাল, আৰু ১জন আয়ুস চিকিৎসকে স্বাস্থ্য সেৱা আগবঢ়ায়। ইয়াৰ উপৰিও আজিৰ এই মেগা স্বাস্থ্য শিবিৰত ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱা, নাহৰকটীয়া সমজিলা আয়ুক্ত বিৰাজ বৰুৱা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তৃষ্ণা বৰা প্ৰমুখ্যে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়া, স্বাস্থ্য বিভাগৰ জিলা আৰু ব্লক পৰ্যায়ৰ বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

# বৰবৰুৱাৰ লেপেটকটা কছাৰী গাঁৱত ৰাজহুৱা প্ৰেক্ষাগৃহত অগপ দলৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ অক্টোবৰ** ঃ ডিব্ৰুগড় জিলাৰ নৱগঠিত খোৱাং সমষ্টিৰ অন্তৰ্গত বৰবৰুৱা উন্নয়ন খণ্ডৰ এলেকাধীন লেপেটকটা কছাৰী গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অসম গণ পৰিষদ দলৰ ৪১সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। অনুষ্ঠানত দলীয় পতাকা উত্তোলন, শ্বহীদ তৰ্পণৰ উপৰিও অসমীয়াৰ হিয়াৰ আমঠু বিশ্ববৰেণ্য শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰা হয়। সমাজ সংগঠক, তথা অসম গণ পৰিষদ খোৱাং সমষ্টি সমিতিৰ সভাপতি পুণ্যনাথ পাংগিঙৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত অসম গণ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক তথা জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰে অসম আন্দোলনৰ ফলশ্ৰুতিত জন্ম লাভ কৰা অসম গণ পৰিষদ দলটোৱে অসমত আঞ্চলিকতা- বাদৰ ধ্বজা বহন কৰিবলৈ সক্ষম হৈছেবুলি উল্লেখ কৰি বিগত চল্লিশটা বছৰে অসম গণ পৰিষদে অসমৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, বৌদ্ধিক উত্তৰণৰ ক্ষেত্ৰত অসমৰ সমাজ জীৱনত অসমৰ আঞ্চলিক ৰাজনৈতিক দল হিচাপে সমগ্ৰ দেশৰ ভিতৰতে উৎকৰ্ষ সাধন কৰি আহিছে, দুটাকৈ অসমৰ শাসনাধীষ্ঠৈহে অধিষ্ঠিত হৈছে আৰু সময়ৰ গতিত বহু উত্থান-পতনৰ মাজেৰে বৰ্তমান পৰ্যন্ত অসম গণ পৰিষদ দলটোৱে আঞ্চলিকতাবাদক জাতীয় চিন্তা চেতনাৰে সমাদৃত কৰিছে বুলি প্ৰকাশ কৰি অসম গণ পৰিষদ দলটোৰ সাংগঠনিক ভেটি সবল কৰি তৃণমূল পৰ্যায়ৰ পৰা দলীয় কাৰ্যপন্থা গতিশীল কৰিবলৈ গুৰুত্ব আৰোপ কৰে। সভাত অসম গণ পৰিষদ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদিকা মৌচুমী কোঁৱৰে অসম গণ পৰিষদে সদায় অসমৰ সৰ্বাঙ্গীণ উন্নয়ন তথা বিকাশৰ ক্ষেত্ৰত আঞ্চলিক দল হিচাপে অসমৰ সুৰক্ষিত ভৱিষ্যতৰ বাবে সততাৰে কাৰ্যপন্থা গ্ৰহণ কৰি আহিছেবুলি প্ৰকাশ কৰি ভৱিষ্যতৰ দিনত অসমৰ জনসাধাৰণৰ আস্থা বিশ্বাসেৰে আগুৱাই যাব। সভাত অসম গণ পৰিষদৰ জ্যেষ্ঠ নেত্ৰী চাহেৰা লস্কৰ, খোৱাং সমষ্টিৰ নাহৰণি জিলা পৰিষদৰ সদস্যা জোনমণি গগৈ চেতিয়া প্ৰমুখ্যে খোৱাং সমষ্টিৰ অ.গ.প কৰ্মকৰ্তা সকলে অংশগ্ৰহণ কৰে। বৰ্তমান অসমৰ বি জে পি মিত্ৰজোঁট চৰকাৰৰ অন্যতম অংশীদাৰী দল হিচাপে অসম গণ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক সুনীল ৰাজকোঁৱৰক আগন্তুক ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনত অসম গণ পৰিষদৰ খোৱাং সমষ্টিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ সম্ভাৱনা আছে। অসম গণ পৰিষদৰ দলৰ ৪১সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে আগন্তুক নিৰ্বাচনত অসম গণ পৰিষদ দলটোক সাংগঠনিক শক্তি শক্তিশালী কৰা, তৃণমূল পৰ্যায়ৰ পৰা জনসাধাৰণৰ সৈতে সমন্বয় সাধন কৰাৰ ওপৰতো আলোচনা কৰে বুলি জানিবলৈ দিয়ে।

# জুবিন গাৰ্গৰ ন্যায় বিচাৰি জাগীৰোডত জোঁৰ সমদল

**অসম বাৰ্তা, ধৰমতুল, ১৬ অক্টোবৰ** ঃ অসমৰ প্ৰতিজন মানুহৰ প্ৰাণত সোমাই থকা বিশ্ব শিল্পী জুবিন গাৰ্গৰ অবৰ্তমানত আমি সকলো মৰ্মাহত তথা ৰাইজৰ সকলো লোকৰে মন-মগজ অশান্ত। সেইহেতু আজি সন্ধিয়া ৬: ৩০ বজাৰ পৰা সদৌ জাগীৰোডবাসী ৰাইজ একগোট হৈ মৰমৰ হিয়াৰ আঁমঠু, অসমৰ সম্পদ জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি কেইবা শতাধিক লোকে হাতে হাতে জোঁৰ লৈ সমদল বাহিৰ কৰে। জুবিনপ্ৰেমী সকলো জাগীৰোডৰ ৰাইজে "জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় লাগে" বুলি জাগীৰোডৰ আকাশ-বতাহ কঁপাই তোলে। উক্ত জোঁৰ সমদল অনুষ্ঠানটি কোনো অপ্ৰীতিকৰ সৃষ্টি নোহোৱাকৈ শান্তি পূৰ্ণভাৱে জোঁৰ সমদল প্ৰতিবাদটি শেষ হয় আৰু একেলগে ন্যায়ৰ দাবী জনোৱা লগতে দোষীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ বাবে দাবী জনায়।

# কচুৱাৰ গৰুবন্ধাত বনৰীয়া হাতীৰ কৰুণ মৃত্যু



**অসম বাৰ্তা, কচুৱা, ১৬ অক্টোবৰ** ঃ নগাঁও জিলাৰ কামপুৰ বনাঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কচুৱাৰ ১ নং গৰুবান্ধা গাঁৱৰ পথাৰৰ মাজত পানীত পৰি আজি এটা প্ৰকাণ্ড বনৰীয়া হাতীৰ কৰুণ মৃত্যু হয়। জানিব পৰা মতে আজি প্ৰায় ছমাহ ধৰি অসুস্থ বনৰীয়া হাতীটোৱে জীৱন মৃত্যুৰে যুঁজি আছিল। বন্যহস্তীটোৰ পিছ ভৰিত আঘাতৰ চিন আছিল। উপযুক্ত চিকিৎসা আৰু খাদ্যৰ অভাৱত বনৰীয়া হাতীটোৰ কৰুণ মৃত্যু হোৱাৰ অভিযোগ কৰে স্থানীয় ৰাইজে। বনৰীয়া হাতীটোৰ মৃত্যুৰ খবৰ পোৱাৰ পিছত ঘটনাস্থলীত কামপুৰ বন বিভাগ আৰু চিকিৎসকৰ দল উপস্থিত হয়।

চৰকাৰৰ হঠকাৰী সিদ্ধান্তত জাঙুৰ খাই উঠিছে তিনিচুকীয়া মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী

# অদ্ভুত কাণ্ড, শিক্ষকক দিলে 'আৱাস প্লাছ ছাৰ্ভেয়ৰ'ৰ দায়িত্ব

**অসম বাৰ্তা, পেঙেৰী, ১৬ অক্টোবৰ** ঃ বিদ্যালয়ৰ শ্ৰেণী আৰু পৰীক্ষাকো নেওচি কেৱল হিতাধিকাৰীৰ আঁচনি ৰূপায়ণৰ বাবে জিঅ' টেক কৰিবলৈ বাধ্য কৰিছে অসমৰ হাজাৰ হাজাৰ শিক্ষকক। সমগ্ৰ অসমৰ লগতে তিনিচুকীয়া জিলাতো বিদ্যালয়ৰ শিক্ষকসকলক পঞ্চায়তীৰাজৰ কামত লগাইছে প্ৰশাসনে। উল্লেখ্য যে, তিনিচুকীয়া জিলাৰ ডিগবৈ, ডুমডুমা, ইটাখুলি, মাকুম, মাৰ্ঘেৰিটা, শদিয়া আৰু ছৈখোৱা উন্নয়ন খণ্ডৰ অধীনৰ সৰ্বমুঠ ৫৮৫ গৰাকী শিক্ষকক এই কামত নিয়োজিত কৰিছে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ পত্ৰ অনুসৰি তিনিচুকীয়াৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়াই শিক্ষকৰ তালিকা প্ৰস্তুত কৰি নিৰ্দেশ দিয়ে সংশ্লিষ্ট শিক্ষকসকললৈ। কিন্তু আশ্চৰ্যজনক কথা যে তালিকা প্ৰস্তুত কৰাৰ সময়ত শিক্ষকজন এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ নেকি কিম্বা একেখন বিদ্যালয়ৰ দুই-তিনিজন জনকৈ শিক্ষকক দায়িত্ব দিয়া হৈছে নেকি আদি বিষয়সমূহ লক্ষ্য কৰা হোৱা নাই। এই সন্দৰ্ভত তিনিচুকীয়া মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনে প্ৰকাশ কৰা এক বিবৃত্তিত কোৱা হৈছে যে শ্ৰেণীকোঠাৰ পাঠদানৰ পৰা আঁতৰাই বিগত সময়বোৰতো বিভিন্ন অনা-শৈক্ষিক কামত শিক্ষকসকলক নিয়োগ কৰি আহিছে। এই ক্ষেত্ৰত অমৃত বৃক্ষ আন্দোলনৰ লগতে ৭০ জোপাকৈ গছপুলি ৰোপণ, এন আই এল পি জৰীপ, বি এল অ'ৰ দায়িত্ব, অ' ভি ই পি প্ৰশিক্ষণ, ভাষা কেম্প ইত্যাদি কৰি বিভিন্ন অনাশৈক্ষিক কামত শিক্ষকসকলক নিয়োজিত কৰাৰ পাছত শেহতীয়াকৈ যোৱা ১৩ অক্টোবৰ, ২০২৫ তাৰিখে তিনিচুকীয়াৰ জিলা শিক্ষা বিষয়া কাৰ্যালয়ৰ ফালৰপৰা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ জৰীপৰ নিৰ্দেশনাই শিক্ষকসকলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। গ্ৰামোন্নয়নৰ দৰে এটা বিয়াগোম বিভাগ থকাৰ পাছতো শিক্ষকসকলক শ্ৰেণীকোঠাৰ পৰা আঁতৰাই আনি জৰীপৰ কামত নিয়োগ কৰাক লৈ জিলাখনৰ শিক্ষকসকলে বিযোদ্গাৰ প্ৰকাশ কৰিছে। অতিৰিক্ত কৰ্মৰ বোজাই শিক্ষকসকলক অকল মানসিক হাৰাশাস্তি কৰাই নহয়, ই ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ প্ৰতি অশনি সংকেত কঢ়িয়াই আনিছে। তিনিচুকীয়া জিলাৰ প্ৰায়বোৰ প্ৰাথমিক বিদ্যালয়ত এজনীয়া অথবা দুজনীয়া শিক্ষকৰ দ্বাৰা পৰিচালিত হৈ আহিছে। দেখা গৈছে যে এজনীয়া শিক্ষক থকা বিদ্যালয়ৰ পৰাও জৰীপৰ কামত নিয়োগ কৰা হৈছে শিক্ষকক। প্ৰশ্ন হৈছে যে কণ-কণ ছাত্ৰ-ছাত্ৰীসকলক অন্ধকাৰত ৰাখি হিতাধিকাৰী নিৰ্বাচন তথা জৰীপৰ দৰে কামত শিক্ষকক নিয়োগ কৰাটো কিমানদূৰ যুক্তিসংগত। এইবোৰ অনা-শৈক্ষিক কামত শিক্ষকসকলক ব্যস্ত কৰি ৰাখিলে কেনেকৈ এটা সুন্দৰ শৈক্ষিক বাতাবৰণ সৃষ্টি তথা গুণগত শিক্ষা দিয়াটো সম্ভৱ? এই সকলোবোৰ দেখা শুনাৰ পাছত কোন সচেতন অভিভাৱকে নিজৰ সন্তানক চৰকাৰী বিদ্যালয়ত নিজৰ সন্তানক ভৱিষ্যত গঢ়াৰ সপোন দেখিব? ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মান উন্নত নহ'লে আকৌ পোনপটীয়াকৈ শিক্ষকসকলহে জগৰীয়া কৰা হয়। যদি এনেদৰে বিদ্যালয়সমূহ চলিবলৈ হয় ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহ শেষ হ'বলৈ আৰু বেছিদিন নালাগিব। গতিকে শিক্ষকসকলক শ্ৰেণীকোঠাৰ পৰা আঁতৰাই অনা-শৈক্ষিক কামত ব্যস্ত নাৰাখি শ্ৰেণীকোঠাত এটা সুস্থিৰ পৰিৱেশত পাঠদান কৰিব পৰা বাতাবৰণ প্ৰদান কৰিবলৈ তিনিচুকীয়া জিলাৰ শিক্ষকসকলৰ লগতে তিনিচুকীয়া মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীয়ে বিভাগ তথা চৰকাৰলৈ আবেদন জনাইছে।

গুৰু সংস্কৃতিৰ চৰ্চাত নতুন প্ৰজন্মৰ উন্মেষ

# ভগামুখত শংকৰদেৱৰ কলা একাডেমিৰ শৈক্ষিক পৰিৱেশন "এজাক জোনাকীৰ জিলমিল" উদ্‌যাপন

**অসম বাৰ্তা, আমগুৰি, ১৬ অক্টোবৰ** ঃ যোৰহাট জিলাৰ ভগামুখ তামুলী গাঁওস্থিত পৰিৱেশ্য কলাৰ চৰ্চা আৰু অধ্যয়নৰ অগ্ৰণী প্ৰতিষ্ঠান শংকৰদেৱ কলা একাডেমিয়ে যোৱা ১১ অক্টোবৰ, শনিবাৰে ভগামুখ ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজন কৰে বাৰ্ষিক শৈক্ষিক পৰিৱেশন "এজাক জোনাকীৰ জিলমিল" শীৰ্ষক এক মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানৰ আৰম্ভণিতে একাডেমিৰ খোলবাদনৰ প্ৰশিক্ষাৰ্থীসকলে খোলৰ তালত গায়ন-বায়ন পৰিৱেশন কৰে। তাৰ পিছত সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষাৰ্থীসকলে কৃষ্ণ নৃত্য, ঝুমুৰা, চালি নৃত্য আৰু ভোৰতাল নৃত্যৰে দৰ্শকক আপ্লুত কৰে। একাডেমিৰ সমূহ প্ৰশিক্ষাৰ্থীৰ অংশগ্ৰহণেৰে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ "মুক্তি" গল্পৰ আধাৰত পাৰ্থ প্ৰতিম শৰ্মাৰ সামগ্ৰিক পৰিকল্পনা আৰু পৰিচালনাৰে এখনি নাটক মঞ্চস্থ কৰা হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে চেঁচা সত্ৰ মৰিজাঁজীৰ ডেকা সত্ৰীয়া দীপক গোস্বামীয়ে। তাৰ পিছতে মৰিয়নী সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। চাৰিং মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতিয়ে উদ্বোধন কৰা এই অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে সত্ৰীয়া সংস্কৃতিৰ গৱেষক আৰু মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ দিলীপ ভূঞাই তেওঁৰ ভাষণত আধুনিক শিক্ষা ব্যৱস্থাত গুৰু সংস্কৃতিৰ গুৰুত্ব আৰু মানৱ জীৱনত ইয়াৰ প্ৰয়োজনীয়তা বিষয়ে মন্তব্য আগবঢ়ায়। সংগীত শিল্পী কমলা গগৈ, মনোজ বৰা, আৰু আৰাধনা দাসে শিল্পী জুবিন গাৰ্গৰ গীতৰ সৈতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰিও গগৈ আৰু বৰাই শিল্পীজনৰ সৈতে কটোৱা মধুৰ মুহূৰ্তবোৰ স্মৰণ কৰে। স্থানীয় ৰাইজে এই উদ্যোগক ভগামুখৰ সামাজিক-সাংস্কৃতিক জীৱনত এক ইতিবাচক পদক্ষেপ হিচাপে মূল্যায়ন কৰি ভূয়সী প্ৰশংসা কৰে। শিশু সকলৰ পৰিৱেশিত প্ৰতিটো কাৰ্যসূচীয়ে দৰ্শকসকলক মুগ্ধ কৰি তোলে। একাডেমিত বৰ্তমানে সত্ৰীয়া নৃত্য, খোলবাদন, অভিনয় আৰু চিত্ৰকলাৰ প্ৰশিক্ষণ চলি আছে। খোলবাদনৰ প্ৰশিক্ষণ দিয়ে সত্ৰীয়া সংগীতৰ স্নাতক যতীন্দ্ৰ মহন্ত, সত্ৰীয়া নৃত্যত ৰিংকুমণি মহন্ত, আৰু নাট্যকলাত পাৰ্থ প্ৰতিম শৰ্মা। উল্লেখযোগ্য যে একাডেমিখন সত্ৰীয়া একাডেমীৰ স্বীকৃতি লাভ কৰিছে। সভাপতি বাসৱ ৰাজ বৰুৱায়ে অৱগত কৰে যে অহা ২৬ বৰ্ষৰ পৰা একাডেমিত ঢোলবাদন আৰু বিহু নাচৰ বিষয়ো অন্তৰ্ভুক্ত কৰা হ'ব। অনুষ্ঠানত বামুণপুখুৰীৰ জিলা পৰিষদ সদস্য সীমান্ত বৰুৱা, শিক্ষক গজেন ফুকন, আৰু ২নং ভগামুখ গাঁও পঞ্চায়তৰ সভাপতি ৰবিজিৎ হাজৰিকা সহ বহু গৰাকী শিক্ষা আৰু সংস্কৃতি অনুৰাগী উপস্থিত থাকে।

# পাঠশালাত আছুৰ অৱস্থান বিক্ষোভ কাৰ্যসূচী




**অসম বাৰ্তা, বজালী, ১৬ অক্টোবৰ** ঃ সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায় প্ৰদানৰ দাবীত আজি পাঠশালাত আছুৱে অৱস্থান বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ বজালী ছাত্ৰ সন্থাৰ উদ্যোগত পাঠশালাৰ হৰিমন্দিৰৰ সন্মুখত ৰূপায়ণ কৰা কাৰ্যসূচীত প্ৰাণৰ শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্তৰ লগতে ঘটনাৰ লগত জড়িত কোনেও যাতে আইনৰ সুৰুঙা আৰু ক্ষমতাৰ বলেৰে সাৰি যাব নোৱাৰে তাৰ বাবে প্ৰতিবাদীকাৰীসকলে বিক্ষোভ কাৰ্যসূচীৰ পৰাই চৰকাৰলৈ সকীয়ণি প্ৰদান কৰে। দুই ঘণ্টীয়াকৈ ৰূপায়ণ কৰা অৱস্থান বিক্ষোভ কাৰ্যসূচীত প্ৰতিবাদী সকলে হাতে হাতে প্লেকাৰ্ড লৈ Justice for Zubeen Garg, অসম চৰকাৰ হায় হায়, জুবিন গাৰ্গক ন্যায় দিয়ক আদি বিভিন্ন শ্লোগানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কাৰ্যসূচীত আছু নেতা হিমাংশু শৰ্মা, সীমান্ত পাটগিৰী, অংকুৰ পাটগিৰীকে ধৰি বজালী ছাত্ৰ সন্থাৰ বিষয়ববীয়া, কেবাখনো আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

ব'লবম এফ চি-ৰাণা ক্লাৱৰ গুৰুত্বপূৰ্ণ জয়

# শিশুৰাম হাজৰিকা-ডাঃ সতীশ দাস সোঁৱৰণী মৰিগাঁও 'এ' ডিভিজন ফুটবল

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৬ অক্টোবৰ** ঃ মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ফুটবল উপশমিতিৰ তত্বাৱধানত বিপুল সংখ্যক ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতিত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা শিশুৰাম হাজৰিকা আৰু ডাঃ সতীশ দাস সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত ব'লবল ফুটবল ক্লাবে সুন্দৰ খেল প্ৰদৰ্শন কৰি দলবাৰী যুৱকল্যাণ সংঘক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। বিয়লিৰ ভাগত অনুষ্ঠিত হোৱা দ্বিতীয়খন খেলত মৰিগাঁও ৰাণা ক্লাবে সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি ৪-১ গ'লৰ ব্যৱধানত গড়মাৰী ৰাইনুজ ক্লাৱক পৰাভূত কৰি গুৰুত্বপূৰ্ণ পইণ্ট সংগ্ৰহ কৰে। অসমৰ প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী তথা প্ৰতিযোগিতাৰ মেচ কমিছনাৰ নাছিৰ উদ্দিন আহমেদৰ পৰ্য্যবেক্ষণত আজিৰ খেলখন অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ৰেফাৰী ক্ৰমে মানস সেনগুপ্তা, জিতুল পাতৰ, ধনঞ্জয় পাতৰ আৰু ধনীৰাম বৰদলৈয়ে পৰিচালনা কৰে।

# ডিব্ৰুগড় সাহিত্য সভাৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনত উদ্‌যাপন বেজবৰুৱাৰ ১৬২ সংখ্যক জন্ম জয়ন্তী



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ অক্টোবৰ** ঃ অসমীয়া সাহিত্যৰ পথ প্ৰদৰ্শক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ১৬২ সংখ্যক জয়ন্তী ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাত অনুষ্ঠিত কৰা হয়। প্ৰজ্ঞাৰ সাধনাৰে মাতৃভাষা আৰু সমাজ জীৱনক গৌৰৱান্বিত কৰা আধুনিক অসমীয়া ভাষা-সাহিত্যৰ মাৰ্গ দৰ্শনকাৰী সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তী উপলক্ষে ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱাই আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি তথা শিক্ষক সাংবাদিক যাদৱ গগৈয়ে। ভাষা-সাহিত্যৰ কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱাই অসমৰ জাতীয় সংগীত 'অ' মোৰ আপোনাৰ দেশ' ৰচনাৰ জৰিয়তে অসমীয়া জাতীয় জীৱনলৈ আগবঢ়োৱা অমূল্য অৱদান পৃথিৱী থকা লৈকে জিলিকি থাকিব। সাহিত্য জগতত তেওঁৰ অৱদান তথা সৃষ্টিৰাজিৰে আজিও অসমীয়া সমাজক চহকী কৰি ৰাখিছে। গল্প, উপন্যাস, প্ৰবন্ধ, শিশু সাহিত্য, কবিতা, নাটক আদিৰে অসমীয়া সাহিত্যলৈ বেজবৰুৱাৰ অৱদান অমূল্য বুলি কৈ জন্ম দিনটোত পুনৰবাৰ স্মৰণ কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে, ব্ৰিটিচৰ শাসনৰ সময়ত অসমীয়া মানুহৰ মনোবল আৰু স্ব-জ্ঞান ঘূৰাই আনি অসমীয়া জাতিৰ পুনৰ নিৰ্মাণৰ প্ৰক্ৰিয়াত অধিনায়কৰ ভূমিকা গ্ৰহণ কৰা আধুনিক অসমীয়া সাহিত্যৰ এজন পথ-প্ৰদৰ্শক আছিল লক্ষ্মীনাথ বেজবৰুৱা। মাতৃভাষা প্ৰীতি, ভাষাৰ প্ৰতি কৰ্তব্যবোধ তথা সমাজ সচেতনতাৰ বাবে কৃপাবৰ বৰুৱা ছদ্মনামত বেজবৰুৱাই "কৃপাবৰী ৰচনা" সাহিত্য সৃষ্টি কৰি এজন সমাজ-সংস্কাৰক হিচাপে নিজৰ চিনাকি দিছিল বুলি কৈ তেখেতৰ কালজয়ী সৃষ্টিৰাজি অসমীয়া জাতিৰ শিৰাই শিৰাই সদায় থাকিব বুলি কয়। ডিব্ৰুগড় সাহিত্য সভাৰ পত্ৰিকা সম্পাদক অৰ্পনা ফুকন দাস, আকাশ উপ-সমিতিৰ সহকাৰী আহ্বায়িকা যানী সোণোৱাল, প্ৰচাৰ সম্পাদক হিৰণ্য কৌশিক বৰা, কাৰ্যনিৰ্বাহক জ্যোতিষ পাতিৰকে প্ৰমুখ্যে কৰি অন্যান্য সকল উপস্থিত থাকে। উল্লেখযোগ্য যে ১৮৯৩ চনতে স্থাপিত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা ভৱনটো ইতিমধ্যে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ভৱন নামেৰে নামকৰণ তথা পৰিচিত। জন্ম জয়ন্তী উপলক্ষে ভৱনৰ চৌদিশে সন্ধিয়া বন্তি প্ৰজ্বলন কৰি উজ্জ্বলাই তোলা হয়।

# মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ত সোণালী জয়ন্তীৰ উপলক্ষে ৰাজহুৱা সভা

**অসম বাৰ্তা, মেৰাপানী, ১৬ অক্টোবৰ** ঃ অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ অন্তৰ্গত মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ত অহা ১৩, ১৪ নৱেম্বৰত অনুষ্ঠিত হ'ব লগা সোণালী জয়ন্তী অনুষ্ঠানৰ সম্পৰ্কত বিদ্যালয়ৰ প্ৰাংগনত ডাঃ বিদুৰ কুমাৰ বৰুৱাৰ সভাপতিত্বত এখনি ৰাজহুৱা অনুষ্ঠিত হয় হয়। মেৰাপানী টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নগেন বৰাই আঁত ধৰা সভাখনত মূলতঃ আগন্তুক সোণালী জয়ন্তী অনুষ্ঠানৰ কাম কাজৰ খতিয়ান তথা, কেনেদৰে অনুষ্ঠানৰ কাম আগবাঢ়িছে অনুষ্ঠানৰ অনুষ্ঠান বাবে পুজি সংগ্ৰহ কেনেদৰে কৰিব ইত্যাদি ওপৰত আজি সভাত আলোচনা কৰা হয়, আজি সভাতে সোণালী জয়ন্তী অনুষ্ঠানৰ অতিথি আপ্যায়ন তথা অনুষ্ঠটীৰ বাবে বিভিন্ন কাম কাজ পৰিচালনা কৰিবৰ বাবে শিক্ষক সকল আৰু অভিভাৱকসকলক লৈ উপ-সমিতিসমূহ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত মেৰাপানী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক কেশৱ চন্দ্ৰ ফুকন, গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস সহকাৰী সম্পাদক প্ৰবীন গগৈ, বিশিষ্ট সমাজ কৰ্মী দেৱজিৎ বৰা, আলোক সন্ধানী শাখা সাহিত্য সভাৰ সভাপতি মদন গগৈ, দৈয়াং ছিনিয়ৰ ছেকেণ্ডাৰীৰ অধ্যক্ষা কৰবী বৰা, মেৰাপানীৰ বিশিষ্ট ব্যৱসায়ী ৰাজীৱ বৰা, মনজীৱ কাকতি, মেৰাপানী টাউন ক্লাবৰ সম্পাদক নিতু মেছ, শিক্ষক বাবুল শইকীয়াকে আদি কৰি দৈয়াংৰ বহু গণ্য মান্য লোক।

অতিথি আপ্ৰায়নৰ বাবে বিনামূলীয়া অন্ন প্ৰসাদৰ ব্যৱস্থা; নতুন উদ্‌যাপন সমিতি গঠন

# মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰত তিনিদিনীয়াকৈ উদ্‌যাপন হ'ব ৰাসমহোৎসৱ

## ভূপেন হাজৰিকাৰ আৰু জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ অক্টোবৰ** ঃ ঐতিহ্য মণ্ডিত মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰই প্ৰতিষ্ঠা কালৰে পৰাই শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা মহোৎসৱ ভাগি ঐতিহ্য পৰম্পৰা ৰক্ষাৰে আৰম্বাৰপূৰ্ণ আৰু বিস্তৃত কাৰ্যসূচীৰে এই বছৰো ৪, ৫ আৰু ৬ নৱেম্বৰ তাৰিখে উদযাপন কৰিব। সেই উপলক্ষে আজি উত্তৰ কমলাবাৰী সত্ৰৰ সাংস্কৃতিক ভৱনত অনুষ্ঠিত হয় এখন ৰাজহুৱা সভা। সভাখনিৰ সভাপতিত্ব কৰে সত্ৰাধিকাৰ জানাৰ্দন গোস্বামীয়ে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক তীৰ্থ বৰবায়নে। সভাত সম্পাদক ভূঞাই গত বৰ্ষৰ সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ কৰাৰ লগতে গত বৰ্ষৰ আয় ব্যয়ৰ খতিয়ান দাঙি ধৰে। সভাই উক্ত কাৰ্যবিৱৰণী আৰু খতিয়ান শুনানিৰ পিছত সৰ্ব সন্মত ভাবে উক্ত প্ৰতিবেদন হাত চাপৰি বজাই গৃহীত কৰে। কাৰ্যসূচীৰ অনুসৰি নতুন সমিতিৰ পদত্যাগৰ পূৰ্বে সভাপতি বাচাৰাম বৰুৱাই তেখেতৰ কাৰ্যকালত ৰাস মহোৎসৱ ভাগি বিগত বৰ্ষত বিস্তৃত ৰূপত উদ্‌যাপন কৰাৰ ক্ষেত্ৰত সকলো ক্ষেত্ৰত সকলোৱে যিদৰে সহযোগিতা আগবঢ়ালে তাৰ বাবে তেখেতে সত্ৰাধিকাৰ প্ৰমুখ্যে বৈষ্ণৱ বৃন্দ, কলা- কুশলী আৰু সদাশয় ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি উদযাপন সমিতিৰ হৈ সভাপতি পদৰ পৰা পদত্যাগ কৰে। সভাই আগন্তুক বৰ্ষৰ ৰাসলীলা উদযাপনৰ কাৰণে সৰ্বসন্মত ভাবে পুনৰ সত্ৰাধিকাৰ জনাৰ্দনদেৱ গোস্বামীক মুখ্য পৃষ্ঠপোষক হিচাপেলৈ বাচাৰাম বৰুৱাক সভাপতি আৰু তীৰ্থ ভূঞা বৰবায়নক সম্পাদক হিচাপেলৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰে। সভাই ৰাসৰ প্ৰথম দিনা পুৱা ১০ বজাত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ কৰাৰ লগতে সন্ধিয়ালৈ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ শতবৰ্ষৰ উপলক্ষে এশগছি বন্তি প্ৰজলন কৰি স্মৃতিচাৰণ অনুষ্ঠান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে বিগত বৰ্ষবোৰৰ দৰেই এইবাৰো দূৰ দূৰণিৰ পৰা অহা অতিথি অভ্যগত সকলক আপ্ৰায়নৰ বাবে বিনামূলীয়া অন্ন প্ৰসাদৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা কৰাৰ বিষয়ে সত্ৰাধিকাৰ জানাৰ্দন গোস্বামীয়ে জানিবলৈ দিছে। তদুপৰি ৰাসৰ তিনিও দিনৰ সন্ধিয়া পুৰুযোত্তম উপাধ্যায়ৰ কণ্ঠেৰে ভাগৱত কথা ব্যাখ্যা কৰা, সাম্প্ৰতিক পৰিৱেশ পৰিস্থিতিৰ ওপৰত লক্ষ্য কৰি আই মাতৃ সকলৰ দিহা নাম সমাৰোহ অনুষ্ঠিত কৰাৰ উপৰিও অসমৰ বৌদ্ধিক মহলৰ একত্ৰিত কৰি উত্তৰ কমলাবাৰী সত্ৰই ৰাস মহোৎসৱ কেনেদৰে উদযাপন কৰি আহিছে সেই বিষয় এক মননশীল আলোচনা চক্ৰৰো অনুষ্ঠিত কৰাৰ প্ৰয়াস কৰিছে উদ্‌যাপন সমিতিয়ে। সভাই সত্ৰৰ সমীপৰ অঞ্চল সমূহত যাতায়ত ব্যৱস্থা অধিক সুচল কৰাৰ কাৰণে দীৰ্ঘদিন বিধ্বস্ত হৈ থকা বিষ্ণুপুৰ গড়মূৰ সংযোগী পথ চিগা ডুবি অংশত এখন পকী দলং নিৰ্মাণৰ বাবে চৰকাৰলৈ অনুৰোধ জনায় আন এক ৰাজহুৱা প্ৰস্তাৱ গ্ৰহণ কৰে। পূৰ্বৰ দৰে শ্ৰীশ্ৰী কৃষ্ণৰ লীলাভাগি যাতে শান্তিপূৰ্ণ ভাবে উদযাপন কৰিব পৰা হয় সেই দিশত সম্পূৰ্ণ সহায় সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

# মায়াবিনী কাপ ছিজন-১ৰ ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভণি

**অসম বাৰ্তা, বাসুগাঁও, ১৬ অক্টোবৰ** ঃ চিৰাং জিলাৰ অন্তৰ্গত বিজয়গাঁও ৰাজহুৱা খেলপথাৰত আজিৰ পৰা বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত ৩০ তম বাৰ্ষিক ফুটবল খেলৰ প্ৰতিযোগিতা শুভাৰম্ভণি হয়। উল্লেখযোগ্য যে প্ৰতিবছৰৰ দৰে এই বেলিও বিজয়গাঁও খেলপথাৰত শুভাৰম্ভনি হোৱা খেলখনত কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে মুখ্য অতিথি হিচাপে উপস্থিত থাকি শুভৰাম্ভনি কৰে। বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালে প্ৰাণৰ শিল্পী গৰাকীক শ্ৰদ্ধাঞ্জলি জনাই মায়াবিনী ছিজন-১ ফুটবল খেলৰ প্ৰতিযোগিতাৰ আৰম্ভণি কৰে। আজি নকআউট পদ্ধতিৰে খেলখন পৰিচালনা কৰা হয়। খেলখন আৰম্ভণিৰ আগত শ্ৰদ্ধাৰ শিল্পী জুবিন গাৰ্গৰ ফটোত শ্ৰদ্ধাঞ্জলি জনায় ৰত্নপীঠ সঙঘ আৰু পুথিভঁৰালেৰ সভাপতি আনন্দ সৰকাৰে। উল্লেখযোগ্য যে আজিৰ প্ৰথমদিনৰ খেলখনত অংশগ্ৰহণ কৰা কাকৰাগাঁও জে কে এল চি বনাম হেকাইপাৰা ইয়ং ষ্টাৰ ক্লাৱে ১-০ গলত বিজয়ী হয়। কাইলৈৰ খেলখনত বিজয়গাঁও ৰত্নপীঠ সংঘ বনাম কাৰিগাঁও হিৰলা এফ চি আৰু মহেশটলা স্পোৰ্ট এচোচিয়েচন পশ্চিমবংগ বনাম গ্ৰীণভিউ এফ চি ৰাভাপাৰাৰ মাজত অনুষ্ঠিত হ'ব। খেলখন ৰেফাৰী হিচাপে স্বপন কুমাৰ ৰায়, দেবাশিষ সিংহ, প্ৰানজিত বৰ্মন, হৰি সূত্ৰধৰে পৰিচালনা কৰে।

# চিকিৎসা ব্যয় পৰিশোধ কৰিব নোৱাৰি বহিঃৰাজ্যৰ শ্ৰীনিধি ৰিহেবিলেশ্যন কেন্দ্ৰত আজিও আৱদ্ধ মাজুলীৰ মিলন জ্যোতি বৰা

**অসম বাৰ্তা, বনগাঁও, ১৬ অক্টোবৰ** ঃ ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াত সৰ্বস্বান্ত মাজুলী জিলাৰ বৃহত্তৰ দক্ষিণপাট অঞ্চলৰ পুৰণি সত্ৰ গাঁও নিবাসী মৃত কিৰন বৰাৰ এক মাত্ৰ পুত্ৰ মিলন জ্যোতি বৰাই আজিৰ পৰা সাত মাহৰ পূৰ্বে অঞ্চলটিৰ আন আন সকলৰ সহ কৰ্ম্মৰ সন্ধানত ৰাজ্যৰ বাহিৰৰ হায়দৰাবাদলৈ গৈছিল। তাতে তেওঁৰ গুৰুতৰভাৱে অসুস্থ হোৱাত সহযাত্ৰীৰ কোঠাৰ পৰা পলায় হায়দৰাবাদ চহৰ বিভিন্ন স্থানত অনাই বনাই ঘূৰি ফুৰিবলৈ ধৰে। কেইবা দিনে সন্ধানহীন হৈ থকাৰ অন্ততঃ তাত থকা স্থানীয় যুৱকে অশেষ কষ্টৰে বিচাৰি এক অজ্ঞাত স্থানৰ পৰা উদ্ধাৰ কৰি সক্ষম হয়। লগে লগে শ্ৰীনিধি ৰিহেবিলেশ্যন কেন্দ্ৰ; গোপালৰেডী নগৰ ভামপুগুদা, কপ্ৰা, হায়দৰাবাদ -৫০০০৬২ত ভৰ্ত্তি কৰায়। তাতে তেওঁ চিকিৎসা সেৱা গ্ৰহণ কৰি বৰ্তমান সুস্থ হয় যদি ও চিকিৎসা ব্যয় পৰিশোধ কৰিব নোৱাৰত সম্প্ৰতি মিলন জ্যোতি বৰা চিকিৎসালয়তে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। দাৰিদ্ৰ পৰিয়ালটিৰ এক মাত্ৰ পুত্ৰ মিলন জ্যোতি বৰা হ'ল পৰিয়ালটিৰ এক মাত্ৰ উপাৰ্জনকাৰী। জটিল ৰোগত আক্ৰান্ত মাতৃ আৰু এটি কণমানি কন্যা সহ পত্নীক এৰি বহিঃ ৰাজ্যত দুপইচা উপাৰ্জন কৰিবলৈ গৈ চিকিৎসালয়ত ভৰ্তি হোৱাৰ দিনৰে পৰা মাজুলীত থকা পৰিয়ালটিৰ দুখে কুলাই পাচিৰে নধৰা অৱস্থা। প্ৰয়োজনীয় চিকিৎসা ব্যয় বিচাৰি স্থানীয় বিধায়কৰ যোগেদি ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ জনোৱা আবেদনৰ প্ৰতি সঁহাৰিঁ জনায় অলপতে পঞ্চাশ হাজাৰ টকাৰ এখনি চেক পত্নীয়ে লাভ কৰে। চিকিৎসা ব্যয় পৰিমাণ এক লাখৰোধিক। নিঃসহায় পৰিয়ালটিয়ে তেনে পৰিপ্ৰেক্ষিতত ৰাজ্যৰ হৃদয়ৱান ব্যক্তি / দল-সংগঠনৰ পৰা আৰ্থিক সাহায্যৰ প্ৰাৰ্থনা জনাইছে। ইচ্ছুক সদাশয় ব্যক্তিয়ে ম'বাইল নং ৮৮২২০৮৩৪৩১ অত যোগাযোগ কৰিব পাৰে।

# মাজুলীত অসম নাট্য সন্মিলনৰ জনগোষ্ঠীয় শাখা গঠন

**অসম বাৰ্তা, মাজুলী, ১৬ অক্টোবৰ** ঃ অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ অন্তৰ্গত মাজুলী জিলা নাট্য সন্মিলনৰ উদ্যেগত আজি কমলাবাৰীৰ সমীপৱৰ্তী ধাপাক গাঁৱত এটা মিচিং জনগোষ্ঠীয় শাখা গঠন কৰা হয়। দক্ষিণ কমলাবাৰী লাখেৰাজ অঞ্চলৰ ২০ গাঁৱৰ নাট্য প্ৰেমী ৰাইজৰ সহযোগত পূৰ্বৰ পৰাই ভাওনা, ৰাসলীলা, মঞ্চ নাট আৰু মিচিং ভাষাৰ নাট সঘনে মঞ্চায়ন কৰা অঞ্চলটোত নাট্য সন্মিলনৰ সংবিধানৰ আধাৰত এটা জনগোষ্ঠীয় শাখা গঠন বাবে ৰাইজৰ সদইচ্ছাক সন্মান জনাই আজি অঞ্চলটোৰ কেই বাখনো গাওৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত ৰাজহুৱা সভাখনত সভাপতিত্ব কৰে মাজুলী জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিৎ কুমাৰ ভূঞাই। সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু নাট সন্মিলনৰ লক্ষ্য উদ্দেশ্যৰ ওপৰত বক্তব্য আগবঢ়ায় মাজুলী জিলা নাট্য সন্মিলনৰ সম্পাদক সমীৰণ গোস্বামীয়ে। সভাত আজিৰ শুভ ক্ষণত জনগোষ্ঠীয় শাখাটো গঠনৰ পোষকতা কৰি পৰৱৰ্তী সময়ত শাখাৰ পৰিসৰ বৃদ্ধি কৰা পৰামৰ্শ আগবঢ়ায়। সভাত জনতাৰ কণ্ঠ জুবিন গাৰ্গ, নাট্যকাৰ, পৰিচালক অৰূপ বৰঠাকুৰ প্ৰমুখ্যে সদ্য প্ৰয়াত ব্যক্তি সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাই শাখাটোৰ সভাপতি হিচাপে নিৰ্বাচন অঞ্চলটো বিশিষ্ট শিল্পী, পৰিচালক তথা "দামোদৰদেৱ" বঁটাৰে বিভূষিত বসন্ত মিলিক, উপ-সভাপতি হিচাপে নিৰ্বাচন কৰে ক্ৰমে বক্সিৰাম ৰেগন আৰু নীলমণি ঙাতে, সম্পাদক হিচাপে নিৰ্বাচন কৰে ৰাজেশ পায়েং আৰু কোষাধ্যক্ষ ৰূপে নিৰ্বাচিত হয় ৰমেশ মিলি। সভাত উপস্থিত সকলোকে শাখা সদস্য ৰূপে গণ্য কৰা হয়। বিভিন্ন বিষয়ত সভাত দিহা পৰামৰ্শ প্ৰদান কৰে ক্ৰমে, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নগেন সাতোলা, বসন্ত মিলি, নীলমণি ঙাতে, নিৰ্মল সাতোলা, ৰাজেশ পায়েং আদি বহু কেইজন বিশিষ্ট ব্যক্তিয়ে। সভাই শাখাটোত মহিলা শিল্পী সকলক অন্তৰ্ভুক্ত কৰা, অতি সোনকালে এখন মঞ্চ নাট মঞ্চস্থ কৰা, সমাজত প্ৰচলিত অন্ধবিশ্বাস, কু-সংস্কাৰ দূৰীকৰণ, আৰু মাজুলী জিলা নাট্য সন্মিলনৰ লগতে অসম নাট্য সন্মিলনৰ সাংগঠনিক দিশ শক্তিশালী কৰাৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে ২০২৩ চনৰ অক্টোবৰ মাহত গঠন কৰা মাজুলী জিলা নাট্য সন্মিলনৰ খনে কভিদৰ সংক্ৰমণৰ সময় ছোৱাত নিস্তেজ হৈ পৰিছিল যদিও পৰৱৰ্তী সময়ত মাজুলীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ নাট্য উৎসৱ অনুষ্ঠিত কৰাৰ উপৰিও ৰাজ্যিক পৰ্যায়ৰ কেইবাখনো নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৰ্তমান মাজুলীৰ যুৱ প্ৰজন্মই মাজুলী জিলা নাট্য সন্মিলনৰ অংশীদাৰ হৈ নাট্য চৰ্চা কৰিবলৈ আগবাঢ়ি অহা দেখা গৈছে।

# বনকৰ্মীৰ গুলীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত নিহত এজন চোৰাং চিকাৰী

**অসম বাৰ্তা, কলিয়াবৰ, ১৬ অক্টোবৰ** ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলত পুৱতি নিশা প্ৰায় ২ বাজি ৩০ মিনিটত বন বিভাগে আৰম্ভ কৰা অভিযানত ৩-৩০ বজাত চোৰাং চিকাৰী আৰু বন কৰ্মীৰ মাজত সংঘটিত হয় প্ৰচণ্ড গুলীয়াগুলীৰ ঘটনা। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলৰ অন্তৰ্গত মাইতে তাপুত সংঘটিত হৈছে এই গুলীয়াগুলীৰ ঘটনা। দুয়ো পক্ষৰ মাজত হোৱা গুলীয়াগুলীৰ ঘটনাত বনকৰ্মীৰ গুলীত নিহত হয় এটা চোৰাং চিকাৰী। বৰ্তমানলৈকে চিকাৰীটোক চিনাক্ত কৰিব পৰা নাই। নিহত চোৰাং চিকাৰীয়ে ব্যৱহাৰ কৰা এটা থ্ৰী নট থ্ৰী ৰাইফল আৰু এটা বেগৰ লগতে কেইবাটাও গুলীৰ খালী খোকা ঘটনাস্থলীৰ পৰা আৰক্ষী আৰু বন বিভাগে উদ্ধাৰ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মাজেৰে যোৱা ব্ৰহ্মপুত্ৰ নদীৰ পথৰে নাও লৈ চোৰাং চিকাৰীৰ এটি তিনি-চাৰিজনীয়া দল নিশা মাইতে তাপুত গঁড় হত্যাৰ পৰিকল্পনাৰে প্ৰবেশ কৰাৰ খবৰ লাভ কৰাৰ পাছতে বুঢ়াপাহাৰ বনাঞ্চলৰ বনাঞ্চলিক বিষয়া নিলয় বৰুৱাৰ নেতৃত্বত অঞ্চলটোত অভিযান আৰম্ভ কৰে। প্ৰায় এক সপ্তাহ পূৰ্বৰে পৰা চোৰাং চিকাৰীৰ এটা দল কাজিৰঙাত গঁড় হত্যাৰ পৰিকল্পনা কৰি প্ৰবেশ কৰাৰ চেষ্টা চলোৱাৰ খবৰ লাভ কৰিছিল কাজিৰঙা উদ্যান কৰ্তৃপক্ষই। যোৱা নিশা নাৱেৰে চোৰাং চিকাৰীৰ দল প্ৰবেশৰ খবৰ লাভ কৰিছিল বিশ্বনাথ ৰেঞ্জৰ বনৰক্ষীৰ পৰা। তাৰ পাছতেই বুঢ়াপাহাৰ বন বিভাগে অভিযান তীব্ৰতৰ কৰি মুখামুখি হয় চোৰাং চিকাৰীৰ দলৰ সৈতে। বনৰক্ষী দেখা পাই চোৰাং চিকাৰীৰ দলটোৱে বনৰক্ষীলৈ লক্ষ্য কৰি গুলী নিক্ষেপ কৰাত বনৰক্ষীয়েও গুলীৰে প্ৰত্যুত্তৰ দিয়াত এটা চোৰাং চিকাৰী ঘটনাস্থলীতে নিহত হয়। সন্দেহ কৰা অনুসৰী দলটোত থকা দুই-তিনিটা চিকাৰী আন্ধাৰৰ সুযোগ গ্ৰহণ কৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। পলায়ন কৰা চিকাৰী কেইটাক বিচাৰি বৰ্তমানেও অভিযান অব্যাহত ৰাখিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন সংমণ্ডল বিষয়া অৰুণ বিগনেছ, নগাঁও জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, কলিয়াবৰ সমজিলা আৰক্ষী অধীক্ষক বিতুল চেতিয়া, কলিয়াবৰ সমজিলাৰ দণ্ডাধীশ অভিজাত বৰা পুৱা ঘটনাস্থলী পৰিদৰ্শন কৰি তদন্ত অব্যাহত ৰাখিছে। বুঢ়াপাহাৰ বনাঞ্চলৰ বনাঞ্চলিক বিষয়া নিলয় বৰুৱাৰ সঠিক অভিযানৰ বাবেই চোৰাং চিকাৰীৰ দলটোৱে গঁড় হত্যা কৰাত সফল হব নোৱাৰিলে বুলি জানিবলৈ দিছে উদ্যান কৰ্তৃপক্ষই। চোৰাং চিকাৰীটোৰ মৃতদেহ কলিয়াবৰ আৰক্ষীয়ে চমজি লৈ মৰনোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে।

# গৰৈমাৰীৰ চৌধুৰীপামত ছাত্ৰীক নৃশংসভাৱে হত্যা

পলাতক হত্যাকাৰী

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ অক্টোবৰ** ঃ কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ চৌধুৰীপামত আজি দুপৰীয়া কলেজীয়া ছাত্ৰী এগৰাকীক নৃশংসভাৱে হত্যা কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে শুৱালকুচি নদী আৰক্ষী থানাৰ অন্তৰ্গত বালাগাঁও চৰৰ গোলাম মোস্তফাৰ পুত্ৰ নুৰুল ইছলাম নামৰ যুৱকজনে বিগত এবছৰ পূৰ্বে গৰৈমাৰীৰ জোৰশিমুলী আৰক্ষী চকীৰ অন্তৰ্গত চৌধুৰীপাম গাঁৱৰ আব্দুল খালেকৰ পৰিয়ালৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলে। তেতিয়াৰ পৰাই নুৰুল ইছলামে আব্দুল খালেকৰ ঘৰত সঘনাই আহ -যাহ অব্যাহত ৰাখে। জানিব পৰামতে বালাগাঁও চৰৰ নুৰুল ইছলাম নামৰ যুৱকজনে আজি দুপৰীয়া আকস্মিকভাৱে চৌধুৰীপাম গাঁৱৰ আব্দুল খালেকৰ ঘৰত উপস্থিত হয়। সেইসময়ত আব্দুল খালেকৰ কন্যা তথা সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাষিকৰ অসমীয়া বিভাগৰ ছাত্ৰী খায়ৰুণ নেছা (২২) ঘৰত অকলশৰীয়া আছিল। ঘৰত মানুহ নথকাৰ সুযোগ লৈ লম্পট নুৰুল ইছলামে ছাত্ৰী খায়ৰুণ নেছাক দাৱে ঘপিয়াই নৃশংসভাৱে হত্যা কৰে। ঘটনা সংঘটিত কৰিয়েই হত্যাকাৰী লম্পট নুৰুল ইছলাম ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ইপিনে হত্যাকাণ্ডৰ ঘটনা বিয়পি পৰাৰ লগে লগে ঘটনাস্থলীত লোকে লোকাৰণ্য হৈ পৰে লগতে ততালিকে ঘটনাস্থলীত উপস্থিত হয় ছয়গাঁও আৰু জোৰশিমুলী আৰক্ষীৰ দল। অৱশ্য কি কাৰণত ভয়ংকৰ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হ'ল সেয়া যুৱতীগৰাকীৰ পিতৃয়ে অৱগত নহয় বুলি উল্লেখ কৰে। ইপিনে ঘটনাস্থলীত উপস্থিত হৈ ছাত্ৰীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ ৰোধৰ স্বাৰ্থত শিৱসাগৰৰ জিলা দণ্ডাধীশৰ নিষেধাজ্ঞা জাৰি

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ আয়ুষ গৰ্গে সাম্প্ৰতিক সময়ত শিৱসাগৰ জিলাৰ নাজিৰা ৰাজহ চক্ৰৰ অধীনস্থ হাবিকুটি মিচিং গাঁও আৰু শিৱসাগৰ ৰাজ্যহ চক্ৰৰ অধীনস্থ বেতবাৰী চেতিয়া কৈৱৰ্ত গাঁৱত গাহৰিৰ আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি পোৱা সন্দৰ্ভত জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়াৰ পৰা প্ৰাপ্ত তথ্যৰ আধাৰত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ ৰোধৰ উদ্দেশ্যে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা-২০২৩ৰ ১৬৩ নং ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা দণ্ডাধীশ গৰাকীয়ে যোৱা ১০ অক্টোবৰত জাৰি কৰা এই নিষেধাজ্ঞাৰ অন্তৰ্গত নাজিৰা আৰু শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনত জীৱিত গাহৰি, গাহৰিৰ মাংসৰে প্ৰস্তুত খাদ্য সামগ্ৰী আৰু গাহৰিৰ মাংসৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছে। আনহাতে, নাজিৰা আৰু শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মাংস আৰু গাহৰিৰ মাংসৰে প্ৰস্তুত খাদ্য সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ কৰা হৈছে। তদুপৰি নাজিৰা আৰু শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনত গাহৰি কটাৰ লগতে ক্ৰয়-বিক্ৰয় সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰিও নাজিৰা আৰু শিৱসাগৰ ৰাজহ চক্ৰৰ অধীনত গাহৰিৰ মৃত্যু সম্পৰ্কীয় যিকোনো বিষয় পশুপালন আৰু পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰাৰ লগতে মৃত গাহৰিৰ দেহটো দ'কৈ মাটি খান্দি তথা কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰি পুতি থোৱাটো বাধ্যতামূলক কৰা হৈছে। তদুপৰি সমূহ গাহৰি উৎপাদক তথা গাহৰি পালকে নতুনকৈ কোনো স্থানত যাতে আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ বিস্তাৰ হ'ব নোৱাৰে, সেই ক্ষেত্ৰত কঠোৰ জৈৱ সুৰক্ষামূলক ব্যৱস্থা অৱলম্বন কৰিব লাগিব। এই নিষেধাজ্ঞাৰ অধীনত গাহৰিৰ খাদ্যৰ যিকোনো ধৰণৰ পৰিবহণৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পৰা আগতীয়াকৈ অনুমতি লোৱাটো বাধ্যতামূলক কৰা হৈছে। উল্লেখ্য যে, শেহতীয়াকৈ জাৰি কৰা এই আদেশ তৎকালীনভাৱে বলবৎ হ'ব আৰু পৰৱৰ্তী আদেশ জাৰি নকৰালৈকে বাহাল থাকিব। উক্ত আদেশ উলঙ্ঘা কৰাটো ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ নং ধাৰাৰ অধীনত দণ্ডনীয় হ'ব।

# জুবিন গাৰ্গৰ স্মৃতিত শান্তিপূৰ্ণ দীপাৱলী পালন কৰাৰ আহ্বান বৃহত্তৰ অভয়াপুৰী যৌথ গণমঞ্চৰ

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১৬ অক্টোবৰ ঃ** অসমবাসী সকলো স্তৰৰ ৰাইজে অসমৰ সত্ত্বা, প্ৰাণৰ বহুমাত্ৰিক শিল্পী জুবিন গাৰ্গক হেৰুৱাই মৰ্মাহত হৈ আছে। ৰাজ্যবাসীয়ে এইবাৰ দীপাৱলীৰ সময়ত আতচবাজী ফুটাই অতিৰঞ্জিত উদযাপন পৰিহাৰ কৰি শিল্পীগৰাকী প্ৰতি গভীৰ শ্ৰদ্ধা জনাই এগছি বন্তি প্ৰজ্বলন কৰি এইবাৰ শান্তি আৰু পোহৰৰ উৎসৱ হিচাপে দীপাৱলী পালন কৰিবলৈ বৃহত্তৰ অভয়াপুৰী অঞ্চলৰ সকলো সামাজিক-সাংস্কৃতিক-জাতীয় সংগঠনৰ যৌথ গণমঞ্চই আহ্বান জনাইছে। জুবিন গাৰ্গৰ ন্যায় সকলোৰে কাম্য। দল-মত-জাতি-বৰ্ণ নিৰ্বিশেষে জুবিন গাৰ্গৰ শিল্পসাধনাৰ সেন্দূৰীয়া বাটেৰে, মানৱতাৰ মন্ত্ৰ সাৰোগত কৰি অসমত শান্তি-সম্প্ৰীতিৰ বাতাবৰণ অক্ষুণ্ণ ৰাখি লক্ষ্যত উপনীত হ'বলৈ সকলো শ্ৰেণীৰ ৰাইজলৈ বিনম্ৰ আহ্বান জনাইছে বৃহত্তৰ অভয়াপুৰী যৌথ গণমঞ্চৰ মুখ্য আহ্বায়ক কমল কান্তি চক্ৰৱৰ্তী আৰু গণেশ দাসে।

# লংকাত অব্যাহত বন্যহস্তীৰ মুক্ত বিচৰণ

**অসম বাৰ্তা, লংকা, ১৬ অক্টোবৰ ঃ** ৰাজ্যত উদ্বেগজনকভাৱে বৃদ্ধি হাতী মানুহৰ সংঘাত। ৰাজ্যৰ আন আন প্ৰান্তৰ দৰে হোজাই জিলাৰ লংকাৰ কাৰিখানা বৰদলংত বন্যহস্তীয়ে মুক্ত বিচৰণ কৰি আহিছে। বন্যহস্তীয়ে বনাঞ্চলৰ পৰা সমতল জনসমাগম পূৰ্ণ এলেকাত সন্ধিয়াৰ ভাগত খাদ্য বিচাৰি আহি মুক্ত বিচৰণ কৰাৰ ফলত হোজাই জিলাৰ লংকা কাৰিখানাৰ বৰদলং, লস্কৰ পথাৰ, দৰ্জীচিট, ফৰমাৰপাৰ, চিমলাই পথাৰৰ লগতে বৃহত্তৰ এলেকাটিত বন্যহস্তীয়ে মুক্ত বিচৰণ কৰি এই জনবসতিপূৰ্ণ এলেকালৈ আহি বিভিন্ন ধৰণৰ শাক-পাচলি, ফলমূল, ধান, কুহিয়াঁৰ আদি খাই নষ্ট কৰাৰ লগতে দুখীয়া দৰিদ্ৰ লোকৰ ঘৰ-বাৰী ভাঙি চুৰমাৰ কৰি আহিছে। সমান্তৰালভাৱে আজিও প্ৰায় এশ বিঘা ধান আৰু কুঁহিয়াৰৰ খেতি ভাঙি চুৰমাৰ কৰে। বন্যহস্তীৰ মুক্ত বিচৰণৰ ফলত স্থানীয় ৰাইজে সন্ধিয়া হোৱাৰ লগে লগে ভয় আৰু শংকাত ভুগিব লগা হৈছে। আনকি সন্ধিয়া হোৱাৰ লগে লগে বৃহত্তৰ অঞ্চলটিৰ কাৰিখানাৰ বৰদলং, লস্কৰ পথাৰ, দৰ্জীচিট, ফৰমাৰপাৰ, চিমলাই পথাৰৰ ক্ষুদ্ৰ ব্যৱসায়ী সকলে দোকান-পোহাৰ সন্ধিয়া নৌহওতেই বন্ধ কৰি ঘৰলৈ যাবলগীয়া হয়। ফলত বৃহত্তৰ এলেকাটোৰ সচেতন ৰাইজে উক্ত বিষয় সম্পৰ্কে বন বিভাগক বাৰে বাৰে অৱগত কৰি আহিছে যদিও বন বিভাগৰ বিষয়া কৰ্মচাৰী সকলে উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰাত যোৱা দুটা সপ্তাহৰ ভিতৰত বনাঞ্চলৰ পৰা জনবসতিপূৰ্ণ এলেকা লৈ প্ৰতিদিনে অহা বন্য হস্তী আৰু মানুহৰ মাজত উদ্বেগজনকভাৱে সংঘাত অব্যাহত হৈ আছে। স্থানীয় সচেতন ৰাইজে বৃহত্তৰ এলেকাটিৰ বনাঞ্চল সমূহত বন্যহস্তীৰ বাবে খাদ্য উপযোগী গছ-গছনি ৰোপণ কৰাৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ হোজাই জিলাৰ বন বিভাগৰ লগতে অসম চৰকাৰৰ বন মন্ত্ৰীক কাতৰ আহ্বান জনাইছে।

## হত্যাকাৰীক গ্ৰেপ্তাৰৰ দাবীত শিক্ষাৰ্থীৰ উত্তাল প্ৰতিবাদ

# গৰৈমাৰীৰ চৌধুৰীপামত ছাত্ৰীক হত্যা

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ অক্টোবৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ চৌধুৰীপামত ছাত্ৰী খাইৰুন নেছাৰ হত্যাকাৰীক গ্ৰেপ্তাৰৰ দাবীত সোণতলীত আজি দুপৰীয়া শ্ৰেণীকোঠা এৰি শিক্ষাৰ্থীসকলে ৰাজপথলৈ ওলাই আহি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাষিকৰ ছাত্ৰী তথা গৰৈমাৰীৰ জোৰশিমুলী আৰক্ষী চকীৰ অন্তৰ্গত চৌধুৰীপাম গাঁৱৰ আব্দুল খালেকৰ জীয়ৰি খাইৰুন নেছাক নিজ বাসগৃহত কালি দুপৰীয়া শুৱালকুছি নদী আৰক্ষী থানাৰ অন্তৰ্গত বালাগাঁও চৰৰ নুৰুল ইছলাম নামৰ লম্পট যুৱকটোৱে চোকা অস্ত্ৰৰে ঘপিয়াই নৃশংসভাৱে হত্যা কৰি হত্যাকাৰী যুৱকটো ঘটনাস্থলীৰ পৰা পলায়ন কৰে। জানিব পৰামতে সোণতলী আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষাৰ্থী খাইৰুন নেছাৰ হত্যাকাৰীক গ্ৰেপ্তাৰ তথা ন্যায়ৰ দাবীত আজি দুপৰীয়া মহাবিদ্যালয়ৰ শিক্ষাৰ্থী সকলে ৰাজপথলৈ ওলাই আহি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰী শিক্ষাৰ্থীসকলে হাতে হাতে প্লেকাৰ্ড আদি লৈ হত্যাকাৰীক গ্ৰেপ্তাৰ কৰক, খাইৰুন নেছাৰ ন্যায় লাগে আদি শ্ল'গান দি পৰিবেশ উত্তাল কৰি প্ৰতিবাদ সাৰস্থ্য কৰে। ইপিন প্ৰতিবাদৰ অন্তত ছাত্ৰ একতা সভাৰ জৰিয়তে ছাত্ৰী খাইৰুন নেছাক হত্যা কৰা হত্যাকাৰীক গ্ৰেপ্তাৰৰ দাবীত সোণতলী আৰক্ষীক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে হত্যাৰ বলি হোৱা ছাত্ৰী খাইৰুন নেছাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি আত্মাৰ সদগতি কামনা কৰে সোণতলী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে।

## জনমানসত ভাৱমূৰ্তি নষ্ট কৰাৰ ষড়যন্ত্ৰ একাংশৰ: পৰেশ গোৱালা

# 'অসম বাৰ্তা'ৰ বাতৰি প্ৰভাৱ, তথ্যসমূহ সত্য প্ৰমাণিকৰণৰ প্ৰত্যাহ্বান

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৬ অক্টোবৰ ঃ** "অভিযুক্ত পৰেশৰ পুনৰ আটছাত যোগদানৰ প্ৰস্তুতি" শীৰ্ষক শিৰোনামেৰে অসম বাৰ্তা বাতৰিকাকতত তিনিচুকীয়া বিশেষ আমাৰ সাংবাদিকে অসমৰ চাহ জনগোষ্ঠীৰ অন্যতম ছাত্ৰ সংগঠন অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতি গঠনৰ সম্পৰ্কত সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ চৰ্চাত থকা পৰেশ গোৱালাৰ ওপৰত কেতবোৰ বিস্ফোৰক তথ্যৰে এক বাতৰি ১৪ অক্টোবৰ, ২০২৫ সংখ্যাত প্ৰকাশ হয়। ইয়াৰ পাছতে গোৱালাই আমাৰ সাংবাদিকক আজি তিনিচুকীয়াত সাক্ষাৎ কৰি প্ৰকাশিত তথ্যসমূহ ভিত্তিহীন, ভুৱা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। প্ৰকাশিত বাতৰি তথা তথ্য অনুসৰি "অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত আগবাঢ়ি আছে বিতৰ্কিত তথা বিভিন্ন সামাজিক অপৰাধত অভিযুক্ত পৰেশ গোৱালা। আটছাৰ সাংবিধানিক নীতি অনুসৰি আটছাৰ কোনো ছাত্ৰ নেতা ৰাজনৈতিক দলৰ লগত সম্পৰ্ক থাকিব নোৱাৰিলেও পৰেশ গোৱালা নামৰ ছাত্ৰ নেতাজন ২০০৩ চনৰ ১৯ অক্টোবৰ তাৰিখে প্ৰবীণ বৰঠাকুৰ পৰ্যৱেক্ষক হিচাবে উপস্থিত থকা সভাত অসম গণ পৰিষদৰ বৰগুৰি আঞ্চলিক সমিতিৰ তথ্য আৰু প্ৰচাৰ সম্পাদকৰ পেনেলত নিজৰ নাম অন্তৰ্ভুক্ত কৰাৰ তথ্য আমাৰ হাতত পৰিছেহি। অন্যহাতে পৰেশ গোৱালাৰ নিৰ্দেশত মাৰ-পিটৰ দৰে অসামাজিক ঘটনা ঘটাৰ বিৰুদ্ধে থানাত ৰাজহুৱা অভিযোগ প্ৰদান কৰা হৈছিল যোৱা ১৯ ছেপ্টেম্বৰ ২০২৫ তাৰিখে। তদুপৰি এইজন নেতাৰ বিৰুদ্ধে সামাজিক অপৰাধত জড়িত হোৱাৰ অভিযোগত ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়ৰ পৰা যোৱা ১৯ আগষ্ট ২০২৫ তাৰিখে ২২৬/২৫ কেছ নম্বৰৰ বিপৰীতে দুজন সাক্ষীক চমন প্ৰেৰণ কৰা হৈছিল। মন কৰিবলগীয়া যে অসম চাহ জনজাতি ছাত্ৰ সন্থা, তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত আগবাঢ়ি থকা এইজন পৰেশ গোৱালাই ৬ নং ৱাৰ্ডৰ পৰা সদস্য পদত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰিছিল। বিভিন্ন অভিযোগেৰে অভিযুক্ত এনে এজন নেতাই ধন আৰু ৰাজনৈতিক ক্ষমতাৰ জৰিয়তে বিগত সময়ছোৱাত আটছাৰ গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি অহাৰ পিছতো পুনৰ জিলা সমিতিৰ সভাপতি হ'বলৈ মন মেলিছে। এনে এজন বিতৰ্কিত ছাত্ৰ নেতাক আটছাৰ তিনিচুকীয়া শাখা সমিতিয়ে তিনিচুকীয়া জিলা অধিৱেশনলৈ মূল প্ৰতিনিধি হিচাবে প্ৰেৰণ কৰা কাৰ্যই সন্দেহৰ সৃষ্টি কৰিছে। একাধিক সামাজিক তথা ন্যায়িক অভিযোগত অভিযুক্ত পৰেশ গোৱালাই কি শক্তিৰে বলীয়ান হৈ অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ পবিত্ৰ মজিয়াত বাৰে বাৰে নিজৰ স্থিতি বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে? প্ৰশ্ন হয় এনে একাধিক অভিযোগত অভিযুক্ত পৰেশ গোৱালাই কি ক্ষমতা আৰু শক্তিৰ বলত অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সভাপতিৰ দৌৰত চামিল হৈছে? অসম চাহ জনজাতি ছাত্ৰ সন্থা এইবোৰ বিষয়ত মৌন থকাৰ কাৰণ কি? নে কাৰোবাৰ ৰাজনৈতিক আকাংক্ষা পূৰণৰ বাট মসৃণ কৰাৰ দৌৰত পৰেশ গোৱালা? এইবোৰ প্ৰশ্নৰ উত্তৰ অসম চাহ জনজাতি ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ পৰিৱৰ্তী অধিৱেশনতহে স্পষ্ট হ'ব। উল্লিখিত তথ্যৰ ওপৰত প্ৰকাশ হোৱা বাতৰিৰ প্ৰসংগত এই সকলোবোৰ তথ্য ভুৱা, ভিত্তিহীন। আগন্তুক জিলা সমিতিৰ সভাপতি পদত জয় নিশ্চিত হোৱাৰ বাবেই একাংশই জনমানসত ভাৱমূৰ্তি নষ্ট কৰাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে বুলি প্ৰকাশ কৰে পৰেশ গোৱালাই। সমান্তৰালকৈ প্ৰত্যাহ্বান জনাই যদিহে এই তথ্যসমূহৰ ভিতৰত এটাও সত্য প্ৰমাণিত কৰিব পাৰে তেন্তে সংগঠনৰ মজিয়াৰ পৰা পদত্যাগ কৰাৰ লগতে সামাজিক জীৱন ত্যাগ কৰিব বুলিও কয় পৰেশ গোৱালাই। এতিয়া প্ৰশ্ন হয়, উল্লিখিত তথ্যসমূহ কিমান সত্য সত্যতা আছে? সঁচাকৈ ই ভুৱা নেকি? সত্য প্ৰমাণিত কৰিবলৈ কোনোবাই আগবাঢ়ি আহিবনে? ই পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# ধমধমা আঞ্চলিক মহাবিদ্যালয় সাধাৰণ নিৰ্বাচত ছাত্ৰ সন্থাৰ বৃহৎ জয়

**অসম বাৰ্তা, ধমধমা, ১৬ অক্টোবৰ ঃ** ধমধমা আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতাসভাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ সন্থাৰ সমৰ্থিত প্ৰাৰ্থীৰ জয় লাভ কৰে। ধমধমা আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতাসভাৰ সভাপতি-সম্পাদকে ধৰি এ.বি.ভি.পিক ধূলিসাৎ কৰি ১২টা পদ দখল কৰিছে আছুৰ সমৰ্থিত প্ৰাৰ্থীয়ে। ২০২৫-২৬ বৰ্ষৰ ছাত্ৰ একতাসভাৰ ১২ গৰাকী আছুৰ সমৰ্থিত প্ৰাৰ্থীয়ে জয় লাভ কৰিছে। সভাপতি কৌশিক শৰ্মা, উপসভাপতি হীৰক জ্যোতি দাস, সাধাৰণ সম্পাদক ৰাহুল ৰবি দাস, সহকাৰী সাধাৰণ সম্পাদিকা ভিতালী বৈশ্য, সাংস্কৃতিক সম্পাদক প্ৰবল শৰণীয়া, আলোচনী সম্পাদক বিক্ৰম বৈশ্য, খেলুৱৈ সম্পাদক প্ৰীতম তালুকদাৰ, সমাজ সেৱক ঘনশ্যাম তালুকদাৰকে ধৰি আটাইকেইটা মুখ্য পদতে জয়লাভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে ধমধমা আঞ্চলিক মহাবিদ্যালয়ৰ পৰা ধমধমা আঞ্চলিক ছাত্ৰ সন্থাই বিজয়ী প্ৰাৰ্থীৰ সৈতে শিক্ষাৰ্থী সকলে ধমধমাত এক বিজয়ী সমদল উলিয়াই আনন্দ উল্লাস কৰে।

## অসমীয়া যুৱ মঞ্চৰ এজাহাৰ দাখিল

# আমগুৰিত শিৱ মন্দিৰৰ নামত ভুৱা উপহাৰ কুপনৰ জালিয়তি

## মন্দিৰ উন্নয়নৰ নামত ম'বাইল নম্বৰৰ জৰিয়তে প্ৰৱঞ্চনা

**অসম বাৰ্তা, আমগুৰি, ১৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰিত এটা শিৱ মন্দিৰৰ উন্নয়ন নামত এক উপহাৰ কুপন খেলৰ জালিয়াতিৰ বিষয় সম্প্ৰতি পোহৰলৈ আহিছে। অসম চৰকাৰে উপহাৰ কুপনৰ খেল বন্ধ কৰি থোৱাৰ সময়তে শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলত শ্ৰীশ্ৰী শিৱ মন্দিৰ উন্নয়নৰ সাহায্যৰ নাম লৈ এক বৃহৎ ভুৱা উপহাৰ কুপনৰ খেল আয়োজন কৰি সাধাৰণ ৰাইজক ঠগাৰ অভিযোগ উত্থাপিত হৈছে। সমগ্ৰ ঘটনাৰ আঁত ধৰি অসমীয়া যুৱ মঞ্চই আমগুৰি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। সংগঠনটোৰ সহকাৰী সম্পাদক আকাশ শইকীয়া স্বাক্ষৰিত এজাহাৰত কোৱা যে ৮০৯৯১৪৪১৫৪ মোবাইল নম্বৰৰ জৰিয়তে ১৪ অক্টোবৰ তাৰিখে খেলৰ তাৰিখ বুলি প্ৰচাৰ কৰি উপহাৰ কুপন বিক্ৰীৰ নামত বৃহৎ প্ৰৱঞ্চনা সংঘটিত হৈছে। ভুৱা উপহাৰ কুপন খেলখনৰ প্ৰচাৰত অসমৰ একাধিক জনপ্ৰিয় ইউটিউবাৰো জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে। এজাহাৰত দিয়া অভিযোগ অনুসৰি ইউটিউবাৰসকলে খেলখনৰ সত্যতা প্ৰমাণ নকৰাকৈ ৰাইজক টকা দিবলৈ উৎসাহিত কৰি প্ৰৱঞ্চকসকলক পৰোক্ষভাৱে সহায় কৰিছিল। ইয়াৰোপৰি ৯১০১৩১০২২৮, ৯৯৫৪১৭২১৭৮ আৰু ৮০৯৯১৪৪১৫ ম'বাইল নম্বৰৰ জৰিয়তে দুষ্ট চক্ৰটোৱে আমগুৰি অঞ্চলতো উপহাৰ কুপনৰ নামত বৃহৎ পৰিমাণৰ ধন সংগ্ৰহ কৰে বুলি এজাহাৰত কোৱা হৈছে। সংগঠনটোৱে ওপৰোক্ত মোবাইল নম্বৰৰ গৰাকীক তদন্তৰ আওতালৈ আনি দোষীক দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়।

# জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত এইবাৰ দেৱালী চাকি বন্তিৰ দেৱালী হিচাপে পালন কৰাৰ আহ্বান অসম উন্নয়ন পৰিষদৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** অসমৰ হিয়াৰ আমঠু, প্ৰাণৰ স্পন্দন, চিৰসেউজ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু আৰু তেওঁৰ ন্যায়ৰ বাবে চলি থকা দীঘলীয়া সংগ্ৰামৰ প্ৰতি সমবেদনা জনাই অসমৰ অন্যতম অৰাজনৈতিক সংগঠন অসম উন্নয়ন পৰিষদে এইবাৰ পোহৰৰ উৎসৱ দেৱালী এক ভিন্ন ধৰণে পালন কৰিবলৈ সমগ্ৰ অসমবাসীক আহ্বান জনাইছে। উন্নয়ন পৰিষদৰ সভাপতি মৌচুম কুমাৰ উজীৰ আৰু সাধাৰণ সম্পাদক চন্দন বৰদলৈয়ে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অসমবাসীক এইবাৰৰ দেৱালীত সকলো ধৰণৰ ফটকা আৰু আতচবাজী পৰিহাৰ কৰি কেৱল চাকি আৰু বন্তিৰে ঘৰ আলোকিত কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে। তেওঁলোকে কৈছে যে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত আৰু তেওঁৰ ন্যায়ৰ দাবীত আমাৰ এই আহ্বান। ফটকা আৰু আতচবাজীৰ শব্দ-প্ৰদূষণ আৰু ক্ষন্তেকীয়া উল্লাসৰ পৰিৱৰ্তে, জুবিন গাৰ্গৰ আত্মাৰ চিৰশান্তি আৰু ন্যায় প্ৰতিষ্ঠাৰ আশাৰে আমাৰ ঘৰে ঘৰে জ্বলি উঠক একো একোটা শান্তি আৰু প্ৰতিবাদৰ চাকি। প্ৰতিটো চাকি যেন হৈ পৰে ন্যায়ৰ অপেক্ষাত থকা অসমবাসীৰ হৃদয়ৰ প্ৰকাশ। জুবিন গাৰ্গৰ চিৰস্মৰণীয় শিল্পকৰ্মই অসমীয়া সংস্কৃতিৰ উন্নয়নত যি অৱদান আগবঢ়াই গ'ল, তাৰ মূল্য অপৰিসীম। তেওঁৰ ন্যায় নোপোৱালৈকে, এই দেৱালী কেৱল আনন্দৰ নহৈ, ন্যায় প্ৰতিষ্ঠাৰ এক নীৰৱ সংকল্পৰ উৎসৱ হওক। অসম উন্নয়ন পৰিষদে আশা কৰিছে, অসমবাসীয়ে এই আহ্বানৰ প্ৰতি সঁহাৰি জনাব আৰু শান্তি, সমবেদনা তথা ন্যায়ৰ প্ৰতিশ্ৰুতিৰে এইবাৰৰ দেৱালী পালন কৰিব।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ অক্টোবৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ত (স্বায়ত্তশাসিত)- ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযানৰ পৃষ্ঠপোষকতাত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষকপ্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত মনিটৰিং কাটিং' এজ ৰিছাৰ্চ ইন দি লাইট এন ই পি ২০২০- শীৰ্ষক দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী ১৪ আৰু ১৫ অ'ৌবৰত সফলতাৰে অনুষ্ঠিত হয়। প্ৰশিক্ষণৰ উদ্বোধনী



অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলো অধ্যাপক-অধ্যাপিকাৰ লগতে সমূহ গণ্যমান্য ব্যক্তিক আদৰণি জনায়। ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয় যে শিক্ষকসকল কেৱল শিক্ষক হিচাপেই নহয়, তেওঁলোক একো একোজন পৰামৰ্শদাতা, পথ প্ৰদৰ্শক হিচাপেও নিজৰ দায়িত্ব পালন কৰিব লাগিব। সমাজ, দেশ, জাতিক ইতিবাচক দিশত আগুৱাই নিবলৈ হ'লে প্ৰতিজন শিক্ষকে একো একোজন সু-পৰামৰ্শদাতা, পথ প্ৰদৰ্শক হিচাপে দায়িত্ব পালন কৰিব লাগিব। অধ্যক্ষগৰাকীয়ে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষা, গৱেষণা কি পৰ্যায়ত আছে তাৰ বিষয়েও শিক্ষাৰ্থীক অৱগত কৰিব লাগিব। দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° প্ৰদীপ কুমাৰ বৰুৱাই। উদ্বোধনী ভাষণপ্ৰসংগত ড° বৰুৱাই অৰ্থপূৰ্ণ শৈক্ষিক সম্পৰ্ক গঢ়ি তোলা, সহযোগিতামূলক গৱেষণাৰ প্ৰসাৰ আৰু শিক্ষণ আৰু শিকণপদ্ধতিৰ উদ্ভাৱনক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত এনে প্ৰশিক্ষণ কাৰ্যসূচীৰ মূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহকাৰী অধ্যপক তথা কৰ্মশালাৰ এগৰাকী সমন্বয়ক ড° তবচ্ছুম ৰিজভী উপস্থিত থাকি এক গৱেষণামুখী শৈক্ষিক পৰিৱেশ গঢ়িতোলাৰ ক্ষেত্ৰত কাৰ্যসূচীটোৰ উদ্দেশ্য আৰু প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে। কৰ্মশালাখনি প্ৰথমদিনাৰ চাৰিটা আলোচনা শাখাত সমলব্যক্তি হিচাপে উপস্থিত থাকে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰাধ্যাপক ড° পংকজ দাস, তেজপুৰ বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড° নৱজ্যোতি মেধি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° গৌৰী শংকৰ দাস আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাধ্যাপক ড° চন্দন কুমাৰ শৰ্মা। আনহাতে দ্বিতীয় দিনাৰ চাৰিটা আলোচনা শাখাৰ সমল ব্যক্তি আছিল তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাষাবিজ্ঞান আৰু ভাষা প্ৰযুক্তি বিভাগৰ সহকাৰী অধ্যাপক ড° অৰূপ কুমাৰ নাথ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° পংকজ চেতিয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু তথ্য বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° সঞ্জয় কুমাৰ সিং আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজৰ সহকাৰী অধ্যাপক ড° আৰ্শাদ হুছেইন। মুঠ ১১২ গৰাকী শিক্ষক তথা গৱেষকে অংশগ্ৰহণ কৰা কৰ্মশালাৰ সামৰণিত অংশগ্ৰহণকাৰীসকলৰ পৰা পোৱা ইতিবাচক সঁহাৰিয়ে সমলব্যক্তিসকলৰ লগতে উদ্যোক্তাসকলকো উৎসাহিত কৰে। কৰ্মশালাটি সফলভাৱে সম্পন্ন হোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ বিষয়ববীয়াসকলৰ শলাগলোৱাৰ লগতে কৰ্মশালাৰ সমন্বয়কৰ দায়িত্ব পালন কৰা মহাবিদ্যালয় খনিৰ অধ্যাপক ক্ৰমে ড° নিতুমণি শইকীয়া, ড° পৰাগ জ্যোতি চুতীয়া আৰু ড° অপূৰ্ব দত্তকে ধৰি আটাইকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। কৰ্মশালাখনিৰ দুয়োটা দিনৰসমূহ কাৰ্যসূচী সুচাৰুৰূপে আঁত ধৰে অধ্যাপিকা সংক্ৰান্তি দেৱী আৰু ড° হানিফা ৰহমানে।

# উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞান মেলাৰ আয়োজন

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ অক্টোবৰ ঃ** অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ পৰিষদৰ তত্ত্বাৱধানত উজনি মাজুলী আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই অহা ২৭ অ'ৌবৰ সোমবাৰে উজনি মাজুলীৰ অন্তৰ্গত চিৰাম উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে বিজ্ঞান মেলাৰ প্ৰস্তুতি কৰা হৈছে। এই উপলক্ষে সেইদিনা বিজ্ঞান আৰ্হি, পোষ্টাৰ ড্ৰয়িং, ধাৰণা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীয়ে এই প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰথম চাৰিটা স্থান প্ৰাপ্ত প্ৰতিযোগীয়ে দ্বিতীয় পয্যায়ত অনুষ্ঠিত হব লগা জিলা ভিত্তিত অনুষ্ঠিত হব লগা বিজ্ঞান সমাৰোহত অংশগ্ৰহণ কৰিব পাৰিব। জিলা পয্যায়ত স্থান প্ৰাপ্ত প্ৰথম আৰু দ্বিতীয় স্থান পোৱা সকলে গুৱাহাটীত অনুষ্ঠিত হব লগা ৰাজ্যিক সমাৰোহলৈ নিৰ্বাচিত হব। জিলা আৰু ৰাজ্যিক পয্যায়ত অনুষ্ঠিত হোৱা সমাৰোহলৈ অহা যোৱা থকা মেলাৰ সকলো সুবিধা বিনামূলীয়া হব। সবিশেষ জানিবলৈ ৬০০০৫৯৯৯২৯ ত যোগাযোগ কৰিলৈ আহ্বান জনাইছে।

# শিক্ষাবিদ বিপিন চন্দ্ৰ গোস্বামীক মাজুলী মহাবিদ্যালয়ৰ সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ অক্টোবৰ ঃ** মাজুলী মহাবিদ্যালয় প্ৰাক্তন অধ্যক্ষ, মাজুলীত উচ্চশিক্ষা প্ৰসাৰ আন্দোলনৰ অন্যতম হোতা, বিশিষ্ট শিক্ষাবিদ বিপিন চন্দ্ৰ গোস্বামীক আজি মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। যোৰহাটৰ হাতীগড়ত থকা নৱতিপৰ শিক্ষাবিদজনৰ নিজা বাসগৃহত গৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। অধ্যক্ষ ড° শইকীয়াৰ লগতে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া আৰু অৱসৰপ্ৰাপ্ত মুখ্য কাৰ্যালয় সহায়ক গোৱিন বৰুৱাই প্ৰবীণ শিক্ষাব্ৰতী বিপিন চন্দ্ৰ গোস্বামীক সম্বৰ্ধনা পত্ৰ, অংগ বস্ত্ৰ, মহাবিদ্যালয়ৰ বিশেষ স্মাৰক আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে তেখেতৰ স্বাস্থ্যৰ বুজ লয়। লগতে কিছুদিনৰ পৰা বাৰ্ধক্যজনিত অসুস্থতাত ভুগি থকা মাজুলীৰ উচ্চশিক্ষা প্ৰসাৰ ব্যৱস্থাটোৰ অন্যতম অংশীদাৰগৰাকীৰ আশু আৰোগ্য কামনা কৰে। উল্লেখ্য, প্ৰায় ৩৪ বছৰ চাকৰি কৰাৰ অন্তত যোৱা ২০০০ চনত অৱসৰ গ্ৰহণ কৰা বিপিন চন্দ্ৰ গোস্বামীয়ে অৱসৰৰ সুদীৰ্ঘ ২৪ বছৰৰ পাছত পেঞ্চনৰ ধনেৰে নিজৰ পিতৃৰ সোঁৱৰণত মাজুলী মহাবিদ্যালয়ত 'সত্ৰাধিকাৰ শ্ৰীশ্ৰী পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ' নামেৰে এটি অত্যাধুনিক সভাগৃহ নিৰ্মাণৰ উদ্দেশ্য

মুঠ ১১ লাখ টকাৰ দান দি মহানুভৱতা প্ৰদৰ্শন কৰিছিল। অৰ্থনীতি বিজ্ঞান বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী হিচাপে সুদীৰ্ঘ কাল কাৰ্যনিৰ্বাহ কৰা বিশিষ্ট শিক্ষাবিদগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়—'বহুতক আচৰ্যান্বিত কৰি বিপিন চন্দ্ৰ গোস্বামীয়ে প্ৰমাণ কৰি দিলে যে জীৱনত কৃতকাৰ্য লভিবৰ বাবে লাগে মাথোঁ এটা কোৰামুঠীয়া মন; জীৱনৰ যাত্ৰা-পথত একো প্ৰাচীৰেই বাধাৰূপে বৰ্তি থাকিব নোৱাৰে।' গোস্বামীয়ে মাজুলীখনক শৈক্ষিক উত্তৰণৰ লগতে অনেকপ্ৰকাৰেৰে সমৃদ্ধ কৰি থ'লে বুলিও তেওঁ উল্লেখ কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি গোস্বামীয়ে জীৱনৰ সোণালী সময়খিনি অতিবাহিত কৰা মাজুলী মহাবিদ্যালয়ৰ স্মৃতি মনলৈ আহিলেই তেওঁ আৱেগিক হৈ পৰা বুলি প্ৰকাশ কৰে। গোস্বামীৰ সহধৰ্মিণী, লেখিকা বিজয়া গোস্বামীয়ে আজিৰ অনুষ্ঠানত ভাগ লোৱা সকলোকে আদৰণি জনায়। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক তুলসী ৰাজখোৱা, কৰ্মচাৰী গোটৰ সভাপতি পদ্মধৰ বৰুৱা, সম্পাদক উৎপল বৰুৱা প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে বিপিন চন্দ্ৰ গোস্বামীৰ বদান্যতাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে মাজুলীৰ বাটকটীয়া শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ সমৃদ্ধিত যোগোৱা বৰঙণিৰ বাবে ধন্যবাদ জনাই বাৰ্তা প্ৰেৰণ কৰিছে।



# ভাওনা প্ৰতিযোগিতাৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, দেৰগাঁও, ১৬ অক্টোবৰ ঃ** দেৰগাঁৱৰ সমীপৱৰ্তী কাকডোঙাবাসীৰ আতিথ্যত দ্বিতীয় সংখ্যক সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা কাকডোঙা শংকৰদেৱ শিশু নিকেতনৰ সমীপত বৃন্দাবন সমন্বয় ক্ষেত্ৰত অহা ৩০ নৱেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈকে অনুষ্ঠিত হ'ব। এই উপলক্ষে সোমবাৰে লাইখুঁটা স্থাপন কৰা হয়। জ্যেষ্ঠ নাগৰিক সোণাৰাম শইকীয়াই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰাৰ পাছতে লাইখুঁটা স্থাপন কৰে লোক সংস্কৃতিৰ সাধক ৰাজেন মহন্তই। অনুষ্ঠানৰ আগমুহূৰ্তত জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই অনুষ্ঠানৰ আঁত ধৰে প্ৰফুল্ল প্ৰাণ হাজৰিকা আৰু পবিত্ৰ ভূএগ্ৰাই।

# কাতি বিহু

## অসমীয়া জাতীয় জীৱনৰ উৎসৱ

"তুলসীৰ তলে তলে মৃগপহু চৰে
তাকে দেখি ৰামচন্দ্ৰই হৰ ধনু ধৰে।।"

আজি কাতি বিহু। অসমীয়াৰ জাতীয় উৎসৱ বিহু পালন কৰিবলৈ ইতিমধ্যে সাজু হৈছে অসমীয়া ৰাইজ। এই সময়চোৱাত কৃষক ৰাইজৰ ভঁৰাল উদং হৈ থাকে আৰু নানান অভাৱ অনাটনৰ মাজত অতিবাহিত হয় সময়। সেয়েহে অনুষ্টুপীয়াকৈ এই কাতি বিহু পালন কৰা হয়।

অসমীয়াৰ জাতীয় উৎসৱ তিনি বিহুৰ ভিতৰত অন্যতম হৈছে কাতি বিহু বা কঙালী বিহু। আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনাখন কাতি বিহু পালন কৰা হয়। অসমীয়া মানুহৰ এই সময়চোৱাত ভঁৰাল প্ৰায় উদং হৈ থাকে বুলিব পাৰি। আনফালে শালি ধান চপাবলৈ যথেষ্ট সময় থাকে। অভাৱ- অনাটনৰ মাজেৰে এই বিহু অনুষ্টুপীয়াকৈ পতা হয় বাবে সম্ভৱতঃ ইয়াক কঙালী বিহু বুলি কোৱা হয়। এই দিনটোত মানুহে ঘৰে ঘৰে তুলসী ৰুই তাৰ তলত গোটেই মাহটো ভক্তি ভাৱেৰে চাকি বন্তি জ্বলায়। ধাননি পথাৰত চাকি জ্বলাই বা ঘৰৰ চোতালৰ চাৰিওফালে চাকি জ্বলাই শ্ৰীবৃদ্ধিৰ কামনা কৰে।

অৱশ্যে এই বিহুৰ দিনাখন বহুতে আকাশ বন্তিও জ্বলোৱা দেখিবলৈ পোৱা যায়। ঠাই ভেদে বিহুৰ নিয়মো বেলেগ বেলেগ হোৱা দেখিবলৈ পোৱা যায়। বিহুৰ দিনা তুলসীৰ তলত চাকি জ্বলাই নাম- কীৰ্তন কৰি ঘৰে ঘৰে গঁএগা অসমীয়া মানুহে মাহ প্ৰসাদ খায়।

**তাৎপৰ্যঃ**

অভাৱ অনাটনৰ মাজেৰে কাতি বিহু উদযাপন কৰিলেও ইয়াৰ তাৎপৰ্য নোহোৱা নহয়। বিহুক অসমীয়া জীৱনৰ আয়ুসৰেখা বুলি কোৱা হয়। ধৰ্মীয় আচাৰ অনুষ্ঠানেৰে শৰৎ কালৰ এই বিহু শৰতৰ স্নিগ্ধ সুবাসেৰে সমাহিত বুলি কোৱা হয়। শস্যৰ সুৰক্ষা আৰু শ্ৰীবৃদ্ধিৰ বাবে অতীতৰ পৰাই খেতিৰ পথাৰত জুইৰ ব্যৱহাৰ কৰাৰ পৰম্পৰা চলি আহিছে। কালক্ৰমত এই জুইৰ ব্যৱহাৰ মাটিৰ চাকিৰ ৰূপ লৈছে বুলি অনুমান কৰা হয়। কাতি বিহুৰ দিনা প্ৰতিগৰাকী অসমীয়াই ঘৰ দুৱাৰ, আলি- পদূলি পৰিষ্কাৰ কৰি ৰাখে। কোৱা হয়, কাতি বিহুৰ দিনা ঘৰ-দুৱাৰ, আলি- পদূলি চাফা কৰি ৰাখিলে শস্যৰ দেৱী লক্ষ্মী ঘৰলৈ আহে।

**কাতি বিহু পালন কৰাৰ কাৰণঃ**

কাতি বিহুৰ দিনা চোতালৰ আগত বা ভঁৰালৰ কাষৰ মাটিত ঢিপ তুলি তুলসী পুতি চাকি জ্বলোৱা হয়। সমগ্ৰ কাতি মাহটো চহা অসমীয়াই এই তুলসী গছৰ তলত চাকি দিয়ে। সন্ধিয়া ধাননি পথাৰ, ভঁৰাল ঘৰ, ঢেঁকীশাল, গোহালি আদি বিভিন্ন ঠাইত চাকি জ্বলোৱাতো এটা নিয়ম।

শৰতৰ এই সময়খিনিত খেতি পথাৰলৈ বিভিন্ন প্ৰকাৰৰ কীট- পতংগৰ আগমন ঘটে। বিভিন্ন কীট- পতংগ, নিগনি এন্দুৰ আদিৰ পৰা খেতিডৰা ৰক্ষা কৰিবলৈ ৰাইজে চাকি জ্বলায় বুলি বিশ্বাস কৰা হয়। বহুতে অৱশ্যে আকাশ বন্তি জ্বলোৱাও দেখিবলৈ পোৱা যায়। কোৱা হয়, আকাশ বন্তিৰ পোহৰত কীট- পতংগ সমূহ দূৰলৈ গুচি যায়। অসমীয়া লোকবিশ্বাস অনুসৰি, সন্ধিয়া পথাৰলৈ গৈ খেতিডৰাত চাকি দি চাই অহাতো এটা নিয়ম। এনে কৰিলে লক্ষ্মী দেৱী সন্তুষ্ট হয় বুলি এক পুৰাতন বিশ্বাস অসমীয়া মানুহৰ আছ।

মুঠতে ক'বলৈ গ'লে আমি দেখো যে অভাৱ- অনাটনৰ মাজেৰে এইবাৰো অসমৰ ৰাইজে কাতি বিহু পালন কৰিবলৈ সাজু হৈছে। অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে অসম আৰু অসমীয়াৰ বুকু ভাঙি থান বান কৰিছে। হেৰুৱাই পেলাইছে অসমীয়াই হৃদস্পন্দন। হেৰুৱাই পেলাইছে অসমীয়াই মানসিক উছাহ। পূৰ্বৰ দৰে অসমবাসীৰ মাজত নাই কাতি বিহুৰ উলাহ। মৰি যোৱা অসমীয়াই ভগ্ন মন আৰু হৃদয়েৰে কাতি বিহুৰ আনুষ্ঠানিকতা পালনৰ বাবে সাজু হৈছে। মনৰ এনে অকাল দুখবোধৰ মাজেৰে হয়তো প্ৰতি বছৰৰ দৰে এই বাৰো অসমীয়াই কাতি বিহু পালন কৰিব জাতিটোৰ শ্ৰীবৃদ্ধিৰ কামনা কৰি কিন্তু জাতিৰ আয়ুস ৰেখা দেখুৱাবলৈ থকা হিয়াৰ আমঠুটোৰেই নোহোৱা হৈ পৰিল। ইয়াতকৈ জাতিটোক আৰু দুখ দিব কি কথাই।

**অজিত বৰুৱা**

> অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে অসম আৰু অসমীয়াৰ বুকু ভাঙি থান বান কৰিছে। হেৰুৱাই পেলাইছে অসমীয়াই হৃদস্পন্দন। হেৰুৱাই পেলাইছে অসমীয়াই মানসিক উছাহ। পূৰ্বৰ দৰে অসমবাসীৰ মাজত নাই কাতি বিহুৰ উলাহ।

## কাতি বিহু বুলি এটা পৰম্পৰা মাত্ৰহে আছে!

**শৈলেন কুমাৰ**

কাতি বিহু অসমীয়াৰ জাতীয় উৎসৱৰ অন্যতম উৎসৱ। মূলতঃ কাতি বিহু অসমৰ কৃষিকৰ্মৰ লগত জড়িত এটি উৎসৱ। কাতি মাহত খেতিয়কৰ ভড়ালত আকালে দেখা দিয়ে তাৰবাবে কাতি বিহুক কঙালী বিহু বুলিও কোৱা হয়। কাতি বিহুত পথাৰত কৃষক ৰাইজে আকাশবন্তি, চাকি জ্বলাই অপায়অমঙ্গল দূৰ হবলৈ প্ৰাৰ্থনা কৰে। অসমীয়াৰ চতালত কলগছৰ পুলিৰ লগতে তুলসী ৰোপণ কৰি লোকগীত গায় "তুলসীৰ তলে তলে মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে" কাতি বিহুৰ লগত সংগতি ৰাখি যেতিয়া ৰামচন্দ্ৰক স্মৰণ কৰা যায় তেতিয়া এই বিহুৰ লগত আধ্যাত্মিক দিশ এটাও যে জড়িত হৈ আছে তাৰে উমান পোৱা যায়। ৰামচন্দ্ৰ যেতিয়া চৈধ্য বছৰ বনবাসত আছিল তেতিয়া ৰাৱণে ৰামৰ অৰ্ধাংগিনী সীতাদেৱীক হৰণ কৰিবলৈ মোমায়েক মাৰিছ ৰাক্ষসক মৃগ পহুৰ ৰূপ ধৰিব কৈছিল সীতাদেৱীক আকৰ্ষিত কৰিবলৈ। আনহাতে সোণৰ মৃগ পহু দেখি সীতাদেৱী আকৰ্ষিত হোৱাত সোণৰ মৃগ পহু ৰামচন্দ্ৰক আনি দিবলৈ বাধ্য কৰাইছিল। ৰামচন্দ্ৰই সীতাদেৱীৰ আদেশ অবজ্ঞা নকৰি সোণৰ মৃগ পহু ধৰিবলৈ হাতত হৰধনু ধৰিছিল। তাৰপাছত সীতাদেৱীৰ উচ্চাকাংক্ষাৰ পৰিণতি কি হৈছিল সকলোৰে জ্ঞাত। ঠিক তেনেদৰে আজিৰ সময়ত যদি আমি বিশ্লেষণ কৰি চাওঁ আমিও জানো সোণৰ মৃগ পহুৰ পাছত ঘূৰি ফুৰি থকা অনুভৱ হোৱা নাই নে? অতি উচ্চাকাংক্ষাৰ কবলত পৰি আমি সৰ্বস্ব হেৰুওৱাৰ উপক্ৰম হোৱা নাই নে? উচ্চাকাংক্ষাবোৰ হ'ল আমাৰ লোভ, অহংকাৰ, হিংসা, ঈৰ্ষা, স্বাৰ্থলোভী মনোবৃত্তি, শ্ৰেষ্ঠতাৰ দৌৰত আমি বিকলাংগ। বৰ্তমান সময়ত কাতি বিহু বুলি এটা পৰম্পৰা মাত্ৰহে আছে কিন্তু পথাৰ আৰু চোতাল ক'ত আছে? পথাৰবোৰে এতিয়া উদ্যোগ কলকাৰখানাত ৰূপান্তৰিত হৈছে। উচ্চাকাংক্ষাৰ দৌৰত আজি আমি সৰ্বস্ব হেৰুওৱাৰ পথত। আজিৰ অসমীয়াই সহজ পথেৰে ধন অৰ্জন কৰিব বিচাৰে, খেতিপথাৰত কষ্ট কৰি খেতি কৰাটো সপোনৰ অগোচৰ। পথাৰ আৰু চোতাল নহোৱা আজিৰ অসমীয়াই অসমৰ জাতীয় উৎসৱ কাতি বিহুটোক পৰম্পৰা ৰক্ষাৰ বাবেহে পালন কৰে। অৱেশ্যে অসমৰ কিছুকিছু ভিতৰুৱা গ্ৰাম্য জনজীৱনত আজিও কাতি বিহুৰ স্বকীয়তাৰ পূৰ্ণ আভাস পোৱা যায় যদিও মূলসুঁতিৰ পৰা আমি ফালৰি কটা যেন অনুভৱ হয়।

## কঙালীৰ আশাৰ বন্তিগছি

**কল্যাণী গগৈ(মুনু)**

আঘোণ মাহৰ পিছতেই কাতি পালেহি
ভঁৰালত ধান নাই যদিও,
উলহ-মালহেৰে আহিছে আজি
হেঁপাহৰ কঙালী বিহুটি।

শৰতৰ সন্ধিয়াটি আজি অতি বিতোপন
আঘোণৰ ধাননি পথাৰবোৰ আজি
সোণগুটিৰে ভৰি পৰিছে,
আঘোণৰ পথাৰত সোণালী শস্যবোৰ
কীট পতংগৰ পৰা বচাবলৈ
চাকিৰ পোহৰে আকাশ উজ্জ্বলি উঠিছে।

ঘৰৰ পুব দিশত ৰোৱা তুলসীৰ তলত
চাকিৰ পোহৰ উঠিছে উজ্জ্বলি,
শৰৎ নিশাৰ আজি মুক্ত আকাশত
জিলিকি ৰৈছে আকাশ বন্তি।

মুকলি আকাশৰ অ'ত-ত'ত
শুকুলা ডাৱৰৰ ৰেঙনি
হৃদয়ৰ কোণত জীয়াই,
আকুণ্ঠিত হিয়াৰ অলেখ সপোন
হেঁপাহৰ আচ্ছাদনত লুকাই যায়।

এফালে শৰতৰ শেৱালীৰ সুকোমল সুবাস
আৰু আনফালে কাতিৰ আগমন,
নীলা আকাশৰ তলত আকৌ জিলিকিব
মোৰ আশাৰ বন্তিগছি,
পূৰণ হ'ব মোৰ দেউতাৰ দৰে
হাজাৰ কৃষকৰ সপোন ..
আৰু আমি সবে মিলি
নতুন দিগন্তৰ বাটত খোজ পেলাম
কৰি সুখৰ সন্ধান।।



## অসমীয়াৰ লক্ষ্মী আইৰ পূজা, কাতিবিহু

**প্ৰমোদ দোৰনীয়া**

ধাৰত বিহুৰ সৃষ্টি। সেইয়ে, বিহু আজি কোনোবা বিশেষ এক সম্প্ৰদায়ৰ বা জাতি - জনগোষ্ঠীৰ উৎসৱ হৈ থকা নাই। বিহু আজি বাৰেৰহনীয়া ৰঙৰ এক সম্মিলিত সমন্বয়ৰ সংস্কৃতি। ইয়াত কোনে জাত-পাত, উচ্চ-নীচ, বামুণ- শূদীৰ, ধনী-দুখীয়া, ক'লা-বগা বুলি বেলেগ ভেদা-ভেদ ভাগ নাই। বিহুত সকলোৰে ভাগ ল'ব পাৰে আৰু লয়ো।

ব'হাগ বিহুৰ কথা যেহেন-তেহেন; কাতি বিহু আৰু মাঘ বিহু কিন্তু অসমৰ প্ৰতিটো চুকে-কোণে আছিল অতিজৰে পৰা। কাৰণ, কাতি আৰু মাঘ বিহুত ধৰ্মীয় পৰম্পৰা, বিশ্বাস-অবিশ্বাস, সাংস্কৃতিক, আধ্যাত্মিকতা সকলো আছে।

কাতিবিহুক কঙালী বিহুও বোলে। কঙাল বা কঙালী শব্দৰ অভিধানিক অৰ্থ হ'ল—বিণ. যাৰ একো নাই, নিঃস্ব ( আধুনিক অসমীয়া অভিধান , অসম প্ৰকাশন পৰিষদ, পৃষ্ঠা-৭৭. ।) বাকী আসমীয়া ভাষাৰ দাপোন স্বৰূপ 'হেমকোশ' (নতুন সংস্কৰণ) আৰু আধুনিক অসমীয়া শব্দকোষ, (অসম সাহিত্য সভাৰ দ্বাৰা পুনৰীক্ষিত আৰু অনুমোদিত) অভিধান দুখনত মই এই কঙাল বা কঙালী শব্দটো নেদেখিলো। আন কোনোবা অভিধানত আছে যদি নেজানো।

তাহানিতে বছৰৰ বাৰমাহ নামৰ কবিতা এটাত পঢ়িছিলো, বোলে—

বছৰত বাৰ মাহ শুনা ল'ৰাহঁত,
বছৰৰ আগমাহ বিহু ব'হাগত।
তাৰ পাছত জেঠমাহ বৰখৰ টান,
ৰ'দ আৰু পিয়াঁহত আতুৰ পৰাণ।
আহাৰত ষাট লাগে ভৰ বাৰিষা,
শাওণত বৰষুণ দিয়ে ধাৰাসাৰ।
খেতি বাতি ভৰপক আম কঠালৰ,
ভাদত জানিবা তিথি মহাপুৰুষৰ।
আহিনত ৰোৱা শেষ কুঁৱলি কাতিত,
আঘোনত পকা ধান পথাৰ শোভি।
পুহমাহ জাৰ কালি ধৰে ঠেতুৱাই,
মাঘত ভোগালী বিহু খেতি চপাই।
ফাগুনত দিন জাৰ বতাহ সদায়,
চ'ত মাহৰ শেষ বছৰ বিদায়।

ক্ষমা কৰিব কবিগৰাকীৰ নামটো পাহৰিলোঁ। কবিতাটোত কবিয়ে অসমৰ প্ৰতিটো মাহৰ লগত থকা প্ৰাকৃতিক সম্পৰ্কৰ নিৰ্মোঘ বিশ্লেষণেৰে অসমীয়া মানুহক জনাই দিছে কোনটো মাহত কি হয়। যদিও কবিতাটোত কাতি বিহুৰ কথা উল্লেখ নাই। বাকী সকলোবোৰেই আছে। আহিন মাহত ৰোৱা গাভি হয়। সেয়েহে হয়তু ডাক পুৰুষে কৈছিল— 'তিনি শাওণে পাণ, একে আহিনে ধান'। সঁচাকৈয়ে আহিনৰ ঢলে ধাননি ডৰাক গাভি কৰে, তেলেতীয়া কৰি তোলে। সেয়েহে অসমীয়া মানুহে আহিনত হোৱা বাৰিষাৰ বৰষুণৰ পানীৰ ঢলক কয় বোলে— এই ঢল, ঢল নহয় তেলপানীহে। ভদীয়া ৰোৱাক এই বাঢ়নী পানীয়ে চঞ্চলা-চপলা কৰি তোলে। তাৰ পাছত কাতি মাহ। আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা কাতি বিহু। আহাৰ-শাওণত— গুৰুক লগাম, ভকতক লগাম, গছৰ চৰাই -চিৰিকটীয়ে খাই বাকী থকাখিনি আমি ঘৰে-ঘৰোৱাহে খাম, জীম, ল'ৰা-ছোৱালীক মানুহ কৰিম। কাতি মাহত ধানে গেঁৰ মেলে। কাতি বিহুৰ দিনা পুৱাতেই উঠি গা-পা ধুই, চাহ-জলপান এমুঠি খায় গৃহস্থই পথাৰলৈ খেতি চাবলৈ যায়। পথাৰৰ জহা, বৰা, চকোৱা ধানৰ মলমলিয়া গোন্ধে কৃষকৰ মন পৰশাই তোলে। মুখে মিচিকিয়াই। যিবিলাক পথাৰত পানী বন্ধ হৈ থাকে সেইবিলাক পথাৰৰ পানী যাবলৈ পথাৰৰ আলিৰ লোৰ বিলাক খুলি দিয়ে। যাতে আঘোনত ধান ডাবৰ বেলিকা পথাৰ শুকান হয়। খেতি-খোলাত, গেঁৰমেলা ধানত পোক-পৰুৱাই যাতে অনিষ্ট কৰিব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখি আৱশ্যকমতে চৰাই পৰি যাতে সেই পোক-পৰুৱা খাই খেতি দৰাক ৰক্ষা কৰে সেই নিমিত্তে খেতিডৰাৰ মাজে মাজে বাঁহৰ জেং গোজি দিয়ে। উল্লেখযোগ্য যে কাতি বিহুৰ দিনা খেতি চাবলৈ কোনো কাৰণতে তিৰোতামানুহ যোৱা নিয়ম আমাৰ ফালে নাছিল আৰু আজিকালিও নিশ্চয় নাই। কাৰণ, বিহুৰ দিনা তিৰোতামানুহ খেতি চাবলৈ যোৱাটো লক্ষ্মীচেৰা কাম বুলি আমাৰ বৌ-পিতায়ে কৈছিল। আজিৰ নিচিনাকৈ কোনো কাৰণতে ধানৰ থোক চিঙি আনি লক্ষীপুজাৰ নামত বজাৰত বেচা নিয়মো নাছিল। ইয়ো লক্ষ্মীচেৰা কামেই নিশ্চয়। বিহুৰ দিনা সন্ধিয়ালৈ অসমীয়া মানুহে খেতি ডৰাক পোক-পৰুৱাৰ পৰা ৰক্ষা কৰিবলৈ বুলি আই লক্ষ্মীৰ নামত পথাৰত, গোহালীঘৰত, ভঁৰালত, তামোল-পাণৰ বাৰীত আৰু ৰান্ধনী ঘৰত মিঠাতেলৰ চাকি বন্তি জ্বলায়। আই লক্ষ্মীক আদৰণি জনায়। পুজা কৰে। কাৰণ, অসমীয়া মানুহৰ কাতি বিহুটোৱেই হ'ল আচল লক্ষ্মী পূজা। বেলেগ লক্ষ্মী পূজা নাই। বিহুৰ দিনা ভাত নেখায়, জা-জলপান খায়ে থাকে।

উল্লেখযোগ্য কথা যে আহিন আৰু কাতিমাহৰ সময়চোৱাত অসমীয়া মানুহৰ ভঁৰাল উদং হয়। বহুতৰ ঘৰত খুদকণ এটাও নেথাকে। সেইয়ে কাতিবিহুৰ আন এটা নাম কঙালী বিহু। জা-জলপান, পিঠা-পনাৰ উলহ-মালহ কাতিবিহুত নাই। সেয়ে যি যেনেকৈয়ে পাৰে বিহু পাতে। এই কাতিবিহুৰদিনাৰ পৰাই খেতিয়কে ঘৰ-চোতাল চফা-চিকুন কৰে। বিষ্ণু পত্নী লক্ষ্মীৰূপী তুলসীক আদৰণি জনায়। সকলোৰে চোতালৰ আগত তুলসীপুলি ৰুই তাৰ কাষত আটকধুনীয়াকৈ তুলসী ভেটি সাজে। সন্ধিয়াপৰত কণকণ মইনা-মইনীহঁতে এই তুলসীপুলিটোৰ তলত চাকী-বন্তী জ্বলায় মাহ-প্ৰসাদ আগবঢ়াই সেৱা জনায় আৰু স-ভক্তিৰে গায়—'তুলসী তলে মৃগপহু চৰে তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে'। এইয়া পৰম্পৰাগতভাৱে পূৰ্বাপৰ প্ৰচলিত হৈ অহা আই লক্ষ্মীৰ প্ৰতি আগবঢ়োৱা ভক্তি অঞ্জলি। কোনো কাৰণতে তুলসীৰ তলত ঢোল, তাল, মৃদং, খোল, নেগেৰা বা নাগাৰা বজায় হৰিনাম বা দিহানাম বা টোকাৰীনাম গোৱা নহয়। বুঢ়া হ'লোহি এইবোৰ দেখা বা শুনা মনত নপৰে। অঁ, খেনোৱে নিজা ৰবীয়াকে লক্ষ্মী চৰিত পাঠ নকৰা নহয়। আঘোনত পথাৰৰ আই লখিমীক আনি ভঁৰালত সুমুৱাবলৈ ভঁৰালঘৰ, খেৰৰ ঘৰ আদি মেৰামতি কৰি লোৱাৰ সময়ো এই কাতিমাহেই।

উল্লেখযোগ্য যে অসমীয়া কৃষকে আই লক্ষ্মীক আদৰণি জনায় আঘোন মহীয়া তিনিটি ধানৰ মুঠি মুৰত লৈ আনি ভঁৰালত আগত থয়হি আৰু লক্ষ্মী আইক আনে খেতি সামৰণিত পুনৰ তিনিটি মুঠি আনি। এইয়াই নিয়ম পৰম্পৰা। অসমীয়া মানুহে কোনো কাৰণতে যধে-মধে অকাৰণত ধানৰ থোক নিচিঙে বা নেকাটে । এইবোৰ লক্ষ্মীচেৰা কাম।

কাতি বিহুৰ দিনা সন্ধিয়া আকাশবন্তী জ্বলোৱা নিয়ম খেনো খেনো ঠাইত আছে। খেনো ঠাইত আকৌ গাঁৱৰ ৰাইজ একগোট হৈ হাতত ভোৰতাল লৈ নাম গাই গাই ইঘৰ সিঘৰ ফুৰে। তুলসীৰ তলত বহি মাহ-প্ৰসাদ খায়। খেনো খেনো ঠাইত আকৌ তিৰোতাবিলাকে কাতিবিহুৰ দিনা দুপৰীয়া পথাৰলৈ গৈ ৰবাব টেঙা কাটি খোৱাটো নিয়ম। এইবিলাক লোককৃষ্টি। ঠাইভেদে ইয়াৰ উদযাপনৰ নীতি-নিয়ম বেলেগ। কিন্তু, এটা কথা ঠিক যে অসমৰ সকলো ঠাইতে কাতিবিহুৰ দিনা চোতালৰ আগত তুলসীপুলি ৰুই তাৰ তলত চাকী-বন্তী জ্বলায় পুজা-সেৱা কৰা নিয়মটো সকলো ঠাইতে একে। অসমীয়া মানুহে কাতিবিহুৰ দিনা চোতালত তুলসীপুলি ৰোৱাৰো কাৰণো নোহোৱা নহয়। তুলসী হ'ল ভগৱান বিষ্ণুৰ পত্নী লক্ষ্মী আইৰ অংশ। সেয়েহে হিন্দুসকলে তুলসীক পূজা কৰে। তুলসী প্ৰদুষণ নাশক। ঘৰত তুলী থাকিলে বায়ু প্ৰদুষণ ৰোধ হয়। আয়ুৰবেদৰ মতে তুলসী সকলো ঔষধৰ মূল। তুলসীৰ মালা দৰা-কইনাৰ মূৰত পিন্ধোৱা হয় কাৰণ তুলসী বিষ্ণুপত্নী মংগলময়ী লক্ষ্মী। বিপদ কালৰ ৰক্ষক। সেইয়েহে, তুলসীক গৃহ লক্ষ্মী হিচাপে পূজা কৰা হয়।

কাতিবিহুৰ দিনা সন্ধিয়া চাকি-বন্তী জ্বলোৱাটো অসমীয়া মানুহৰ পূৰ্বাপৰ নিয়ম। চাকি জ্বলাবই লাগিব বুলি কোনো ধৰা-বন্ধা নিয়ম নাই। জ্বলাবও পাৰে নজ্বলাবও পাৰে। কথাতে নকয় জানো বোলে —বিস্বাসে মিলয় হৰি তৰ্কে বহুদূৰ। বিশ্বাসত সকলো ওচৰ চাপি আহিব , বিতৰ্কই নিলগাই নিব।

এইখিনিতে এটা কথা কৈ যাওঁ যে— আজিকালি বেচিভাগ মানুহৰে কৃষিকৰ্মৰ লগত কোনো সম্বন্ধ নাই। গতিকে, তেখেতসকলে কাতিবিহুৰ মহত্ব আৰু তাত অন্তৰ্নিহিত আধ্যাত্মিকতা টিভিৰ পৰ্দাত ওলোৱাৰ বাবে পজ দিয়াতকৈ আৰু কিমান গভীৰলৈ উপলব্ধি কৰিব পাৰিব সি সন্দেহজনক।

শেষত কোনোবা শিল্পীৰ ভাষাৰে কওঁ সন্ধ্যা যেতিয়া তুলসীৰ তল, এগচি চাকিয়ে পোহৰ কৰে -শত যোৱানলৈ মোৰ মনত পৰে'।

## শেৱালিৰ সুবাস

কাতি মানে চহা কৃষকৰ
বৰ সংকট তথা দুখৰ দিন
কাতি মানে কঙাল
তলি উদং ভঁৰাল
বৰ আকাল বৰ আকাল
মুখে মূৰে হাত থৈ চিন্তাত
বিভোৰ কৃষক ৰাইজ।
তথাপিও মোৰ আপোন মানুহ আশাবাদী
ভাল দিন আহিব বুলি আকোৰগোজ।
কাৰণ আহিনে কাণে কাণে কৈ গৈছিল
চিন্তিত নহ'বা সঁজাল ধানৰো আছে
সেউজীয়া অহংকাৰ।
সেয়েহে আহিন-কাতিৰ দোমাহীত
শস্যশালী হোৱাৰ মানসেৰে
অসমীয়া সমাজে পথাৰ, তুলসীতল
ঘৰে-বাহিৰে বন্তি জ্বলাই
মাহ-প্ৰসাদ ঈশ্বৰৰ চৰণত আগবঢ়ায়
উলহমালহেৰে পালন কৰে কাতি বিহু।

**বলিন বৰদলৈ**

## অদেয় অতীজ

**ড° পংখী প্ৰিয়া শৰ্মা**

সন্ধিয়া চিটি ক্লাবত নৰেন আৰু প্ৰভাতক বহি থকা দেখি গৌৰীনাথ আগবাঢ়ি গ'ল।

"নৰেন, সঁচাকৈ কোৱা, আজি তোমাৰ গাঁৱলৈ মনত পৰা নাইনে?"গৌৰীনাথে সুধিলে।

"কিয়?"

"এই কিয়ৰ উত্তৰটো তুমি ভালকৈয়েই জানা।"

ৰাতিলৈ নৰেনৰ তীব্ৰ জ্বৰ।শুবলৈ লৈ তীব্ৰ জ্বৰৰ চেতন -অচেতন অৱস্থাত নৰেনে মনঃচক্ষুত দেখা পালে প্ৰাণৱন্ত, সূৰ্যসম উজ্জ্বল ব্যক্তিত্বৰ অধিকাৰী এগৰাকী নাৰীক।নাৰীগৰাকীক আগুৰি চিনাকি চোতালখনত এজাক এমাডিমা শিশু। নাৰীগৰাকী একান্তমনেৰে মাহ - প্ৰসাদ ভাগ কৰাত ব্যস্ত।গাঁৱৰ উৰুখা ঘৰবোৰ পোহৰাই জোনাক নামি আহিছিল। নাৰীগৰাকীয়ে ল'ৰা - ছোৱালীহঁতক উদ্দেশ্যি ক'লে, "ভাল সংস্কাৰবোৰ নষ্ট নকৰিবা।"

নৰেন বাস্তৱলৈ উভতি আহিল। ডিঙি শুকাই গৈছে। পানী এগিলাছ খোৱাৰ তীব্ৰ ইচ্ছা জাগিল। সমান্তৰালভাৱে কান্দোনজাক অনুচ্ছ সুৰত ওলাই আহিল — "আই ক'ত ? সেউজীয়া গাঁওখন শুকাই গ'ল! এতিয়া চোতালবোৰ কংক্ৰিটৰ হ'ল। তালপাতৰ বিচনী, ঢাৰি - পাটী,এবাহ এমাডিমাৰ কাকলিৰে মুখৰ হৈ থকা চোতালবোৰ সাধুকথা হ'ল। বিহু প্ৰতিবছৰেই আহে, কিন্তু আই নাই।আইৰ কাষত বহি থকা ল'ৰা -ছোৱালীবোৰ নক্ষত্ৰ সামৰাৰ দৌৰত ভীষণ ব্যস্ত।..." খিৰিকীৰ পৰ্দা আঁতৰি জিলিকি থকা পহিলা কাতিৰ আকাশখনত নৰেনৰ দৃষ্টি নিৱদ্ধ হ'ল।আকাশখনত তৰাৰ সেওঁতা।গালেদি বৈ অহা চকুপানীখিনি মোহাৰি সি উপলব্ধি কৰিলে, সঁচাকৈয়ে সি বৰ অকলশৰীয়া।

## অসমীয়া সমাজ জীৱনত কাতি বিহু আৰু ইয়াৰ তাৎপৰ্য

অসমীয়াৰ বাপতি সাহোন, জাতীয় কৃষ্টি তিনিটি বিহুৰ এটি হৈছে কঙালী বিহু বা কাতি বিহু। এই কাতি বিহুৰ সময়ত সকলোফালে কঙাল হয় অৰ্থাৎ বস্তুৰ আকাল হয় বাবেই কাতি বিহুক কঙালী বিহু বুলি কোৱা হয়। অসমীয়া সমাজ জীৱনত কাতি বিহুৰ গুৰুত্ব অপৰিসীম। আহিন - কাতিৰ এই সময়ছোৱাত সেউজীয়া সোণগুটিয়ে গেঁৰমেলে। কুঁৱলীৰ মাজেৰে প্ৰকৃতিয়ে সেউজীয়াৰ আঁচল মেৰিয়াই শস্যসম্ভৰা হয়। দূবৰিয়ে বুকুত নিয়ৰৰ মুকুতা পিন্ধে। সময়ৰ লগে লগে আগবাঢ়ে প্ৰকৃতি। চৌপাশে লখিমীক আদৰাৰ আগজাননী।

আহিন -কাতিৰ দোমাহীৰ দিনা গোঁসাই ঘৰ, তুলসীৰ তল, ধাননি পথাৰ, পদূলিমুখত, ভঁৰালত সকলোতে চাকি বন্তি জ্বলোৱা হয়। উদ্দেশ্য এটাই লখিমী মাতৃক আদৰা। হাড়ক মাটি কৰি, তেজক পানী কৰি, মূৰৰ ঘাম মাটিত পেলাই উৰ্বৰা কৰা ধাননি পথাৰখন ঘৰৰ গৃহস্থই চাই আহি, জ্বলোৱা চাকিগছিত শস্য নষ্টকাৰী পতংগবোৰ জাহ যাবলৈ দিয়া হয়। তুলসী এবিধ পবিত্ৰ আৰু ঔষধি উদ্ভিদ। তুলসী গছ থাকিলে বায়ু বিশুদ্ধ হৈ থাকে। দিনতেই নতুন তুলসীপুলি এটি ৰুই, তুলসীৰ ভেঁটি স্থাপন কৰি তাত সন্ধিয়া এগছি চাকি জ্বলোৱাটো আমাৰ অসমীয়া সমাজৰ পৰম্পৰা। তুলসীৰ তলত বুট, কল, কুঁহিয়াৰ, নাৰিকল, ৰবাব আদি দি গুৱা-পাণৰ লগতে এখনি শৰাই আগবঢ়োৱা হয়। সৰু সৰু ল'ৰা-ছোৱালীৰ মাজত এয়া ভগাই দিয়া হয়। তুলসী বিষ্ণুৰ এগৰাকী পত্নীৰ নাম। পিছৰ জন্মত পৃথিৱীত তুলসীৰ জন্ম লৈছিল। সেই তুলসী মাতৃকে আমি চাকি বন্তি জ্বলাই, প্ৰাৰ্থনা কৰি প্ৰণাম জনাও। প্ৰতিঘৰ মানুহৰ ঘৰত এজোপা তুলসী গছ থকাটো হিন্দু সমাজৰ পৰম্পৰা। সৰুতে আমি নিয়মৰ ভিতৰত পৰিলেও নপৰিলেও কাতি বিহুত প্ৰতি বছৰে নিজে অধ্যয়ন কৰা ওচৰৰ প্ৰাথমিক বিদ্যালয়খনত এগছি চাকি প্ৰজ্বলন কৰি প্ৰাৰ্থনা কৰোঁ।

জাতীয় জীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে পৰম্পৰাসমূহ জড়িত হৈ থাকে। গধূলি পথাৰত চাকি জ্বলাওঁতে ওখ বাঁহৰ জোঙত কল পচলাৰ একোডোখৰ লগাই তাত মাটিৰ চাকি, অমিতা নতুবা ঔ-টেঙাৰ চাকি জ্বলায়। বছৰটোৰ কুশল কামনা কৰি তুলসী মাতৃক পূজা কৰা হয়।

**প্ৰগতি গগৈ চাংমাই**



## কাতি মাহৰ তত্ত্ব

**ললিত নাথ**

শৰৎ আৰু হেমন্ত ঋতুৰ সন্ধিক্ষণত কাতি মাহ। সূৰ্যই যেতিয়া কন্যা ৰাশিৰ পৰা অগ্ৰসৰ হৈ তুলা ৰাশিত প্ৰৱেশ কৰে, তেতিয়াই কাতি মাহৰ সংক্ৰান্তি বা কৰ্কট সংক্ৰান্তি আৰম্ভ হয়। সাধাৰণতে, যি চান্দ্ৰমাহ কৃতিকা নক্ষত্ৰৰ পূৰ্ণিমা তিথিত শেষ হয়, সেই চান্দ্ৰমাহকেই কাতি মাহ বুলি কোৱা হয়। বিভিন্ন পুৰাণৰ মতে, এই মাহত কুমাৰ কাৰ্তিকে তাৰকাসুৰক বধ কৰিছিল আৰু কাৰ্তিকৰ শৌৰ্য আৰু পৰাক্ৰমৰ আদৰ্শৰূপে মাহটোক 'কাৰ্তিক' নামেৰে অভিহিত কৰা হৈছে। কাৰ্তিক হৈছে শিৱ আৰু পাৰ্বতীৰ পুত্ৰ আৰু তেওঁক মহাপৰাক্ৰমী যোদ্ধা বুলি গণ্য কৰা হয়।

হিন্দু ধৰ্মশাস্ত্ৰৰ মতে কাতি মাহক অতি শুভ আৰু পৱিত্ৰ মাহ হিচাপে গণ্য কৰা হয়। পুৰাণত উল্লেখ কৰা মতে বিষ্ণুদেৱ এই মাহত নাৰায়ণ ৰূপে জলত অধিষ্ঠান কৰে।

সেয়ে, কাতিৰ কৃষ্ণ প্ৰতিপদৰ পৰা পূৰ্ণিমালৈকে সূৰ্যোদয়ৰ আগতে নিয়মিত নদী বা পুখুৰীত স্নান কৰিলে শাশ্বত পুণ্য লাভ হয়। এই মাহত জপ, তপ, ব্ৰত, আৰু সাধনা কৰাটো ভক্তসকলৰ মাজত বিশেষভাৱে প্ৰচলিত। কাতি মাহতে কত্যায়িনী ব্ৰত পালন কৰা হয়। শ্ৰীমদ্ভাগৱতৰ দশম স্কন্ধৰ দশম অধ্যায়ত কত্যায়নী ব্ৰতৰ উল্লেখ পোৱা যায়। শ্ৰীকৃষ্ণক পতিৰূপে পাবলৈ গোপীসকলে কঠোৰ কত্যায়নী ব্ৰত পালন কৰিছিল। গংগা স্নান আৰু বন্তি জ্বলোৱা এই মাহৰ এক বিশেষত্ব। এই মাহত স্নান আৰু দান কৰিলে বহুগুণে শুভ ফল পোৱা যায়।

এই মাহতে কৰোৱা চৌথ, ধনতেৰাচ, নৰক চতুৰ্দশী, দীপাৱলী আদি উৎসৱসমূহ পালন কৰা হয়। আমাৰ অসমতো অভাৱ অনাটনৰ মাজতে অনুষ্টুপীয়াকৈ কাতি বিহু অনুষ্ঠিত কৰা হয়। কাতি মাহে মানুহৰ মন সংযমী আৰু শ্ৰদ্ধা ভক্তিৰে ভৰাই তোলে। কাতি বিহুৰ আটাইতকৈ মনোৰম আকৰ্ষণ হ'ল তুলসী তলতৰ অনুষ্ঠানটো। আধ্যাত্মিক নীতি নিয়মৰ আধাৰত ধূপ-ধূনা জ্বলাই তুলসী দেৱীৰ গুণানুকীৰ্তন কৰা হয়। তুলসী হিন্দুসকলৰ পৱিত্ৰ বৃক্ষ। কাতি বিহুত সেয়েহে ঘৰৰ চোতালত তুলসী পুলি ৰুই মচি-কাচি সন্ধিয়া এই তুলসীৰ তলত চাকি জ্বলাই। তুলসীৰ গুৰিত নানান উপকৰণেৰে নৈবেৰ্দ্য আগবঢ়োৱা হয়। ভঁৰাল ঘৰ, ধাননি পথাৰ, গোঁহালি ঘৰ, ঢেঁকীশাল আদিতো মাটিৰ চাকি প্ৰজ্বলন কৰা হয়। সেই দিনা হৰিনামৰ ধ্বনিয়ে অসমৰ আকাশ-বতাহ মুখৰিত কৰি ৰাখে। পথাৰত জ্বলোৱা চাকিত জাক জাক কীট-পতংগ জাহ যায়।

> কাতিৰ কৃষ্ণ প্ৰতিপদৰ পৰা পূৰ্ণিমালৈকে সূৰ্যোদয়ৰ আগতে নিয়মিত নদী বা পুখুৰীত স্নান কৰিলে শাশ্বত পুণ্য লাভ হয়। এই মাহত জপ, তপ, ব্ৰত, আৰু সাধনা কৰাটো ভক্তসকলৰ মাজত বিশেষভাৱে প্ৰচলিত। কাতি মাহতে কত্যায়িনী ব্ৰত পালন কৰা হয়।

ড° লীলা গগৈদেৱে লিখিছে- "তুলসী পূজাৰ পৰা লক্ষ্মী লাভ হয়। এপিনে পথাৰত ধান চাবলৈ গৈ আনপিনে সন্ধিয়া তুলসীৰ তলত এগছি চাকি দিয়া আদৰ্শই ধানৰূপা লক্ষ্মীৰ বৃদ্ধিৰ কামনাকেই সূচায়। কৃষিৰ পৱিত্ৰতা আৰু দেৱত্ব স্বীকাৰ কৰে।"

কাতিমাহ অভাৱ অনাটনৰ সময়। সেয়ে কাতি বিহুত নাই কোনো জাকজমকতা আৰু আড়ম্বৰপূৰ্ণ পৰিৱেশ। এই সময়ত মানুহ শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল হৈ পৰে। অনেক দুশ্চিন্তাই মানুহৰ মন ভাৰাক্ৰান্ত কৰি তোলে। কঙাল অৱস্থাৰ মাজতেই উদযাপিত হোৱাৰ বাবেই হয়তো মানুহক সংযমী আৰু নীতিনিষ্ঠ কৰি ৰাখবলৈকে কাতি বিহুৰ লগত ধৰ্মীয় আৰু আধ্যাত্মিক ভাৱাবেগ জড়িত হৈ পৰিল আৰু ৰঙালী বিহু আৰু ভোগালী বিহুৰ বিপৰীতে কাতি বিহু হৈ পৰিল স্নিগ্ধ, শান্ত, সাত্বিক আৰু পৰমাৰ্থিক। কাতি বিহুৰ মূল উদ্দেশ্য লক্ষ্মীদেৱীক আৰাধনা কৰি পূজা কৰা। তেতিয়া কীট-পতংগ, ৰোগ-ব্যাধি আৰু প্ৰতিকূল বতৰৰ পৰা শস্য ৰক্ষা পৰে। বিহু আৰু কৃষি ওতঃপ্ৰোতভাৱে জড়িত। সেয়ে কৃষি সংস্কৃতিৰ লগত সংপৃক্ত হৈ আছে কাতি বিহুৰ পৰম্পৰা আৰু লোকবিশ্বাস। অসমীয়া মানুহৰ জাতীয় জীৱনক কাতি বিহুৰ লোকাচাৰসমূহে ধৰ্মীয় তথা আধ্যাত্মিক চেতনাৰে জাগৃত কৰি ৰাখিছে। কৃষি উৎসৱ, খেতি- বাতি সম্পৰ্কীয় তথা আধ্যাত্মিক বিশ্বাসৰ সৈতে কাতি বিহুৰ নিবিড় যোগসূত্ৰ আছে। কাতি বিহুৰ দিনা প্ৰতিঘৰ অসমীয়া মানুহেই ঘৰ-দুৱাৰ, আলি-পদূলি, চোতাল চাফা কৰি চৰু-হাড়ি ধুই পৰিষ্কাৰ হয়। পৰিষ্কাৰ-পৰিচ্ছন্ন হলেহে শস্যৰ অধিষ্ঠাত্ৰী দেৱী গৃহস্থালি ঘৰত প্ৰৱেশ কৰে বুলি বিশ্বাস। অসমৰ লোক-সংস্কৃতিৰ গৱেষক ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে কৈছে- "আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা খেতি-বাতিৰ মংগলৰ কাৰণে বিবিধ বিধি -বিধান পালন কৰা হয়। সেইদিনা আলু-কচু আৰু ভেঁট-শেলেকু খোৱাৰ নিয়ম। তুলসীৰ তলত বন্তি লগাই নাম গায়, ভঁৰালৰ গুৰিত বন্তি জ্বলোৱা হয়।"

"কাতি মাহত আকাশ বন্তি জ্বলাই শাৰী শাৰী
আঘোণ মাহত সোণালী ধান থাকে পথাৰ ভৰি"

শৈশৱৰ স্মৃতি বিজৰিত উক্ত কবিতা ফাঁকিয়ে আমাক আজিও নষ্টালজিক কৰি তোলে আৰু মনত পেলাই দিয়ে জাতীয় জীৱনৰ প্ৰাণৰ উৎসৱ কাতি বিহুত জ্বলোৱা আকাশবন্তিৰ কথা। আকাশবন্তিৰ পোহৰত পূৰ্বপুৰুষসকলৰ আত্মাই সদ্‌গতি পায় আৰু তেওঁলোকে সুমতি প্ৰদান কৰে। কাতি বিহুত গাঁৱৰ নামঘৰত ভকত বৈষ্ণৱে নাম-প্ৰসংগ কৰে। এই কাতি বিহুৰ দিনাৰ পৰাই গোটেই কাতি মাহটো তুলসীৰ তলত চাকি জ্বলোৱা হয়। হিন্দু দৰ্শন মতে কাতি মাহটো এক পৱিত্ৰ মাহ। কাতি মাহত দেৱ-দেৱীসকলে সাৰ পাই। সেয়েহে কাতি বিহুৰ দিনাৰ পৰাই মানুহৰ মন ধৰ্মীয় চিন্তা-চেতনাত নিমগ্ন হয়।

কাতি মাহৰ গভীৰ আধ্যাত্মিকতা, শ্ৰদ্ধা আৰু ভক্তিৰে ভৰা পৰম্পৰা অসমীয়া সমাজত যুগযুগান্তৰে পালন হৈ আহিছে। এই মাহৰ মূল উদ্দেশ্য হ'ল মানুহৰ মনৰ সাত্বিকতা আৰু জীৱনৰ নৈতিক মূল্যবোধ জাগ্ৰত কৰা। তুলসী তলত বন্তি জ্বলাই লক্ষ্মীদেৱীক আৰাধনা কৰা, ভঁৰাল আৰু পথাৰত মাটিৰ চাকি জ্বলোৱা পৰম্পৰাই কৃষিজীৱন আৰু সমাজৰ প্ৰতি গভীৰ ভক্তি প্ৰকাশ কৰে।

কাতি বিহুৱে অসমীয়া সমাজক সংযম, শৃংখলা আৰু আধ্যাত্মিকতাৰ পথৰ সৈতে সংযুক্ত কৰি এক সৃজনশীল জীৱন পদ্ধতিৰ দিশে আগবঢ়ায় লৈ যায়। এই মাহত পালন কৰা ব্ৰত আৰু পূজা-পাৰ্বণত, লোকসকলৰ মাজত আত্ম-নিয়ন্ত্ৰণ আৰু নৈতিক মূল্যবোধৰ অভ্যাস গঢ় লৈ উঠে। কাতি বিহুৰ অনুষ্ঠানসমূহে মন আৰু আত্মাক পৰিশুদ্ধ কৰি, সামাজিক আৰু ধৰ্মীয় চেতনা জাগ্ৰত কৰে। তুলসী তলত প্ৰজ্বলিত বন্তি, কৃষিৰ প্ৰতি শ্ৰদ্ধা আৰু দেৱ-দেৱীৰ আৰাধনা লোকসকলক এক নতুন উদ্যমেৰে জীৱন-যাপন কৰিবলৈ অনুপ্ৰাণিত কৰে। কাতি মাহে সমাজৰ বাবে এক সংহত আৰু সজাগ জীৱনপদ্ধতিৰ আধাৰ গঢ়ি তোলে।

## মুখ্যমন্ত্ৰীৰ মুখখন বৰবেজীৰে

শৰ্মাৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰি অসমৰ মুখ্য সমস্যা হিমন্ত বিশ্ব শৰ্মা নিজেই বুলি মন্তব্য কৰে। তেওঁ কয়, “মুখ্যমন্ত্ৰীৰ মুখখন বৰবেজীৰে চিলাই নকৰালৈকে অসমত অশান্তি হৈ থাকিব। তেওঁৰ কথা-বতৰাই গোটেই পৰিৱেশ বেয়া কৰিছে।” বাক্সাত বুধবাৰে সংঘটিত ঘটনাৰ ক্ষেত্ৰত অসম পুলিচ আৰু মুখ্যমন্ত্ৰীক দায়ী কৰি অখিল গগৈয়ে কয়, “এই ঘটনাৰ মূল জগৰীয়া অসম পুলিচ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। অতিৰিক্ত আৰক্ষী অধীক্ষক গীতাৰ্থ দেৰশৰ্মাই নিৰীহ লোকৰ ওপৰত অপ্ৰৰোচিতভাৱে লাঠিচাৰ্জ কৰিছে, যাৰ দৃশ্য টিভি চেনেলত দেখা গৈছে।” তেওঁ দেৰশৰ্মাক তত্ক্ষণাত নিলম্বনৰ দাবী জনায় আৰু অভিযোগ কৰে যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশত এই আক্ৰমণ সংঘটিত হৈছে। তেওঁৰ মতে, “মুখ্যমন্ত্ৰীয়ে তৃতীয় পক্ষৰ কথা কৈছে, কিন্তু তৃতীয় পক্ষ আন কোনো নহয়, তেওঁ নিজেই।” শুকুৰবাৰে শিৱসাগৰত জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ কথা উল্লেখ কৰি অখিল গগৈয়ে কয়, “এই অনুষ্ঠান সম্পূৰ্ণৰূপে ৰাইজৰ উদ্যোগত আয়োজিত। ইয়াত কোনো ৰাজনীতি নাই। পাঁচ হাজাৰ লোকে ‘মায়াবিনী’ গীত পৰিৱেশন কৰিব, আৰু জিলাৰ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকিব।” তেওঁ সকলোকে এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে নিমন্ত্ৰণ জনায়। বিজেপি চৰকাৰৰ ওপৰত আস্থা হেৰুৱাইছে বুলি উল্লেখ কৰি অখিল গগৈয়ে কয়, “বা’ৰ ঘটনাই প্ৰমাণ কৰিছে যে মানুহৰ এই চৰকাৰৰ ওপৰত ভৰসা নাই। মুখ্যমন্ত্ৰীয়ে হেজটেগৰ নামত জনতাক দোষাৰোপ কৰিছে, কিন্তু তেওঁ নিজেই জুবিন গাৰ্গৰ নামত ৰাজনীতি কৰিছে।” তেওঁ মুখ্যমন্ত্ৰীৰ পৰা ৰাজহুৱা ক্ষমাৰ দাবী কৰে আৰু কটাক্ষ কৰে যে মুখ্যমন্ত্ৰী পূজা চাবলৈ গৈ ছেলফি তুলি ফুৰিছে, জুবিন গাৰ্গক ন্যায় দিয়াৰ কোনো পদক্ষেপ লোৱা নাই। কংগ্ৰেছৰ ৰেলীত ‘মায়াবিনী’ গীতৰ সমালোচনাৰ পিছত তেওঁলোকে এই কাম বন্ধ কৰিছে বুলি উল্লেখ কৰি অখিল গগৈয়ে কয়, “কিন্তু মুখ্যমন্ত্ৰীয়ে এনে তৰল কাম কৰি যাব।” তেওঁ আৰু এছ এছৰ প্ৰসংগ উত্থাপন কৰি কয় যে শ্যামকানু মহন্তৰ সৈতে মোহন ভাগৱতৰ ফটো আছে, আৰু বিজেপিৰ নেতা-মন্ত্ৰীৰ সৈতেও ফটো আছে। সেয়ে জুবিন গাৰ্গৰ পৰিয়ালক ন্যায় দিয়াৰ ক্ষেত্ৰত সন্দেহৰ সৃষ্টি হৈছে। শুকুৰবাৰে ৰাহুল গান্ধীৰ অসম ভ্ৰমণৰ কথা উল্লেখ কৰি অখিল গগৈয়ে কয়, “ৰাহুল গান্ধীয়ে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাবলৈ আহিছে, এয়া ভাল কথা। কেৱল ৰাহুল গান্ধী নহয়, প্ৰধানমন্ত্ৰীও আহিব লাগে।” মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে মিথ্যাচাৰৰ অভিযোগ উত্থাপন কৰি তেওঁ কয়, “মুখ্যমন্ত্ৰীয়ে কৈছে যে জুবিন গাৰ্গৰ অসুখৰ সময়ত তেওঁ চাৰ্টাৰ্ড ফ্লাইটৰ ব্যৱস্থা কৰিছিল। এয়া সাধাৰণ কথা, যিকোনো চৰকাৰেই এনে কৰিব। ইয়াৰ বাবে ঢোল বজোৱাৰ প্ৰয়োজন নাই।” তেওঁ মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান জনাই কয়, “মই যদি ৰাজীৱ শদিয়াৰ মৃত্যুৰ সময়ত জুবিন গাৰ্গক গালি পাৰি ফেচবুকত পোষ্ট দিছিলোঁ, তেন্তে তেওঁ প্ৰমাণ দিয়ক।” অখিল গগৈৰ মতে, বা’ৰ ঘটনাৰ পিছফালে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ আৰু অসম পুলিচৰ অত্যাচাৰ জড়িত। তেওঁ জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানক ৰাজনীতিৰ ঊৰ্দ্ধত থকা ৰাইজৰ অনুষ্ঠান বুলি উল্লেখ কৰি সকলোকে ইয়াত অংশগ্ৰহণৰ আহ্বান জনায়।

## জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি

এই কাৰ্য শেষ কৰি তেওঁ উভতি যাব। বৃহস্পতিবাৰে এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাহুল গান্ধীৰ অসম ভ্ৰমণৰ বিষয়ে মন্তব্য প্ৰকাশ কৰি কয়, “ৰাহুল গান্ধীয়ে জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ পত্নী গৰিমা গাৰ্গৰ সৈতে সাক্ষাৎ কৰিবলৈ আগ্ৰহী। এই ভ্ৰমণৰ ফলত অসমৰ পৰিস্থিতি অৱনতি নহ’ব বুলি মই বিশ্বাস কৰোঁ। অন্য সময়ত হ’লে কথা বেলেগ আছিল, কিন্তু এইবাৰ তেওঁ জুবিনৰ পৰিয়ালৰ সৈতে সাক্ষাৎৰ বাবে আহিছে বুলি আমি জানিব পাৰিছো।” তেওঁ আৰু কয়, “যদি মোকো সেই সময়ত আমন্ত্ৰণ জনোৱা হয়, তেন্তে মই ৰাহুল গান্ধীৰ সৈতে জুবিনৰ পৰিয়ালৰ ওচৰলৈ যাম।” মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে, জুবিন গাৰ্গৰ শেষ যাত্ৰাৰ সময়ত কংগ্ৰেছৰ কোনো জ্যেষ্ঠ নেতাৰ উপস্থিতিৰ বাবে তেওঁলোকে আগতীয়াকৈ অনুৰোধ জনাইছিল। কিন্তু সেই সময়ত কংগ্ৰেছে তেনে কোনো উদ্যোগ নলয়। “এতিয়া ৰাহুল গান্ধীৰ অসম ভ্ৰমণৰ কথা জানি আমি তেওঁক স্বাগত জনাইছো।” জুবিন গাৰ্গৰ মৃত্যুৰ পিছৰে পৰা অসমত তেওঁৰ অনুৰাগীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। বাক্সাৰ কাৰাগাৰৰ সন্মুখত অভিযুক্তসকলৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত পুলিচৰ লাঠিচাৰ্জ আৰু গুলীচালনাৰ ঘটনাই পৰিস্থিতিক অধিক জটিল কৰি তুলিছে। এই পৰিপ্ৰেক্ষিতত ৰাহুল গান্ধীৰ ভ্ৰমণে জনমানসত ন্যায়ৰ প্ৰতি এক আশাৰ সঞ্চাৰ কৰিছে। শিৱসাগৰত শুকুৰবাৰে জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলিৰ এক বিশাল অনুষ্ঠানৰ আয়োজন কৰা হৈছে, য’ত ৰাহুল গান্ধীৰ উপস্থিতিৰ সম্ভাৱনাই অনুৰাগীসকলৰ মাজত উৎসাহৰ সৃষ্টি কৰিছে। ৰাহুল গান্ধীৰ এই ভ্ৰমণক ব্যক্তিগত বুলি অভিহিত কৰিলেও, ইয়াৰ ৰাজনৈতিক তাৎপৰ্য অস্বীকাৰ কৰিব নোৱাৰি। গৌৰৱ গগৈয়ে স্পষ্ট কৰি কয় যে, এই ভ্ৰমণৰ কোনো দলীয় এজেণ্ডা নাই। তথাপি, জুবিন গাৰ্গৰ মৃত্যুৰ পিছৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ এই পদক্ষেপক বহুতে ৰাজনৈতিকভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ভ্ৰমণক সংযতভাৱে গ্ৰহণ কৰি তেওঁৰ সহযোগিতাৰ আশ্বাস দিয়াটোৱে অসমৰ বৰ্তমানৰ সংবেদনশীল পৰিস্থিতিত এক সন্তুলিত দৃষ্টিভংগীৰ ইংগিত দিয়ে।

## গুজৰাট মন্ত্ৰীসভাৰ সমূহীয়া

পৰিৱৰ্তনৰ ঘোষণা হৈছে, য’ত মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাতেলৰ বাহিৰে সকলো ১৬জন মন্ত্ৰীয়ে বৃহস্পতিবাৰে পদত্যাগ পত্ৰ দাখিল কৰিছে। এই পদত্যাগৰ পিছত শুকুৰবাৰে (১৭ অক্টোবৰ) গান্ধীনগৰৰ মহাত্মা মন্দিৰত নতুন মন্ত্ৰীসভাৰ শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ’ব, য’ত ১০জন নতুন মন্ত্ৰীক অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে। বৰ্তমানৰ মন্ত্ৰীসভাত ১৭জন সদস্য আছিল (মুখ্যমন্ত্ৰী সহ), যাৰ ভিতৰত ৮জন কেবিনেট মন্ত্ৰী আৰু ৮জন ৰাজ্যিক মন্ত্ৰী আছিল। এই পুনৰ্গঠনৰ ফলত বৰ্তমানৰ অৰ্ধাংশ মন্ত্ৰীক সলনি কৰি সভাৰ আকাৰ ২৬ লৈ বৃদ্ধি কৰা হ’ব বুলি সূত্ৰৰ পৰা জনা গৈছে। পদত্যাগ কৰা মন্ত্ৰীসকলৰ ভিতৰত প্ৰধান নামসমূহ হৈছে- কানুভাই দেশাই (বিত্ত, শক্তি আৰু পেট্ৰ’কেমিকেলছ পাৰ্টফ’লিঅ’), বলৱন্ত সিং ৰাজপুত (উদ্যোগ, শ্ৰম আৰু নিয়োগ), ঋষিকেশ পাতেল (স্বাস্থ্য, পৰিয়াল কল্যাণ আৰু উচ্চ শিক্ষা), ৰাঘৱজী পাতেল (কৃষি, পশুপালন আৰু মীন), কুঁৱৰজীভাই বাৱলীয়া (পানী যোগান আৰু অসামৰিক যোগান), ভানুবেন বাবাৰিয়া (সামাজিক ন্যায় আৰু নাৰী-শিশু উন্নয়ন), মুলুভাই বেৰা (পৰ্যটন, বন আৰু পৰিৱেশ), কুবেৰ দন্দোৰ (শিক্ষা আৰু জনজাতি উন্নয়ন), নৰেশ পাতেল, বাচুভাই খাবাদ, পাৰ্শ্বোত্তম সোলাংকি, হৰ্ষ সংঘবী, জগদীশ বিশ্বকৰ্মা, মুকেশভাই জিনাভাই পাতেল, কুঁৱাজীভাই হালপতি আৰু ভিকুভাই চতুৰ্সিং পৰমাৰ। এই পদত্যাগসমূহৰ পিছত মন্ত্ৰীসভা সম্পূৰ্ণৰূপে খালি হৈ পৰিছে, যাতে নতুন সদস্যসকলক সহজে অন্তৰ্ভুক্ত কৰিব পাৰি।

## বাক্সাৰ হিংসাত্মক ঘটনাত

পৰা এই দুই ব্যক্তি হৈছে ৰমিজ আলী আৰু আহেলা মিঞা। আনহাতে চিনাক্ত কৰা আন কেইজন ব্যক্তি হৈছে মাদুলীবাৰীৰ নুৰুল আলম, আশ্বিক, ABMSUৰ সদস্য মহিদুল ইছলাম, মুস্তাফা আহমেদ, দীঘলদঙাৰ ছহিদুল, ছিৰজং আলীৰ পুত্ৰ আৰু ছাত্ৰ নেতা হৰেকৃষ্ণ পাঠক। উল্লেখ্য যে কালি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দিপন গাৰ্গ আৰু দুই জুবিন গাৰ্গৰ দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ চিআইডিৰ জিম্মাৰ ম্যাদ শেষ হয়। সেয়ে তেওঁলোকক হাজিৰ কৰোৱা হয় মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত। কোনেও জামিন আবেদন নকৰাৰ লগতে কোনো উকীল তেওঁলোকৰ পক্ষত থিয় নোহোৱাত আটাইকেইজনকে ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে আদালতে। কিন্তু গুৱাহাটীত কাৰাগাৰত নিৰাপত্তাজনিত কাৰণত তেওঁলোকক নাৰাখি বা’ৰ নিকাছিত নতুনকৈ মুকলি কৰা জিলা কাৰাগাৰলৈ লৈ যোৱা হয়। তেওঁলোকক কঢ়িয়াই নিয়া বাহনখন কাৰাগাৰৰ সমুখত উপস্থিত হোৱাৰ সময়তে একাংশ লোকে প্ৰতিবাদ সাব্যস্ত কৰে। কিন্তু বা’ৰ অতিৰিক্ত আৰক্ষী অধীক্ষক গীতাৰ্থ দেৱ শৰ্মাই প্ৰতিবাদকাৰীৰ ওপৰত লাঠী চালনা কৰাত পৰিস্থিতি উত্তপ্ত হৈ পৰে। একাংশ লোকে আৰক্ষী আৰু শ্যামকানু মহন্তহঁতক লৈ যোৱা বাহনখনলৈ উদ্দেশ্য কৰি শিলগুটি নিক্ষেপ কৰে। এই ঘটনাত আহত হয় আৰক্ষী আৰু সাংবাদিকৰ লগতে কেবাজনো স্থানীয় লোক। পৰিস্থিতি ইমানেই ভয়ংকৰ হৈ পৰে যে একাংশ লোকে আৰক্ষীৰ বাহনত অগ্নিসংযোগ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীয়ে শূন্যলৈ গুলীচালনা কৰে। এজন লোক গুলীবিদ্ধ হয় এই ঘটনাত। তাৰ পাছতেই কাৰাগাৰৰ ৫০০ মিটাৰ এলেকাত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰা আৰোপ কৰা হয়। লগতে কৰ্তন কৰা হয় ইণ্টাৰনেট সেৱা। জানিব পৰা মতে মুখত কাপোৰ বান্ধি প্ৰতিবাদকাৰীৰ মাজত প্ৰৱেশ কৰিছিল একাংশ লোকে আৰু এই লোকসকলেই পৰিকল্পিতভাৱে অগ্নিসংযোগৰ লগতে আক্ৰমণৰ ঘটনা সংঘটিত কৰা বুলি অভিযোগ উত্থাপন হৈছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাত কোনো তৃতীয় শক্তি জড়িত আছে বুলি মন্তব্য কৰিছিল।

## নামৰূপত এমোনিয়া-ইউৰিয়া

নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কোৰ্পৰেচন লিমিটেড (বিভিএফচেল)ত এটা নতুন ব্ৰাউনফিল্ড এমোনিয়া-ইউৰিয়া কমপ্লেক্স(নামৰূপ আইভি) স্থাপনৰ বাবে অসম কেবিনেটে বৃহস্পতিবাৰে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত লোক সেৱা ভৱনত অনুষ্ঠিত কেবিনেটৰ বৈঠকে এই ১০, ৬০১ কোটি টকাৰ প্ৰকল্পত অসম চৰকাৰৰ পক্ষৰ পৰা ৪০ শতাংশ ইক্যুইটি বিনিয়োগৰ বাবে উদ্যোগ বিভাগক কৰ্তৃত্ব প্ৰদান কৰা হৈছে। এই প্ৰকল্পে বছৰিক ১২.৭৮ লাখ মেট্ৰিক টন এমোনিয়া (ইউৰিয়াৰ প্ৰধান উপাদান) উৎপাদন কৰিব পাৰিব, যিয়ে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকসকলক সুবিধা প্ৰদান কৰি কৃষি খাতৰ স্বনিৰ্ভৰতাৰ দিশত বৃহৎ অৱদান আগবঢ়াব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত কয় যে, “এই প্ৰকল্পটো অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে এক মাইলৰ খুঁটি। অসম চৰকাৰে ৪, ০০০ কোটি টকাৰ বিনিয়োগ কৰি এই প্ৰকল্পক গতি প্ৰদান কৰিছে। উদ্যোগ বিভাগক এই বিনিয়োগৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা হৈছে, যাতে প্ৰকল্পটো দ্ৰুততম সময়ত সম্পন্ন হয়।” তেওঁ আৰু উল্লেখ কৰে যে, অসমৰ প্ৰাকৃতিক গেছ সম্পদ আৰু মায়ানমাৰ, বাংলাদেশ আৰু ভুটানৰ দৰে প্ৰতিৰক্ষীয় বজাৰৰ নৈকট্যত এই প্ৰকল্পে পৰিবহণ খৰচ হ্ৰাস কৰি অঞ্চলীয় অৰ্থনীতিৰ বৃদ্ধিত সহায় কৰিব। এই প্ৰকল্পে স্থানীয় অৰ্থনীতিত এক নতুন গতিৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে জনোৱা হৈছে যে, প্ৰকল্পটোত ৪৬০ জনক স্থায়ীভাৱে আৰু প্ৰায় ১, ৫০০ জনক অস্থায়ীভাৱে নিযুক্তি লাভ কৰিব, যিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ যুৱকসকলৰ বাবে সুযোগ সৃষ্টি কৰিব। ইয়াৰ উপৰি, প্ৰকল্পে স্থানীয় স্থাপনা, পৰিবহণ আৰু সেৱা খাতত বিপুল সংখ্যক পৰোক্ষ নিযুক্তিৰ সৃষ্টি কৰিব। অসমৰ কৃষি-নিৰ্ভৰ অৰ্থনীতিত এই ইউৰিয়া উৎপাদন কেন্দ্ৰে কৃষকসকলক সস্তা আৰু নিৰ্ভৰযোগ্য খাদ্য সুবিধা প্ৰদান কৰি খাদ্য নিৰাপত্তাৰ দিশত অৱদান আগবঢ়াব। প্ৰকল্পটোৰ প্ৰগতি নিৰীক্ষণৰ বাবে এক ইণ্টাৰ-মিনিষ্ট্ৰিয়েল কমিটি গঠন কৰা হৈছে, যিয়ে সময়মত সম্পন্নতা নিশ্চিত কৰিব। মুখ্যমন্ত্ৰীয়ে কয়, “এই প্ৰকল্পে অসমক ভাৰতৰ বিকশিত অৰ্থনীতিৰ চালিকা শক্তি হিচাপে পৰিণত কৰিবলৈ সহায় কৰিব। আমি প্ৰধানমন্ত্ৰী মহামান্য নৰেন্দ্ৰ মোদীজীক অসমৰ জনতাৰ পৰা কৃতজ্ঞতা জনো।” কেবিনেটৰ বৈঠকত জনোৱা হৈছে যে, ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই নতুন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিবলৈ সম্ভাৱনা আছে। এই ঘোষণাই অসমৰ উন্নয়ন যাত্ৰাত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ দিল্লী ভ্ৰমণত কেন্দ্ৰীয় সংস্থাৰ মন্ত্ৰীসকলৰ সৈতে আলোচনা কৰি প্ৰকল্পৰ গতি বৃদ্ধি কৰাৰ বাবে সহযোগিতা বিচাৰিছিল, যিয়ে এতিয়া ফলপ্ৰসূ হৈছে। কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে এই প্ৰকল্পৰ পুনৰ অনুমোদনৰ বিৰুদ্ধে প্ৰশ্ন উত্থাপন কৰি মুখ্যমন্ত্ৰীক স্পষ্টীকৰণৰ দাবী কৰিছে, কিন্তু চৰকাৰে ইয়াক অসমৰ অৰ্থনৈতিক স্বনিৰ্ভৰতাৰ এক বৃহৎ পদক্ষেপ হিচাপে ঘোষণা কৰিছে। এই সিদ্ধান্তে অসমৰ উত্তৰাঞ্চলীয় অৰ্থনীতিত বিনিয়োগ আকৰ্ষণৰ দিশত এক ইতিবাচক সংকেত দিছে, যিয়ে অঞ্চলীয় উন্নয়নৰ গতি বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

## ৰাজআতিথ্য নহয় নিৰাপত্তাৰ

শৰ্মা আদিৰ স্থানান্তৰৰ সময়ত সংঘটিত হিংসাত্মক ঘটনাক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্ভাগ্যজনক বুলি আখ্যা দি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। সংবাদমেলত তেওঁ স্পষ্ট কৰে যে, প্ৰতিবাদকাৰীৰ একাংশৰ আক্ৰমণৰ পিছতহে আৰক্ষীয়ে লাঠিচাৰ্জ আৰু কন্দুৱা গেছ প্ৰয়োগ কৰিছিল, প্ৰাথমিকভাৱে নহয়। অভিযুক্তসকলক ৰাজআতিথ্য প্ৰদানৰ প্ৰচাৰক তেওঁ ভুৱা বুলি খাৰিজ কৰি কয় যে, বা’ কাৰাগাৰত বিছনা বা কাৰেণ্টৰ সুবিধা নাই, আৰু এনে মিছা প্ৰচাৰেৰে জনতাক প্ৰৰোচিত কৰা হৈছে। তেওঁ জনাই যে, বুধবাৰৰ ঘটনাত গুলীবিদ্ধ দুজনৰ স্বাস্থ্য এতিয়া স্থিতিশীল, আৰু ৯ জনক আটক কৰাৰ লগতে ভুৱা খবৰ বিয়পোৱাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অভিযুক্তসকলক গুৱাহাটীৰ বাহিৰৰ কাৰাগাৰত ৰখাৰ সিদ্ধান্ত হৈছিল, কাৰণ গুৱাহাটী কাৰাগাৰত নিৰাপত্তাজনিত সমস্যা আছে। বা’ৰ পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ আই জি পি অখিলেশ কুমাৰ সিং আৰু মন্ত্ৰী ইউ জি ব্ৰহ্ম উপস্থিত হৈছিল। মন্ত্ৰী ব্ৰহ্মই এই হিংসাৰ প্ৰতি দুখ প্ৰকাশ কৰি জানায় যে, গৃহ বিভাগে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। তেওঁ স্পষ্ট কৰে যে, অভিযুক্তসকলক বচাবৰ বাবে নহয়, ন্যায়িক তদন্তৰ জনিত কাৰাগাৰত ৰখা হৈছে, আৰু দোষী সাব্যস্ত হ’লে সকলোৱে আইনী শাস্তি পাব। স্থানীয় ৰাইজে অতিৰিক্ত আৰক্ষী অধীক্ষক গীতাৰ্থ দেৰশৰ্মাক এই হিংসাৰ দায়ী কৰি তেওঁৰ বিৰুদ্ধে তদন্তৰ দাবী জনাইছে, অভিযোগ উত্থাপন কৰি যে তেওঁৰ প্ৰৰোচনামূলক লাঠিচাৰ্জৰ ফলত শান্তিপূৰ্ণ প্ৰতিবাদ হিংসাত পৰিণত হৈছিল। বৃহস্পতিবাৰে বাক্সাৰ নিকাছি, মুছলপুৰ, বৰমা আদি অঞ্চলৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু দোকান-পোহাৰ স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে, আৰু অঞ্চলত চেপা উত্তেজনা বিৰাজ কৰে। জিলা প্ৰশাসনে কাৰাগাৰৰ পৰা পাঁচশ মিটাৰ দূৰত্বত ১৬৩ ধাৰাৰ অধীনত সান্ধ্য আইন জাৰি কৰাৰ লগতে ইণ্টাৰনেট সেৱা কৰ্তন কৰিছে, যি নিৰ্দেশ পৰৱৰ্তী ঘোষণালৈকে বলৱৎ থাকিব।

## জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰ

শইকীয়া, সুদৰ্শন ঠাকুৰ, পাৰ্থ সাৰথি মহন্ত, শ্যামন্তক গৌতম, আৰু অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে বিশিষ্ট সাংস্কৃতিক ব্যক্তিত্ব যেনে বীৰেণ সিংহ আৰু পুলক বেনাৰ্জীকো অন্তৰ্ভুক্ত কৰা হৈছে। এই সমিতিৰ লক্ষ্য হৈছে জুবিন গাৰ্গৰ সাংস্কৃতিক অৱদানৰ প্ৰতি সন্মান জনাই এক মৰ্যাদাপূৰ্ণ সমাধি নিৰ্মাণৰ পৰিকল্পনা প্ৰস্তুত কৰা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে এক সংবাদমেলত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ স্থিতিৰ বিষয়েও তথ্য প্ৰকাশ কৰিছে। তেওঁ জানিবলৈ দিছে যে, জুবিনৰ মৃত্যুৰ সৈতে জড়িত মামলাৰ চাৰ্জশ্বিট নৱেম্বৰ মাহৰ ভিতৰত দাখিল কৰা হ’ব। তদন্ত প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু ন্যায়ৰ নিশ্চয়তাৰ বাবে ফাৰ্ষ্ট ট্ৰেক ক’ৰ্টৰ জৰিয়তে এই মামলাৰ শুনানি কৰা হ’ব। মুখ্যমন্ত্ৰীয়ে আৰু উল্লেখ কৰিছে যে, তদন্তৰ সমগ্ৰ প্ৰক্ৰিয়াৰ তদাৰকৰ বাবে চৰকাৰী অধিবক্তা নিয়োগ কৰা হৈছে, যিয়ে নিশ্চিত কৰিব যে ন্যায় প্ৰক্ৰিয়া দ্ৰুত আৰু স্বচ্ছভাৱে সম্পন্ন হয়। জুবিন গাৰ্গৰ মৃত্যুৰ পিছত অসমত তীব্ৰ জনক্ষোভৰ সৃষ্টি হৈছে, আৰু বা’ৰ কাৰাগাৰৰ সন্মুখত অভিযুক্তসকলৰ বিৰুদ্ধে প্ৰতিবাদৰ সময়ত পুলিচৰ লাঠিচাৰ্জৰ ঘটনাই পৰিস্থিতিক অধিক উত্তপ্ত কৰি তুলিছিল। এই পৰিপ্ৰেক্ষিতত চৰকাৰৰ এই পদক্ষেপসমূহ জনতাৰ মাজত ন্যায়ৰ প্ৰতি আশা জগাই তুলিছে। সমাধি নিৰ্মাণৰ সমিতিত জুবিনৰ পৰিয়ালৰ সদস্যৰ সৈতে বিশিষ্ট সাংস্কৃতিক ব্যক্তিত্বৰ অন্তৰ্ভুক্তিৰ জৰিয়তে চৰকাৰে তেওঁৰ সাংস্কৃতিক অৱদানৰ প্ৰতি সন্মান প্ৰকাশৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰিছে। মুখ্যমন্ত্ৰীয়ে জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধা জনাই কয়, “জুবিন গাৰ্গ অসমৰ সাংস্কৃতিক জীৱনৰ এক অমূল্য সম্পদ। তেওঁৰ সমাধি নিৰ্মাণৰ জৰিয়তে আমি তেওঁৰ অৱদানৰ স্থায়ী স্মৃতি সংৰক্ষণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। লগতে, তেওঁৰ মৃত্যুৰ তদন্তত কোনো ধৰণৰ কাৰচৰণৰ স্থান নাই। আমি ফাৰ্ষ্ট ট্ৰেক ক’ৰ্টৰ জৰিয়তে দ্ৰুত ন্যায় নিশ্চিত কৰিম।” এই সমিতিৰ গঠনে জুবিনৰ অনুৰাগীসকলৰ মাজত এক আশাৰ সঞ্চাৰ কৰিছে, যিহেতু ইয়াৰ জৰিয়তে তেওঁৰ স্মৃতি চিৰস্থায়ী কৰাৰ লগতে তেওঁৰ মৃত্যুৰ ন্যায় বিচাৰৰ দিশত চৰকাৰৰ সক্ৰিয় ভূমিকা স্পষ্ট হৈছে। নৱেম্বৰত চাৰ্জশ্বিট দাখিল আৰু ফাৰ্ষ্ট ট্ৰেক ক’ৰ্টৰ শুনানিৰ প্ৰতিশ্ৰুতিয়ে অসমৰ জনতাৰ মাজত ন্যায়ৰ প্ৰতি আশাৰ সৃষ্টি কৰিছে, আৰু এই পদক্ষেপসমূহৰ ফলাফলৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## জুবিন গাৰ্গলৈ ন্যায়হে প্ৰকৃত

আৰক্ষীয়েও চাৰ্জছীট দাখিলৰ বাবে ৩ মাহৰ সময় লৈছে। অগণন জুবিন প্ৰেমী কেৱল সামাজিক মাধ্যমতে নহয়, ৰাজপথলৈও ওলাই আহিছে জুবিন গাৰ্গৰ ন্যায় বিচাৰি। বুধবাৰে ১ মিলিয়ন পাৰ কৰিছে প্ৰিয় শিল্পী গৰাকীৰ ন্যায় বিচাৰি কৰা হেচটেগ আন্দোলনেও ( #JusticeForZubeenGarg). শেহতীয়াকৈ আম আদমি পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰীৱালেও এক্স আৰু ফেচবুকত এই হেচটেগ ব্যৱহাৰ কৰি মহান শিল্পী গৰাকীৰ নিৰপেক্ষ আৰু ক্ষিপ্ৰতৰ তদন্ত আৰু ন্যায়িক প্ৰক্ৰিয়াৰ দাবী কৰিছে। জুবিন গাৰ্গলৈ ন্যায়হে প্ৰকৃত শ্ৰদ্ধাঞ্জলি বুলি উল্লেখ কৰে কেজৰীৱালে। সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিজ্ঞপ্তিত আপ অসমৰ ভাৰপ্ৰাপ্ত সভাপতি ডাঃ ভবেন চৌধুৰীয়ে কয় যে আমাৰ মৰমৰ জুবিনদালৈ উচিত ন্যায় নিশ্চিত কৰিবলৈ হ’লে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় হেঁচাৰ বহু প্ৰয়োজন। জাতি-দল-ধৰ্ম-সংগঠন নিৰ্বিশেষে সকলোৱে একজোঁট হৈ জুবিন গাৰ্গৰ ন্যায় দাবী তীব্ৰতৰ কৰিবলৈ আহ্বান কৰিছে ডাঃ ভবেন চৌধুৰীয়ে। উল্লেখযোগ্য যে প্ৰিয় শিল্পী গৰাকীৰ মৃত্যুৰ তদন্তত ইণ্টাৰপ’লক সাঙুৰি ল’বলৈ প্ৰথমতেই দাবী উত্থাপন কৰিছিল ডাঃ চৌধুৰীয়ে। কৃত্ৰিমতা আৰু মেৰপেচবোৰ এৰি সৰল, পোনপটীয়া কথাৰে সময়ক সহযোগ কৰা আৰু শান্তি আৰু সম্প্ৰীতিৰ বাতাবৰণ বজাই ৰাখিবলৈ গৰিমা শইকীয়া গাৰ্গৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আপৰ উঃপূঃৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মাই কয় যে “জুবিনদাৰ সপোনবোৰ আমি জীয়াই ৰাখিব লাগিব। আমি শান্তি আৰু একতাৰে আগবাঢ়িব লাগিব।” জুবিন গাৰ্গৰ মৃত্যুৰ ফাষ্ট ট্ৰেক ন্যায়িক প্ৰক্ৰিয়াৰ দাবী কৰিছে শৰ্মাই।

## নেতৃত্বৰ সংকটত তেজপুৰ

প্ৰীতম দেৱে ভাৰপ্ৰাপ্ত উপাচাৰ্য ৰাজা ৰফিকুল হকক এখন পত্ৰ প্ৰেৰণ কৰি তেওঁৰ দায়িত্বৰ পৰা অব্যাহতিৰ অনুৰোধ জনায়। উপাচাৰ্যই এই অনুৰোধ গ্ৰহণ কৰি প্ৰীতম দেৱক আনুষ্ঠানিকভাৱে কৰ্তব্যৰ পৰা অব্যাহতি প্ৰদান কৰে। ইয়াৰ সমান্তৰালভাৱে অভিযান্ত্ৰিক বিদ্যালয়ৰ ডীন শংকৰ চন্দ্ৰ ডেকাইও নিজৰ পদৰ পৰা পদত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই দুই পদত্যাগৰ ঘটনাই বিশ্ববিদ্যালয়ৰ প্ৰশাসনত তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে, কিয়নো এই দুগৰাকী বিষয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, প্ৰীতম দেৱ আৰু শংকৰ চন্দ্ৰ ডেকাৰ বিৰুদ্ধে উপাচাৰ্যৰ নিৰ্দেশত অনৈতিক কাৰ্যকলাপৰ সৈতে জড়িত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, এই দুই বিষয়াই তেওঁলোকৰ অধীনস্থসকলৰ ওপৰত এনে কাৰ্যকলাপত জড়িত হ’বলৈ হেঁচা প্ৰয়োগ কৰিছিল। এই গুৰুতৰ অভিযোগৰ পৰিপ্ৰেক্ষিততেই তেওঁলোকৰ পদত্যাগৰ সিদ্ধান্তক বাধ্যতামূলক বুলি ধৰা হৈছে। এই অভিযোগৰ তদন্তৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা এতিয়াও কোনো আনুষ্ঠানিক বিবৃতি প্ৰকাশ হোৱা নাই, যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মাজত অসন্তোষ আৰু বৃদ্ধি পাইছে। তেজপুৰ বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ ঢৌ বৰ্তমানো অব্যাহত আছে। প্ৰশাসনৰ অদক্ষতা, স্বচ্ছতাৰ অভাৱ, আৰু বিভিন্ন বিষয়ৰ ওপৰত সঠিক সিদ্ধান্তৰ অভাৱৰ অভিযোগৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে। এই পদত্যাগৰ ঘটনাক কিছুমানে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদৰ ফলাফল হিচাপে দেখিলেও, আন কিছুমানে ইয়াক প্ৰশাসনৰ ভিতৰৰ অস্থিৰতাৰ চিন হিচাপে বিবেচনা কৰিছে। এই পদত্যাগৰ পিছত বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক কাঠামোত নতুন নিযুক্তিৰ সম্ভাৱনাৰ কথা উত্থাপিত হৈছে। প্ৰীতম দেৱ আৰু শংকৰ চন্দ্ৰ ডেকাৰ পদত্যাগে বিশ্ববিদ্যালয়ৰ দৈনন্দিন কাৰ্যকলাপৰ ওপৰত সাময়িকভাৱে প্ৰভাৱ পেলাব পাৰে, বিশেষকৈ পঞ্জীয়ক আৰু অভিযান্ত্ৰিক বিদ্যালয়ৰ কাৰ্যকৰী ক্ষেত্ৰত। উপাচাৰ্য ৰাজা ৰফিকুল হকৰ নেতৃত্বত বিশ্ববিদ্যালয়ে এই সংকটৰ সমাধানৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰে, তাৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিবাদ আৰু প্ৰশাসনিক সংকটৰ মাজত তেজপুৰ বিশ্ববিদ্যালয়ৰ এই ঘটনাই অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। অভিযোগৰ তদন্ত আৰু প্ৰশাসনিক স্থিৰতা পুনৰুদ্ধাৰৰ বাবে বিশ্ববিদ্যালয়ৰ পৰা দ্ৰুত আৰু স্বচ্ছ পদক্ষেপৰ প্ৰত্যাশা কৰা হৈছে।

## কাকপথাৰ সেনা ছাউনীত

এই ঘটনা সংঘটিত হয়। প্ৰচণ্ড গুলী, গ্ৰেনেড বিস্ফোৰণে কঁপাই তোলে সমগ্ৰ কাকপথাৰ। কাকপথাৰ ১ নং চেলেংগুৰিস্থিত সেনা ছাউনীলৈ লক্ষ্য কৰি গুলী আৰু তিনিটা UBGL নিক্ষেপ কৰে দুষ্কৃতিকাৰীয়ে। প্ৰায় আধা ঘণ্টা ধৰি চলা প্ৰচণ্ড গুলী আৰু গ্ৰেনেডৰ শব্দত আতংকিত হৈ পৰে সমগ্ৰ কাকপথাৰবাসী। সন্দেহ অনুসৰি আলফা (স্বা)ৰ সদস্যই এই কাণ্ড সংঘটিত কৰিছে। অৱশ্যে বাতৰি লিখি থকাৰ পৰলৈকে আলফা (স্বা)এ এই কথাৰ দায়িত্ব স্বীকাৰ কৰা নাই। ঘটনা সন্দৰ্ভত অব্যাহত আছে তদন্ত। উক্ত ঘটনাত অঞ্চলটোৰ বিশেষ একো ক্ষয়-ক্ষতি হোৱা নাই যদিও তিনিগৰাকী ভাৰতীয় সেনাৰ জোৱান আহত হোৱা বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত আৰক্ষী, সেনাই তদন্ত আৰম্ভ কৰিছে। খবৰ অনুসৰি, ট্ৰাকত অহা এদল দুষ্কৃতিকাৰীয়ে এই ঘটনা সংঘটিত কৰাৰ সন্দেহ কৰা হৈছে। ইতিমধ্যে আৰক্ষীয়ে অৰুণাচল প্ৰদেশৰ টেঙাপানীত উদ্ধাৰ কৰিছে দুষ্কৃতিকাৰীয়ে ব্যৱহাৰ কৰা ট্ৰাকখন। ট্ৰাকখনৰ নম্বৰ হৈছে এ এছ ২৫ ই চি ২৩৫৯। উল্লেখ্য যে, অৰুণাচল প্ৰদেশৰ চাংলাং অঞ্চলৰ সেনাৰ ছাউনীটো ভয়ংকৰ আক্ৰমণৰ ঘটনা সংঘটিত হয়। আছাম ৰাইফলৰ শিবিৰত বিদ্ৰোহী সংগঠনৰ প্ৰায় ৪৫ জনীয়া দলে চলোৱা উক্ত ভয়ংকৰ আক্ৰমণত ৪জন সেনা জোৱান আঘাতপ্ৰাপ্ত হয়, ইয়াৰে দুজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। আহত জোৱানকেইজনক ততাতৈয়াকৈ হেলিকপ্টাৰে উন্নত চিকিৎসাৰ বাবে দিনজানস্থিত সেনা ছাউনীৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ কথা চাংলাং জিলাৰ আৰক্ষী অধীক্ষকে প্ৰকাশ কৰিছে। এই কাণ্ড আলফা (স্বা) আৰু এন এছ চি এন (কে-য়াই এ) সংঘটিত কৰা বুলি সন্দেহ কৰা হৈছে। বিগত ২৪ ঘণ্টাত হোৱা এই দুটা ভয়ংকৰ আক্ৰমণে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ

মাধ্যমত প্ৰতিবাদ অব্যাহত আছে। শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ ক্ষিপ্ৰ তদন্তৰ দাবীৰেই ইতিমধ্যে সামাজিক মাধ্যমত প্ৰতিবাদ আৰম্ভ হৈছে। সামাজিক মাধ্যমত #JusticeForZubeenGarg লিখি এইপৰ্যন্ত ১২ লাখ অনুৰাগীয়ে ন্যায়ৰ দাবী জনাইছে। জুবিন গাৰ্গৰ মৃত্যুৰ পাছৰে পৰা ডিজিটেল প্ৰতিবাদ আৰম্ভ হৈছে যদিও শেহতীয়া দুটা দিনত এই প্ৰতিবাদে অধিক জোৰদাৰ ৰূপ লৈছে। জুবিন গাৰ্গৰ পত্নী গৰিমা গাৰ্গে শিল্পীগৰাকীৰ সোণাপুৰৰ সমাধিক্ষেত্ৰলৈ গৈ সামাজিক মাধ্যমত #JusticeForZubeenGarg লিখি ন্যায় বিচাৰিবলৈ সকলো অনুৰোধ জনাইছিল। লক্ষণীয়ভাৱে গৰিমা গাৰ্গৰ এই আহ্বানৰ পাছতে সামাজিক মাধ্যমত শিল্পীগৰাকীৰ অনুৰাগীসকলৰ এনে প্ৰতিবাদ জোৰদাৰ হৈ পৰিছে। ইপিনে অসমৰ জনসাধাৰণৰ হেছটেগত অতিষ্ঠ হৈ কালি পুৱাৰে পৰা বিয়লি পৰ্যন্ত ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙে তেওঁৰ ফেচবুক একাউণ্ট নিষ্ক্ৰিয় কৰি ৰাখে। বিগত কিছুদিন ধৰি জুবিন গাৰ্গৰ অনুৰাগীসকলে ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীৰ ফেচবুক পষ্টটো হেছটেগ জাষ্টিছ ফৰ জুবিন লিখিবলৈ আৰম্ভ কৰিছিল।

## ২০ অক্টোবৰত ছিংগাপুৰলৈ

প্ৰধান এডিজিপি মুন্না প্ৰসাদ গুপ্তাই দলটোক নেতৃত্ব দিব। এই দলটোৱে ২১ অক্টোবৰত সিংগাপুৰ পুলিচৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰিব, য’ত মৃত্যুকাণ্ডৰ তদন্তৰ অগ্ৰগতি, প্ৰমাণ আদান-প্ৰদান আৰু সহযোগিতাৰ বিষয়সমূহ আলোচনা কৰা হ’ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে সংবাদমাধ্যমত এই ঘোষণা কৰাত অসমৰ জনতাৰ মাজত ন্যায়ৰ প্ৰতি নতুন আশা জগাই তুলিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চ’চিয়েল মিডিয়াত ঘোষণা কৰি কয়, “সিংগাপুৰ পুলিচে এছ আই টিৰ সৈতে ২১ অক্টোবৰত বৈঠকৰ বাবে সময় দিছে। আমাৰ দল ২০ অক্টোবৰত সিংগাপুৰলৈ যাব। আমাৰ সমষ্টিগত সংকল্প অটুট আছে।” তেওঁৰ এই ঘোষণাই জনমতক ন্যায়ৰ দিশত অগ্ৰসৰ হোৱাৰ আশা দিছে। পূৰ্বতনকৈ মুখ্যমন্ত্ৰীয়ে দিল্লীত সিংগাপুৰৰ অ্যা’ং হাইকমিছনাৰৰ সৈতে সাক্ষাত কৰি তদন্তত পূৰ্ণ সহযোগিতাৰ বাবে বিচাৰিছিল, যিয়ে এতিয়া ফলপ্ৰসূ হৈছে। এই বৈঠকৰ পিছত তদন্তত নতুন তথ্য উন্মোচিত হোৱাৰ সম্ভাৱনা আছে, যিয়ে ঘটনাৰ চাৰ্জশ্বিট দাখিলৰ প্ৰক্ৰিয়াক গতি দিব পাৰে।

## ফাষ্টট্ৰেক আদালতত হ’ব

ন্যায়াধীশৰ সৈতে যোগাযোগ কৰিবৰ বাবে মুখ্যমন্ত্ৰীক দায়িত্ব অৰ্পণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অভিযোগনামা নৱেম্বৰ মাহৰ শেষ নাইবা ডিচেম্বৰ মাহৰ আৰম্ভণিতেই দাখিল কৰিব এছআইটিয়ে। এই ইংগিত দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসম চৰকাৰৰ কেবিনেটে অভিযোগনামা দাখিলৰ লগে লগে যাতে ফাষ্টট্ৰেক আদালতত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয়, তাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশেৰে যোগাযোগ কৰিবৰ বাবে দায়িত্ব অৰ্পণ কৰে। ফাষ্টট্ৰেক গঠন সন্দৰ্ভত সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, “নৱেম্বৰ মাহৰ পিছত যিকোনো সময়তে শ্বাৰ্জশ্বীট দাখিল কৰিব পাৰিব। কেবিনেটে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক এটা অনুৰোধ জনাবলৈ কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে। যাতে ফাষ্টট্ৰেক আদালতত ন্যায় প্ৰদানৰ প্ৰক্ৰিয়া খুব সোনকালে হ’ব পাৰে। সকলোৱে সোনকালে ন্যায় বিচাৰিছে। ন্যায় আদালতে প্ৰদান কৰে। ন্যায়ালয়ত কিছু সময় লাগে। ৰাইজে সেই সময় দিব বিচৰা নাই। সেয়ে আজিৰ কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰে যে মুখ্যমন্ত্ৰীয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ লগত যোগাযোগ কৰিব। যি মুহূৰ্তত আমি চাৰ্জশ্বীট দাখিল কৰিব পৰা হ’ম তাৰ লগে লগেই যাতে ফাষ্টট্ৰেক আদালত পাওঁ। য’ত প্ৰতিদিনেই যাতে বিচাৰৰ শুনানি হ’ব পাৰে।”

## দিল্লীত সাত দিন ধৰি

বৃহস্পতিবাৰে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এক অনুষ্ঠানত ‘ঝুমইৰ বিনন্দিনী’ৰ শিল্পী, প্ৰশিক্ষক আৰু বিশেষজ্ঞ সমিতিৰ সদস্যসকলক মাননি আৰু প্ৰশস্তি-পত্ৰ প্ৰদান কৰা হৈছিল। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ উপস্থিতিত ২৪খন জিলাৰ ৭, ৫৩৯ গৰাকী শিল্পী, ৩৫৮ গৰাকী মাষ্টাৰ ট্ৰেইনাৰ আৰু ২৯ গৰাকী বিশেষজ্ঞ সমিতিৰ সদস্যক সন্মান জনোৱা হৈছিল। বৰাক উপত্যকাৰ শিল্পীসকলক পৰৱৰ্তী পৰ্যায়ত সন্মানিত কৰাৰ কথাও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। এই বছৰৰ ফেব্ৰুৱাৰী মাহত গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত ‘ঝুমইৰ বিনন্দিনী’ কাৰ্যসূচীত অংশগ্ৰহণকাৰী শিল্পীসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অসমৰ ঝুমুৰ নৃত্যৰ এক অভূতপূৰ্ব প্ৰদৰ্শনৰ মাধ্যমে বিশ্ব ৰেকৰ্ড গঢ়িছিল। তেতিয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিজন শিল্পীক ২৫, ০০০ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে বৃহস্পতিবাৰৰ এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, সাংস্কৃতিক মন্ত্ৰী বিমল বড়া আৰু বিভিন্ন সাংসদ-বিধায়কৰ উপস্থিতিত শিল্পীসকলক প্ৰশস্তি-পত্ৰৰ লগতে মাননি প্ৰদান কৰা হৈছে। অনুষ্ঠানৰ সময়ত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে যে অসমৰ সাংস্কৃতিক ঐতিহ্যক বিশ্বৰ সন্মুখত উজ্জ্বল কৰাৰ লক্ষ্যৰে দিল্লীত এক সপ্তাহব্যাপী সাংস্কৃতিক প্ৰদৰ্শনৰ আয়োজন কৰা হ’ব। তেওঁ কয়, “সৰুসজাইত বিহুৰে বিশ্ব ৰেকৰ্ড গঢ়াৰ পিছত এইবাৰ দিল্লীত বিহুৰ লগতে ঝুমুৰ, বাগৰুম্বা আৰু অন্যান্য জনগোষ্ঠীয় নৃত্যৰ প্ৰদৰ্শনৰ মাধ্যমে অসমৰ সংস্কৃতি বিশ্বৰ বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত আৰু বিদেশী প্ৰতিনিধিৰ সন্মুখত তুলি ধৰা হ’ব। এই পদক্ষেপৰ জৰিয়তে আমি অসমৰ সাংস্কৃতিক সমৃদ্ধিক বিশ্বৰ আগত প্ৰকাশ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।” ইয়াৰ উপৰি, একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰোৎসাহন যোজনাৰ অধীনত ৮০খন সঞ্জীৱনী মোবাইল মেডিকেল বাহনৰ শুভাৰম্ভ কৰে, যাৰ লক্ষ্য হৈছে ৰাজ্যৰ চাহ বাগিচা আৰু ইয়াৰ আশে-পাশেৰ অঞ্চলসমূহত স্বাস্থ্য সেৱা প্ৰদান কৰা। তেওঁ ভাষণত কয়, “ঝুমুৰ নৃত্য হৈছে চাহ বাগিচাৰ আদিবাসী সম্প্ৰদায়ৰ প্ৰাণৰ স্পন্দন। বিহুৰ দৰেই ঝুমুৰেও জাতীয় জীৱনত গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। আমাৰ বিজেপি চৰকাৰে চাহ বাগিচাৰ শ্ৰমিকসকলৰ উন্নয়নৰ বাবে বহু কাম কৰিছে। বৰ্তমানলৈকে চাহ বাগিচাত ১২০খন হাইস্কুল আৰু হায়াৰ ছেকেণ্ডেৰী স্থাপন কৰা হৈছে, আৰু আগন্তুক জানুৱাৰীত আৰু ১০০খন হায়াৰ ছেকেণ্ডেৰী স্থাপনৰ পৰিকল্পনা আছে।” মুখ্যমন্ত্ৰীয়ে লগতে উল্লেখ কৰে যে চাহ বাগিচাৰ শ্ৰমিকৰ সন্তানৰ মাজৰ ৩ শতাংশ যুৱক-যুৱতীয়ে অসম প্ৰশাসনিক সেৱা পৰীক্ষা (ADRE) আৰু অসম আৰক্ষীৰ চাকৰি লাভ কৰিছে। তেওঁ কয়, “চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলক ১৫, ০০০ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি, আগন্তুক ২৫ নৱেম্বৰত বিধানসভাত নতুন আইনৰ জৰিয়তে চাহ বাগিচাৰ শ্ৰমিকসকলক মাটিৰ মালিকীস্বত্ব প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা হ’ব।” এই অনুষ্ঠানে অসমৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰচাৰৰ লগতে চাহ বাগিচাৰ শ্ৰমিক সম্প্ৰদায়ৰ উন্নয়নৰ প্ৰতি ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিক পুনৰ স্পষ্ট কৰিছে। দিল্লীত অসমৰ সংস্কৃতিৰ প্ৰদৰ্শনৰ এই উদ্যোগে জাতীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাজ্যখনৰ সমৃদ্ধ সংস্কৃতিক উজ্জ্বল কৰাৰ এক সুযোগ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

## নৱেম্বৰ মাহৰ পাছত

এই গোচৰত বহুলোকৰ সাক্ষ্য গ্ৰহণ কৰিছে SIT- এ। তদন্ত অব্যাহত থকাৰ সময়তে ৰাজ্যজুৰি এই তদন্ত প্ৰক্ৰিয়া সঠিক তথা ক্ষিপ্ৰ কৰি তোলাৰ লগতে প্ৰিয় শিল্পীগৰাকীৰ বাবে ন্যায়ৰ দাবী মুখৰিত হৈছে। বুধবাৰে এই গোচৰৰ দুই প্ৰধান অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্তক বাক্সা জিলা কাৰাগাৰলৈ লৈ যোৱাৰ সময়ত এক উত্তপ্ত পৰিস্থিতিৰো সৃষ্টি হয়। এনে পৰিস্থিতিক কেন্দ্ৰ কৰি এক উত্তেজনাময় অৱস্থা অব্যাহত থকাৰ সময়তে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিছে। আজি অনুষ্ঠিত হয় অসম চৰকাৰৰ কেবিনেট বৈঠক। এই বৈঠকৰ পাছতে এক সংবাদমেল সম্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গ গোচৰৰ চাৰ্জশ্বীট সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰে। তেওঁ সদৰী কৰা মতে, অহা নৱেম্বৰ মাহৰ পিছত এই গোচৰত চাৰ্জশ্বীট দাখিল কৰিব পৰা যাব বুলি SIT- এ জানিবলৈ দিছে। তদন্তৰ বাবে ৯০ দিন সময় থাকে যদিও নৱেম্বৰৰ ভিতৰতে তদন্ত সামৰি আদালতত অভিযোগনামা দাখিল কৰিব পৰা যাব বুলি SIT- এ আশা প্ৰকাশ কৰিছে। সেই অনুসৰি নৱেম্বৰৰ শেষত বা ডিচেম্বৰৰ প্ৰথম সপ্তাহৰ ভিতৰত SIT- এ চাৰ্জশ্বীট দাখিল কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেলত উল্লেখ কৰে। ইফালে এই গোচৰ বিচাৰ প্ৰক্ৰিয়া খৰতকীয়া কৰি তোলাৰ উদ্দেশ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ ওচৰত ফাষ্টট্ৰেক ক’ৰ্ট গঠনৰ বাবে আহ্বান জনাবলৈও কেবিনেটত সিদ্ধান্ত লোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰিছে। ৰাজ্যৰ মহাধিবক্তাৰ লগত আলোচনামৰ্মে এই গোচৰত এগৰাকী Special Public Prosecutor নিযুক্তি দিয়াৰো সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে।

## সন্ত্ৰাসবাদ, অপৰাধ আৰু

দুৰ্নীতিৰ প্ৰতি শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে দোহাৰিছে। নতুন দিল্লীত আজি পলাতক অপৰাধীৰ প্ৰত্যৰ্পণ প্ৰত্যাহ্বান আৰু ৰণ কৌশল সম্পৰ্কীয় এখন সন্মিলন মুকলি কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সকলো অপৰাধীকে আইনৰ আওতালৈ অনাৰ বাবে দেশত এটা শক্তিশালী ব্যৱস্থা বিকশাই তোলা হৈছে। তেওঁ কয়, যে প্ৰতিগৰাকী পলাতক অপৰাধীৰ সৈতে ক্ষমাহীন দৃষ্টিভংগী গ্ৰহণ কৰা উচিত আৰু তেওঁলোকক দেশৰ ন্যায় ব্যৱস্থাৰ সন্মুখলৈ অনা উচিত। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সীমান্তৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে আইনৰ শাসন সুদৃঢ় কৰাৰ দিশে অগ্ৰসৰ হৈছে। চৰকাৰে ২০১৮ চনত পলাতক অৰ্থনৈতিক অপৰাধী আইন বলবৎ কৰিছে আৰু এই আইনৰ অধীনত কৰ্তৃপক্ষসমূহক পলাতক অপৰাধীসকলৰ দেশত থকা সম্পত্তি জব্দ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে বুলি শ্ৰীশ্বাহে মন্তব্য কৰে। তেওঁ কয়, যে এই আইন প্ৰণয়নৰ মাত্ৰ ৪ বছৰৰ ভিতৰত ২০০ কোটি ডলাৰৰো অধিক ধন উদ্ধাৰ কৰা হৈছে। দেশত কালা ধন বৈধকৰণ প্ৰতিৰোধী আইনসমূহ শক্তিশালী কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে এনে আইনৰ বাবেই ২০১৪ৰ পৰা ২০২৩ চনৰ ভিতৰত প্ৰায় এহেজাৰ ২০০ কোটি ডলাৰৰ সম্পত্তি জব্দ কৰিব পৰা গৈছে।

## আই.পি.এছ. বিষয়াৰ ঘৰত

কৰিছে এজন আৰক্ষী বিষয়াক। জানিব পৰা মতে তেওঁ ৰোপাৰ ৰেঞ্জৰ ডি আই জি পদত আছিল। কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে অভিযুক্ত বিষয়াজনৰ ঘৰত তালাচী চলাই নগদ ৫ কোটি টকা, এখন বিলাসী গাড়ী, এখন বিশাল ঘড়ীকে ধৰি বহু সামগ্ৰী উদ্ধাৰ কৰিছে বুলি সংবাদ মাধ্যমৰ সূত্ৰসমূহে প্ৰকাশ কৰিছে। সূত্ৰসমূহে দাবী কৰিছে যে ডি আই জি হৰচৰণ সিং ভুল্লাৰ ২০০৯ চনৰ বেচৰ আই পি এছ বিষয়া। কিছুদিন পূৰ্বে আকাশ বাট্টা নামৰ এজন ব্যৱসায়ীয়ে তেওঁৰ বিৰুদ্ধে আৰক্ষীত এজাহাৰ দাখিল কৰিছিল। তেওঁ অভিযোগ কৰিছিল যে বিষয়াজনে তেওঁক ৮ লাখ টকা নিদিলে ভুৱা গোচৰত ফচাই দিয়াৰ ভাবুকি দিছিল। বৃহস্পতিবাৰে চিবিআয়ে এই গোচৰ ৰুজু কৰে। জানিব পৰা মতে, অভিযুক্ত বিষয়াজনৰ লগতে তেওঁৰ কৃষ্ণ নামৰ এজন সহযোগীকো গ্ৰেপ্তাৰ কৰা হৈছে। অভিযোগ উত্থাপন হৈছে যে এই ব্যক্তিজনে যিকোনো উৎকোচৰ ক্ষেত্ৰত মধ্যভোগী হিচাপে কাম কৰিছিল। বৃহস্পতিবাৰে আৰক্ষীয়ে অভিযুক্তক ধৰিবলৈ জাল পাতিছিল। ভুল্লাৰৰ দাবী অনুসৰি টকা দিবলৈ কৃষ্ণৰ ওচৰ পালেগৈ আকাশ। টকাখিনি লোৱাৰ লগে লগে আৰক্ষী তাত উপস্থিত হৈ তেওঁক গ্ৰেপ্তাৰ কৰে। এই ধনৰ কথা ব্যক্তিজনৰ আগত ফোনযোগে স্বীকাৰোক্তি দিয়াৰ পিছতে ভুল্লাৰকো গ্ৰেপ্তাৰ কৰা হয়। শুকুৰবাৰে আদালতত হাজিৰ কৰা হ’ব অভিযুক্ত দুজনক।

### চুৰি গৰুভৰ্তি দুখন বাহন পলাতক

# নাজিৰাত বিলাসী বাহন সহ চুৰি গৰু উদ্ধাৰ; দুজনক আটক

**অসমবাৰ্তা, নাজিৰা, ১৬ অক্টোবৰ ঃ** আজি কাহিলী পুৱাতে নাজিৰাৰ আৰক্ষীয়ে এখন বিলাসী বাহনসহ তিনিজনী গাইগৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কাহিলী পুৱাত নাজিৰা আদৰ্শ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভৱেন দাসৰ নেতৃত্বত আৰক্ষীৰ দলে গেলেকী মেকীপুৰ ফালৰ পৰা অহা তিনিখন গৰুভৰ্তি বিলীসী বাহন অহাৰ সম্ভেদ পাই বৰতলাৰ পৰা আৰক্ষীয়ে খেদি খেদি নাজিৰা চাৰিআলিত এখন গাড়ী ৰখাবলৈ সক্ষম হয় আৰু আন দুখন গৰুভৰ্তি গাড়ী অতি কৌশলেৰে চাৰিআলিৰ সমীপত ঘূৰাই বিপৰীত দিশত পলায়ণ কৰে। আৰক্ষীয়ে AS06-AC - 7653 নম্বৰৰ বিলাসী গাড়ীখনত তিনিজনী গাইগৰু উদ্ধাৰ কৰাৰ লগতে গাড়ীখনত অহা শিৱসাগৰ ষ্টেচন চাৰিআলিৰ মেৰাজ আলী (৩৯ ) আৰু চমিদুল আলী ( ৪০ ) ক আটক কৰে। আনহাতে চুৰিগৰু ভৰ্তি গাড়ীখনৰ চালকজনো অতি কৌশলেৰে পলায়ণ কৰে। আৰক্ষীয়ে গৰুচোৰৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে।

# লামডিং বিধানসভা সমষ্টিত "শুশ্ৰূষা সেতু" শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন



**অসম বাৰ্তা, লংকা, ১৬ অক্টোবৰ ঃ** ভাৰতৰ যশস্বী প্ৰধানমন্ত্ৰী মাননিয় নৰেন্দ্ৰ মোদীৰ ৭৫ তম জন্ম দিনৰ লগত সংগতি ৰাখি ৰাজ্যজুৰি অনুষ্ঠিত হৈ থকা অসম চৰকাৰৰ "সেৱা হি সমৰ্পণ" সেৱা সপ্তাহ কাৰ্যসূচীৰ অংশস্বৰূপে আজি লামডিং বিধানসভা সমষ্টিৰ বাবে লংকা কো: অ: মাৰ্কেটিং এণ্ড প্ৰচেছিং চছাইটি লিমিটেডৰ চৌহদত "শুশ্ৰূষা সেতু" শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। স্বাস্থ্য শিবিৰৰ কাৰ্যসূচীৰ আৰম্ভণিতে অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলিৰে গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি স্বাস্থ্য শিবিৰৰ শুভ উদ্বোধন কৰা হয়। আজিৰ এই বৃহৎ স্বাস্থ্য শিবিৰৰ উদ্বোধনী কাৰ্যসূচীত লামডিং বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক শিবু মিশ্ৰ ডাঙৰীয়া, জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, লামডিং সমজিলাৰ সমজিলা আয়ুক্ত চন্দন বৰগোহাঁই, অতিৰিক্ত জিলা আয়ুক্ত সপ্ততি এন্দো, হোজাই জিলা পৰিষদৰ সভানেত্ৰী জুণ্টি বৰা, লংকা পৌৰসভাৰ পৌৰপালিকা পাৰমিতা ৰয় সাহা, সহকাৰী আয়ুক্ত ক্ৰমে বিভূতি সন্দিকৈ, মকিবুল আলী, ৰুবু বৰা, কাৰ্যবাহী বিষয়া লামডিং আৰু লংকা পৌৰসভা ক্ৰমে দ্বীপজ্যোতি মহন্ত, বিকশিতা শইকীয়া, জিলা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডা: বাসুদেৱ মালাকাৰ, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ হোজাই জিলা প্ৰকল্প বিষয়া শাবানা চৌধুৰী প্ৰমুখ্যে বিভিন্ন দল সংগঠনৰ বিষয়ববীয়া, হোজাই জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ বিষয়া, কৰ্মচাৰী আৰু স্থানীয় গণ্য মান্য ব্যক্তি সকলৰ উপস্থিত থাকে। উদ্বোধনী ভাষণ প্ৰসংগত বিধায়ক শিবু মিশ্ৰ ডাঙৰীয়াই কয় যে, আজিৰ এই বৃহৎ স্বাস্থ্য শিবিৰৰ মাধ্যমত বহুতো দুখীয়া পৰিয়ালৰ জটিল ৰোগীয়ে বিনামূলীয়াকৈ উন্নত চিকিৎসা সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। তাৰবাবে তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ অশেষ ধন্যবাদ জনায়। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে নিজৰ মূল্যবান ভাষণত কয় যে এখন কল্যাণকামী ৰাষ্ট্ৰত চৰকাৰৰ দায়বদ্ধতা থাকে, প্ৰত্যেকজন নাগৰিকৰে স্বাস্থ্য, শিক্ষা, সংস্থাপন দিয়া। ইতিমধ্যে, ৰাজ্য চৰকাৰে মহিলা উদ্যমিতা, মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰশীল অসম আদি আঁচনিৰ জৰিয়তে বহুতকে সংস্থাপিত কৰিছে। সমান্তৰালকৈ, এক লক্ষাধিক শিক্ষিত নিবনুৱা যুৱক, যুৱতিক চৰকাৰী বিভিন্ন বিভাগত নিয়োজিত কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে। শিক্ষাৰ ক্ষেত্ৰত বিনামূলীয়া নামভৰ্তি, বিদ্যালয় পোছাক, মধ্যান্ন ভোজন আদি উল্লখযোগ্য বুলি প্ৰকাশ কৰে। তেওঁ আৰু কয় যে, এই কাৰ্যসূচীৰ মাধ্যমত ইতিমধ্যে ৰক্তদান, পাৰিপাৰ্শ্বিকতাৰ বাবে বৃক্ষ ৰোপণ, যক্ষ্মা ৰোগীক পৰিপুষ্টি আহাৰৰ যোগান আদি সুচাৰুৰূপে সম্পূৰ্ণ কৰা হৈছে। আজি অনুষ্ঠিত হোৱা স্বাস্থ্য শিবিৰত ৪২৮৩ গৰাকী ৰোগী আৰু ৰোগীৰ অভিভাৱকৰ আগমন ঘটে। মুঠ ১৫৮৩জন ৰোগীয়ে পঞ্জীয়ন কৰি স্বাস্থ্য সেৱা গ্ৰহণ কৰে তাৰে ৩৩৮ গৰাকীক উন্নত চিকিৎসাৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰা হয়। উল্লেখযোগ্য যে আজিৰ স্বাস্থ্য শিবিৰত ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ উপৰিও হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ, যকৃত, বৃক্ক, চকু আৰু নাক-কাণৰ ৰোগকে ধৰি ৫০বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক পৰীক্ষাৰ সুবিধা উপলব্ধ কৰোৱা হয়। তদুপৰি পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণৰ ব্যৱস্থা, ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰা হয়।

# চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আধাৰশিলা স্থাপন বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ অক্টোবৰঃ** নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই আজি পুৰণি চামগুৰি বিধানসভা সমষ্টিৰ বহুকেইটা স্থানত আধাৰশিলা স্থাপন কৰে। চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়তৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে বিধায়ক এলেকা উন্নয়ন পুঁজি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ১০ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগা আন্তঃ গাঁঠনিৰ উন্নয়নৰ আজি আধাৰশিলা স্থাপন কৰে চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই। চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই বিধায়ক উন্নয়ন পুঁজিৰ পৰা আগবঢ়োৱা ১০ লাখ টকা চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁঠনিৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰি ভাষণ প্ৰসংগত কয় যে, মধ্য অসমৰ উল্লেখযোগ্য শিক্ষানুষ্ঠান হৈছে চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়। এই বিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত মই সহযোগিতা কৰিবলৈ পায় আনন্দিত হৈছো। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰে শিক্ষিত কৰি সমাজৰ এজন এজন ভাল মানুহ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি অহা এই বিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত অনাগত দিনত আৰু সহযোগিতা আগবঢ়াই যাব বুলি বিধায়ক গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। শচামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাজীৱ কুমাৰ দাসে আঁট ধৰা আধাৰশিলা স্থাপন অনুষ্ঠানৰ সভাখনত ভাৰতীয় জনতা পাৰ্টিৰ কলিয়াবৰ জিলা সমিতিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকা উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই শিক্ষানুষ্ঠান ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান সমূহৰ উন্নয়ন ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰি অনুষ্ঠান সমূহ আগবঢ়াই নিবলৈ চেষ্টা অব্যাহত ৰাখিছে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। আজি অনুষ্ঠিত হোৱা আধাৰশিলা অনুষ্ঠানত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তীৰ্থ দাস, ভাৰতীয় জনতা পাৰ্টিৰ পুৰণিগুদাম মণ্ডল সমিতিৰ সভাপতি নিতু মুদৈ, সমাজসেৱক ভৰত দাসৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী সকল আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। উল্লেখ্য যে, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে কিছুদিন পূৰ্বে কেইবা লাখ টকাৰ ব্যয় সাপেক্ষে বিদ্যালয়খনৰ টিণপাত সমূহ লগাই দিয়াৰ ব্যৱস্থা কৰি দিয়াৰ পিছত আজি পুনৰ চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই বিধায়ক পুজিৰ পৰা ১০ লাখ টকা বিদ্যালয়খনৰ আন্তঃ গাঁঠনিৰ উন্নয়নৰ কাৰণে আধাৰশিলা স্থাপন কৰে। আনহাতে, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই আজি চামগুৰিস্থিত শংকৰদেৱ শিশু নিকেতনত বিধায়ক উন্নয়ন পুঁজিৰ ৫ লাখ টকা তথা আন্তঃগাঁঠনিৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰাৰ লগতে চামগুৰি কৃষ্টি বিকাশ কেন্দ্ৰৰ ৩ লাখ টকা ব্যয় সাপেক্ষে আন্তঃগাঁঠনিৰ উন্নয়ন আৰু পুৰণিগুদামস্থিত ড° ভবেন্দ্ৰনাথ শইকীয়া স্মৃতি প্ৰেক্ষাগৃহ ৫ লাখ টকা ব্যয় সাপেক্ষে আন্তঃগাঁঠনিৰ উন্নয়নৰ আধাৰশিলা স্থাপন কৰে বুলি জানিব পৰা গৈছে।



## হাৰ্টথ্ৰৱ জুবিন গাৰ্গক বিজেপি-আৰ এচ এচে পৰিকল্পনা কৰিয়ে হত্যা কৰিলে

# বিজেপি আৰ এচ এচৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ চি পি আই নেতা কনক গগৈ



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৬ অক্টোবৰ ঃ** শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয় সন্মুখত চি পি আইয়ে অসমীয়া হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ উচ্চ পৰ্যায়ৰ ক্ষিপ্ৰ তদন্ত বিচাৰি লগতে দোষীসকলক দৃষ্টান্তমূলক কঠোৰ শাস্তি বিহা দাবীত, ছয় জনগোষ্ঠীক শীঘ্ৰে জনজাতিৰ মৰ্যাদা প্ৰদান কৰি অসমক জনজাতি ৰাজ্য ঘোষণা কৰা দাবীত, সংবিধানৰ ৩৭০ আৰু ৩৭১(ক) অনুচ্ছেদ অনুসৰি অসমক বিশেষ ৰাজ্য মৰ্যাদা প্ৰদান কৰা দাবীত, অসমৰ ভূমি ক'ৰ্পৰেটগোষ্ঠীক গতাই দিয়াটো বন্ধ কৰা দাবীত, ভূমিৰ জৰীপ আৰু বন্দবস্তিৰ জৰিয়তে ভূমিৰ সমস্যা সমাধান আৰু অধিকাৰ প্ৰদান কৰা দাবীত, আন্তৰাজ্যিক সীমা সমস্যা সমাধানকে ধৰি কেইবাদফীয়া দাবীত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰি অসম চৰকাৰলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। অৱস্থানস্থলিত অংশগ্ৰহণ কৰি চি পি আই ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা ৰাজ্যিক সম্পাদক কনক গগৈয়ে কয় আমাৰ সম্পূৰ্ণ সন্দেহ হৈছে যে অসমীয়া হাৰ্টথ্ৰৱ জুবিন গাৰ্গে বিজেপি চৰকাৰ আৰু আৰ এচ এচৰ দৰ্শনৰ সন্মুখত এক বৃহৎ প্ৰত্যাহ্বান হিচাপে দেখা দিছিল কাৰণেই জুবিন গাৰ্গক বহু দিনৰ পৰাই হত্যা কৰিবলৈ এক ষড়যন্ত্ৰ ৰচনা কৰা হৈছিল বুলি কনক গগৈয়ে বিজেপি আৰ এচ এচৰ বিৰুদ্ধে মহা অভিযোগ আনে। লম্পট শ্যাম কানু মহন্তক ব্যৱহাৰ কৰি জুবিনক লুণ্ঠন কৰিবলৈ আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰ গোস্বামীয়ে সেই সুযোগ লৈ জুবিনক লুটিবলৈ পৰিকল্পনা কৰোৱাই তেওঁলোকে এই ষড়যন্ত্ৰ সফল কৰি তুলিছিল। সিদ্ধাৰ্থ শৰ্মা আৰু শ্যামকানু মহন্ত দুয়োজনেই বিজেপি দলৰ সৈতে আৰু আৰ এচ এচৰ সৈতে বিভিন্ন প্ৰকাৰে ওতপ্ৰোতভাৱে জড়িত আছিল। আনহাতে জুবিন দাই যেতিয়া বিভিন্ন সাংস্কৃতিক অনুষ্ঠানত অসমৰ জাতীয় সমস্যা সমূহৰ সম্পৰ্কে মত প্ৰকাশ কৰিছিল তেতিয়াই তেওঁ শাসকগোষ্ঠীক চোকা সমালোচনা কৰি কৈছিল যে আমি নৱপ্ৰজন্মই চৰকাৰ পাতিবও পাৰো চৰকাৰ ভাঙিবও পাৰোঁ। তেওঁ মুকলিকৈয়ে বিজেপিক ভোট নিদিবিলৈ আহ্বান জনাইছিল। জুবিন গাৰ্গে মুকলিকৈ কৈছিল যে মোৰ কোনো জাতি নাই মোৰ কোনো ধৰ্ম নাই মোৰ কোনো ভগৱান নাই মই কাঞ্চনজংঘা। এবাৰ মাজুলীৰ এক সাংস্কৃতিক অনুষ্ঠানত মই কোনো প্ৰভু ঈশ্বৰক বিশ্বাস নকৰোঁ বুলি কোনো এগৰাকী সত্ৰাধিকাৰৰ সন্মুখতে প্ৰকাশ কৰিছিল আৰু এনেদৰে কোৱাৰ বাবেই বিজেপি আৰ এচ এচে এই প্ৰত্যাহ্বান গ্ৰহণ কৰি তেখেতক আচলতে শেষ কৰি দিবলৈ এক বৃহৎ ষড়যন্ত্ৰ ৰচনা কৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিনৰ এই চোকা সমালোচনাক কেইবাবাৰো প্ৰত্যুত্তৰ দি ৰাজহুৱা সমাৱেশ সমূহত বক্তব্যও ৰাখিছিল। গতিকে এই সকলো ষড়যন্ত্ৰ ধৰা পৰা ভয়তে আজি তদন্ত প্ৰক্ৰিয়া ক্ষেত্ৰতো মুখ্যমন্ত্ৰীয়ে বিভ্ৰান্তিকৰ পৰিস্থিতি সৃষ্টি কৰিছে। আমি চি পি আইয়ে জুবিন দা'ৰ এই হত্যাকাণ্ড এক উচ্চ পৰ্যায়ৰ ক্ষিপ্ৰ তদন্ত দাবী কৰিছোঁ আৰু দোষীসকলক দৃষ্টান্তমূলক শাস্তি দাবী জনাইছোঁ। আনহাতে কনক গগৈয়ে আৰু কয় যে বৃহত্তৰ অসমীয়া জাতীয় সত্তাক ৰক্ষা কৰিবলৈ হ'লে ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰি অসমক জনজাতি ৰাজ্য ঘোষণা কৰাৰ বাহিৰে কোনো বিকল্প নাই বুলি কয় লগতে সংবিধানৰ ৩৭০ আৰু ৩৭১(ক) অনুচ্ছেদ অনুসৰি অসমক বিশেষ ৰাজ্য ঘোষণা কৰিলেহে অসম যুগ যুগান্তলৈকে সকলো ক্ষেত্ৰতে সুৰক্ষিত হৈ থাকিব বুলি কয়। ইয়াৰ উপৰিও কনক গগৈয়ে বিজেপি চৰকাৰে ক'ৰ্পৰেটগোষ্ঠীক বিশেষকৈ আদানি, আম্বাণী, ৰামদেৱ, বেদান্ত, গডৰেজ আৰু টাটা গ্ৰুপক অসমৰ ৫৫০০০ হাজাৰ বিঘা কৃষিভূমি আৰু চৰকাৰী মাটি তথা সম্পদবোৰ গতাই দিয়াটো শীঘ্ৰে বন্ধ কৰিবলৈ দাবী জনাই। আৰু ৰাজ্যজুৰি মাটি জৰীপ চলাই দীৰ্ঘদিনীয়া মাটি সমস্যাটো সমাধান কৰা লগতে খিলঞ্জীয়া লোকৰ ভূমি অধিকাৰ পৰিপন্থী বসুন্ধৰা আঁচনি বাতিল কৰিবলৈও কনক গগৈয়ে দাবী জনাই। জিলা সম্পাদক মণি বুঢ়াগোহাঁই আৰু সহ সম্পাদক মদন বৰুৱাই জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ সৈতে এক ৰাজনৈতিক ষড়যন্ত্ৰ জড়িত বুলি সন্দেহ প্ৰকাশ কৰি বক্তব্য ৰাখে। তেওঁলোকে অসমক ৰক্ষা কৰিবলৈ হ'লে ছয় জনগোষ্ঠীক জনজাতিকৰণ দি অসমক জনজাতি মৰ্যাদা প্ৰদান কৰা আৰু অসমক বিশেষ ৰাজ্য মৰ্যাদা দাবী প্ৰথম প্ৰয়াত নেতা প্ৰমোদ গগৈয়ে তুলিছিল বুলি কয়। কিন্তু এই ক্ষেত্ৰত বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি ৰাখিও ইয়াক পালন কৰিব নোৱাৰিলে বুলি চৰকাৰক সমালোচনা কৰে। আনহাতে অসমৰ সীমা সমস্যা সমাধান কৰিব নোৱাৰা বিজেপি চৰকাৰক চোকা সমালোচনা কৰে। অৱস্থানস্থলিত জেষ্ঠ চি পি আই নেতা ধৰ্ম বৰুৱা, এ আই ৱাই এফৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অজয় বড়া, সদৌ অসম কৃষি শ্ৰমিক সংঘৰ জিলা সম্পাদক ৰাজেন বাউৰী, এ আই টি ইউ চি কেইবাজনো নতাসহ ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ পূৰ্বেই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত অৱস্থানকাৰী সকলে শ্ৰদ্ধাঞ্জলি জনাই।

# উত্তৰ পূৰ্বাঞ্চলত উদ্ভাৱন আৰু উদ্যোগশীলতা প্ৰসাৰ কৰিবলৈ গুৱাহাটী বায়'টেক পাৰ্কত বুটকেম্প সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ অক্টোবৰ ঃ** গুৱাহাটী বায়'টেক পাৰ্কত বুধবাৰে "ইগনিটিং আইডিয়াছ, এম্পৱাৰিং ইনোভেটাৰছ" (Igniting Ideas, Empowering Innovators ) শীৰ্ষক একদিনীয়া বুটকেম্প অনুষ্ঠিত কৰে। এই অনুষ্ঠানত ৰাজ্য তথা অঞ্চলৰ বিভিন্ন প্ৰান্তৰ উদ্যোগী, ষ্টাৰ্টআপ পৰামৰ্শদাতা, গৱেষক আৰু শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি উদ্ভাৱনৰ চেতনাক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে মতবিনিময় কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে গুৱাহাটী বায়'টেক পাৰ্কৰ মুখ্য কাৰ্যবাহী বিষয়া তথা কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, অসম ষ্টাৰ্টআপ—দা নেষ্টৰ মুখ্য কাৰ্যবাহী বিষয়া ওমকাৰণাথ ৰথ, গুৱাহাটী বায়'টেক পাৰ্কৰ প্ৰশাসক ৰাকেশ কুমাৰ ঠাকুৰ আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ অৱৰ সচিব নীলকমল দাস। তদুপৰি বুটকেম্পত বিভিন্ন জ্ঞানমূলক অধিবেশন অনুষ্ঠিত হয়। নুস্ক'ছিয়াৰ (NuScocia) প্ৰধান পৰামৰ্শদাতা ড° সীমান্ত কলিতাই ব্যৱসায়িক পৰিকল্পনাৰ মূল্যায়ন আৰু নতুন পৰিকল্পনাৰ সৃষ্টি (Business Idea Validation and Idea Generation) শীৰ্ষক বিষয়ৰ ওপৰত বক্তব্য প্ৰদান কৰে। ষ্টাৰ্টআপ কনে" গ্ল'বেলৰ (Startup Connect Global) মুখ্য কাৰ্যবাহী বিষয়া নিধি বঢ়েৰাই পৰিকল্পনাৰ পৰা সামগ্ৰী উৎপাদন কৰা (How to Develop the Product from Idea) শীৰ্ষক বিষয়ৰ ওপৰত আলোচনা কৰে। থলুৱা প্ৰতিষ্ঠানৰ প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়া ত্ৰৈলোক্য দত্তই ব্যৱসায়ৰ আৰ্হি প্ৰস্তুতকৰণ আৰু বজাৰ-প্ৰৱেশ কৌশল বিকাশ (Developing a Business Model Canvas and Go-to-Market Strategy) বিষয়ে আৰু আই আই এম চি আই পি (IIMCIP) কলকাতাৰ মেণ্টৰ তথা অধ্যাপক দ্বীজুদাস চ্যাটাৰ্জীয়ে বিভিন্ন পৰিকল্পনাৰ মাধ্যমে অৰ্থ সংগ্ৰহ (Fundraising through Various Schemes) শীৰ্ষক বিষয়ৰ ওপৰত আলোচনা কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠানতে নিধি প্ৰয়াসৰ (NIDHI-PRAYAS) উদ্যোগত নৱপ্ৰজন্মক বিকাশ আৰু প্ৰাৰম্ভিক পৰ্যায়ৰ উদ্ভাৱনৰ দিশত আগ্ৰহী কৰাৰ উদ্দেশ্যেৰে গুৱাহাটী বায়'টেক পাৰ্কস্থিত নিধি-প্ৰয়াস চেণ্টাৰ আৰু উদ্ভাৱকসকলৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। লগতে বুটকেম্পত শিক্ষাৰ্থীসকলক বাস্তৱ সমস্যা আৰু প্ৰত্যাহ্বান সমূহ সমাধানৰ উপৰিও উদ্ভাৱন কৰিবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্যৰে "Young Minds Challenge 2025" শীৰ্ষক এক কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়।

## অধীক্ষক আৰু জিলা আয়ুক্তক স্মাৰক পত্ৰ দাখিল গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

# কৃষ্ণাইৰ বনপালক জগদীশ বৰ্মনক গ্ৰেপ্তাৰৰ দাবীত জ্যেষ্ঠ আৰক্ষী

**অসম বাৰ্তা, গোৱালপাৰা, ১৬ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই মধ্য বনাঞ্চলত বনপালক-১ জগদীশ বৰ্মনৰ দ্বাৰা এগৰাকী নিৰীহ মহিলাক বেআইনীভাৱে গ্ৰেপ্তাৰ কৰি হেণ্ডকেফ লগাই আটক ৰাখি ধন আদায় কৰাৰ অভিযোগৰ প্ৰতি ক্ষোভ প্ৰকাশ কৰি গোৱালপাৰা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু জিলা আয়ুক্তৰ নিকটত এখন স্মাৰক পত্ৰ দাখিল কৰিছে। ছাত্ৰ সংগঠনটোৱে অভিযোগ কৰে যে, কৃষ্ণাই ৰেঞ্জৰ অধীনত কৰ্তব্যৰত বনপালক-১ জগদীশ বৰ্মনে নিজৰ চৰকাৰী পদৰ অপব্যৱহাৰ কৰি এগৰাকী নিৰীহ মহিলাৰ ওপৰত অমানৱিক অত্যাচাৰ সংঘটিত কৰিছে। উল্লেখযোগ্য যে, এই সন্দৰ্ভত কৃষ্ণাই আৰক্ষী থানাত গোচৰ নং ৬১/২৫ ৰুজু কৰা হৈছে। উক্ত গোচৰত আশুডুবী গাঁৱৰ বাসিন্দা কাৰিমা খাতুনৰ ওপৰত বেআইনীভাৱে গ্ৰেপ্তাৰ, হেণ্ডকেফ, অনধিকাৰ প্ৰৱেশ আৰু ধন আদায় কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, ১৭ আগষ্ট, ২০২৫ তাৰিখে পুৱা প্ৰায় ৯.৩০ বজাত কাৰিমা খাতুনে নিজৰ পট্টা জমি (দাগ নং ২৭৫)ত সাৰ দিবলৈ গৈছিল। সেই সময়তে বনপালক-১ জগদীশ বৰ্মনে কোনো বৈধ অনুমতি নোহোৱাকৈ মহিলাগৰাকীৰ জমিত প্ৰৱেশ কৰি গালি-গালাজ কৰে আৰু বেআইনীভাৱে গ্ৰেপ্তাৰ কৰি নিজৰ হাতেৰে হেণ্ডকেফ লগায়। তাৰ পিছত ভুক্তভোগী মহিলাগৰাকীক পুৱা ১০ বজাৰ পৰা নিশা ৯ বজালৈ কৃষ্ণাই ৰেঞ্জ কাৰ্যালয়ত বন্দী অৱস্থাত ৰখা হৈছিল। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এই ঘটনাক গভীৰ মানৱাধিকাৰ লংঘন আৰু চৰকাৰী ক্ষমতাৰ জঘন্য অপব্যৱহাৰ বুলি আখ্যা দিছে। অভিযোগ অনুসৰি, বন্দী অৱস্থাত থাকোঁতে বনপালক-১ জগদীশ বৰ্মনে ভুক্তভোগীৰ পৰিয়ালৰ পৰা ৫০ হাজাৰ টকা দাবী কৰে, আৰু বাধ্যতামূলকভাৱে তিনিটা গৰু বিক্ৰী কৰি সেই ধন বনপালক-১ জগদীশ বৰ্মনক দিব লগা হয়। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ জিলা সভাপতি শ্বাহীদুল ইছলাম আৰু সাধাৰণ সম্পাদক আহমেদ আলী জিন্নাই স্মাৰক পত্ৰত উক্ত ঘটনাক "অপৰাধমূলক ব্যৱহাৰ আৰু এজন মহিলাৰ মৰ্যাদাৰ ঘোৰ অপমান" বুলি মন্তব্য কৰিছে। উক্ত ঘটনাটোলৈ লক্ষ্য কৰি সংগঠনটোৱে জিলা প্ৰশাসনৰ নিকটত কেইবাটাও দাবী আগবঢ়াইছে। সংগঠনটোৰ দাবীসমূহ হ'ল— ১. কৃষ্ণাই থানাত ৰুজু হোৱা গোচৰ নং ৬১/২৫ৰ তদন্ত তৎক্ষণাত আৰম্ভ কৰি ন্যায়সঙ্গতভাৱে আগবঢ়োৱা। ২. অভিযুক্ত বনপালক-১ জগদীশ বৰ্মনক তদন্তকালীন ভাৱে চাকৰিৰ পৰা নিলম্বন কৰা। ৩. ভুক্তভোগী মহিলা আৰু তেওঁৰ পৰিয়ালক সকলো ধৰণৰ ভয় বা হয়ৰাণিৰ পৰা সুৰক্ষা প্ৰদান কৰা। ৪. অভিযুক্ত চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে আইনগত আৰু বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা।

# গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, গোৱালপাৰা, ১৬ অক্টোবৰ ঃ** অসম চৰকাৰৰ উদ্যোগত গোৱালপাৰা জিলা প্ৰশাসন তথা জিলা স্বাস্থ্য সমিতিৰ তত্ত্বাবধানত অনুষ্ঠিত বৃহৎ স্বাস্থ্য শিবিৰ। গোৱালপাৰা জিলাৰ এই তৃতীয়টো "শুশ্ৰূষা সেতু" শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰলৈ শিশু, ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ ব্যাপক সঁহাৰি। এই বৃহৎ স্বাস্থ্য শিবিৰৰ মুখ্য উদ্দেশ্য ঃ- ১৮ বছৰ বয়সৰ তলৰ শিশু আৰু কিশোৰ কিশোৰী সকলক বিশেষ গুৰুত্ব প্ৰদান। হৃদযন্ত্ৰ, স্নায়ু, বংশানুক্ৰমিক ৰোগ যকৃত, বৃক্ক, চকু আৰু নাক কাণৰ ৰোগকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ নিৰ্ণায়ক। পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু বিনামূলীয়া পুনৰীক্ষণ ব্যৱস্থা। ৰোগ অনুসৰি পৰ্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে বিশেষ সা-সুবিধা থকা চিকিৎসালয়লৈ প্ৰেৰণ। অসম চৰকাৰে বিধান সভা ভিত্তিত শুশ্ৰূষা সেতু নামেৰে যি বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে তাৰে অংশ হিচাপে আজি গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিৰ বাবে আগিয়াত এই বৃহৎ স্বাস্থ্য শিবিৰটো আজি অনুষ্ঠিত কৰা হয়। গোৱালপাৰা জিলা প্ৰশাসন তথা গোৱালপাৰা জিলা স্বাস্থ্য সমিতিয়ে আগিয়াৰ যোগেন্দ্ৰ নাথ মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰা আজিৰ বৃহৎ স্বাস্থ্য শিবিৰটোত গোৱালপাৰা পশ্চিম বিধান সভা সমষ্টিৰ বহুতো শিশু, কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী তথা সমষ্টিটোৰ ৰাইজে এই বৃহৎ স্বাস্থ্য শিবিৰলৈ আহি স্বাস্থ্য পৰীক্ষা কৰে। এই বৃহৎ স্বাস্থ্য শিবিৰটো উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভায়ে। গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুং, গোৱালপাৰা পশ্চিম সমজিলাৰ সমজিলা আয়ুক্ত নৱজিৎ পাঠক, দুধনৈৰ সমজিলা আয়ুক্ত অৰুন কুমাৰ ব্ৰহ্ম, ৰাভা হাছং হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সুচিত্ৰা নাথ, গোৱালপাৰা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি দীপক কুমাৰ নাথ, সমাজকৰ্মী দীপাংক কুমাৰ নাথ তথা স্বাস্থ্য বিভাগৰ বিষয়া সকল স্বাস্থ্য শিবিৰটোৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে। এই বৃহৎ স্বাস্থ্য শিবিৰটোত আজি সমষ্টিটোৰ কে'বাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। দুৰৈৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ অহাৰ বাবে যাতায়তৰ ব্যৱস্থা কৰা হয়। আজি অনুষ্ঠিত এই স্বাস্থ্য শিবিৰটোত মুঠ ৩৯৭৩ গৰাকী লোকে স্বাস্থ্য পৰীক্ষা/চিকিৎসা বিধান লয় আৰু ইয়াৰ ভিতৰত ৩৯৮ গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় বা সমপৰ্যায়ৰ চিকিৎসালয়ত উন্নত চিকিৎসাৰ বাবে পঞ্জীয়ন কৰা হয়। স্বাস্থ্য শিবিৰটোত ঔষধ বিভাগ, নাক, কাণ আৰু ডিঙি বিভাগ, চকু, চৰ্ম ৰোগ, হৃদৰোগ, সাধাৰণ শল্য বিভাগ, স্ত্ৰীৰোগ, হাড়ৰ চিকিৎসা, মানসিক ৰোগ বিভাগ আদি ৫০ প্ৰকাৰৰ ৰোগৰ পৰীক্ষা, চিকিৎসাৰ বিধান আৰু ঔষধ প্ৰদান কৰা হয়। তদুপৰি বিনামূলীয়াকৈ এ'-ৰে, লেব'ৰেটৰীত বিভিন্ন পৰীক্ষা, শুনাৰ ক্ষমতা নিৰ্ধাৰণ, যক্ষ্মা আৰু 'এইচ আই ভি' পৰীক্ষা, কেঞ্চাৰ ৰোগৰ পৰীক্ষা আদিও এই বৃহৎ স্বাস্থ্য শিবিৰটোত উপলব্ধ কৰা হৈছে।

# ডুমডুমাত 'আছু'ৰ উদ্যোগত স্থাপন কৰা শ্বহীদ বেদী আৰু সুধাকণ্ঠৰ প্ৰতিমূৰ্ত্তি উন্মোচন কৰিলে উৎপল শৰ্মাই



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৬ অক্টোবৰ ঃ** ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ডুমডুমা নগৰৰ সমীপৰ ৰূপাই চাইডিঙত অৱস্থিত ডুমডুমা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত স্থাপন কৰা শ্বহীদ বেদী আৰু সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তি আজি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত 'আছু'ৰ সভাপতিগৰাকীয়ে শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে অসমৰ জাতীয় জীৱনৰ এগৰাকী অন্যতম মনীষী তথা সঙ্গীতজ্ঞ ডঃ ভূপেন হাজৰিকালৈও গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। তেওঁ লগতে এনে এটা পদক্ষেপ লোৱাৰ বাবে ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ শলাগ লয়। সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তিটো নিজৰ প্ৰয়াত পিতৃ সুৰজমল আগৰৱালা আৰু মাতৃৰ ৰামপিয়াৰি দেৱীৰ সোঁৱৰণত নিৰ্মাণ কৰাই দিয়াৰ বাবে শৰ্মাই ডুমডুমাৰ বিশিষ্ট ব্যৱসায়ী ৰামধন আগৰৱালাক ধন্যবাদ জ্ঞাপন কৰে। ভাষণ প্ৰসংগত 'আছু'ৰ সভাপতি গৰাকীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টো উত্থাপন কৰি জুবিন গাৰ্গৰ মৃত্যুএ অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত এক বিৰাট শূন্যতাৰ সৃষ্টি কৰা বুলি কয়। তেওঁ জুবিন গাৰ্গে ন্যায় পাবই লাগিব বুলি মত পোষণ কৰে। ইয়াৰ পূৰ্বে 'আছু'ৰ সভাপতিগৰাকীক গায়ন-বায়নেৰে আদৰি অনা হয় আৰু ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই তেওঁক সম্বৰ্ধনা জনায়। অনুষ্ঠানৰ আৰম্ভণিতে ৰূপাই জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে 'শ্বহীদ প্ৰণামো তোমাক.....' গীতটি পৰিৱেশন কৰে। শেষত, ডুমডুমা অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ সহস্ৰাধিক শিক্ষাৰ্থীয়ে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে.......' গীতটি সমবেত কণ্ঠত পৰিৱেশন কৰে। উদ্বোধনী অনুষ্ঠানত সুধাকণ্ঠৰ প্ৰতিমূৰ্ত্তিৰ দাতা তথা তেখেতৰ পৰিয়ালৰ সদস্যাসকলৰ উপৰিও 'আছু'ৰ কেন্দ্ৰীয় আৰু জিলা সমিতিৰ বহু কেইগৰাকী নেতাৰ লগতে স্থানীয় বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী, বিশিষ্ট ব্যক্তি, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে।